# Assam Legislative Assembly Debates

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

## *OFFICIAL REPORT*

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. XIV**

No. 26

**The 18th March, 1976**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1989*

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

## *OFFICIAL REPORT*

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. XIV**

**No. 26**

**The 18th March, 1976**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1989*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY.

( BUDGET SESSION )

Vol. XIV, No. 26

**Dated the 18th March, 1976**

Contents


| | | Page |
|---|---|---|
| 1: | Questions | 1 |
| 2. | Voting on Demands for Grants | 35 |
| 3. | The Assam Appropriation (No. II) Bill, 1976 | 106 |
| 4. | Adjournment | 142 |

Proceedings of the fourteenth Session of the Assam Legislative Assembly assembled after the Fifth General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday the 18th March, 1976 with the Hon. Speaker in the Chair, 13 (Thirteen) Ministers, 4 (Four) Ministers of State, 1 (one) Deputy Minister, 66 (Sixty six) Members present.

## STARRED

### Questions and Answers

Date : 18th March, 1976

Pending Starred Question No. 303—Supplementaries.

শ্ৰীলক্ষ্মী কান্ত শইকীয়া—অধ্যক্ষ মহোদয়, গুৱাহাটী আৰু যোৰহাটৰ গাখীৰ যোগান আঁচনিৰ অৰ্থনৈতিক অৱস্থা বেয়া হোৱাৰ কাৰণ কি—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাবোনে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, গুৱাহাটীৰ গাখীৰ যোগান আঁচনিৰ অৰ্থনৈতিক অৱস্থা ভাল হৈয়ে আছে, যোৰহাটৰ ভাল হোৱা নাই, ইয়াৰ কাৰণ বিশেষকৈ যিবিলাক ঠাইৰ পৰা গাখীৰ পোৱা হয় সেই ঠাইবিলাক দূৰ হয়। তাৰ পৰা আনোতে কিছু গাখীৰ বেয়া হৈ যায় আৰু 'ফ্ৰিজিং এণ্ড পেষ্ট'—ৰাইজিং কৰাৰ নিমিত্তে যিমান পৰিমাণৰ গাখীৰ পাব লাগে

সেই পৰিমাণ নোপোৱাৰ ফলত তাৰ অৰ্থনৈতিক অৱস্থা বেয়া হৈ আছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে আঠখন গাখীৰ যোগান আঁচনিৰ কাম আৰম্ভ হৈ আছে, আৰু তাৰ ভিতৰত কেইখন মান গাঁৱৰ আঁচনিত আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা চলি আছে, এই অৰ্থিক সাহায্য কি ধৰেণেৰে দিয়া হৈছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আৰ্থিক সাহায্যৰ কথা কোৱা নাই, গাওঁৰ পৰা কেনেকৈ গাখীৰ আনিব পৰা যায় আৰু তেওঁলোকৰ অৱস্থা ভাল হয় তাৰ কথাহে চিন্তা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নে কি যে দূৰৰ পৰা গাখীৰ আনিব লগা হোৱা কাৰণে গাখীৰ বেয়া হৈ যায় বুলি কৈছে কিন্তু মন্ত্ৰী মহোদয়, যোৰহাটলৈ যাওঁতে বিষয়া সকল আৰু এম, এল, এ, সকল গোট খাওঁতে যি পৰামৰ্শ দিয়া হৈছিল সেই পৰামৰ্শ গ্ৰহণ কৰি কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিলেনে নাই ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সেই পৰামৰ্শ বিলাক সকলোখিনি কাৰ্য্যকৰী কৰা নাই, কিন্তু কৰিবৰ বাবে লাহে লাহে ব্যৱস্থা হৈছে, এতিয়া যোৰহাটত এক হেজাৰ লিটাৰলৈ গাখীৰ দিয়া হৈ আছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ এটা অংশ থাকি গৈছে। মই সুধিছিলো যে পৰামৰ্শবিলাক কাৰ্য্যকৰী কৰাৰ কথা, তেখেতে কৈছে যে লাহে লাহে কৰা হৈ আছে—মই জানিব পাৰোনে কি যে এতিয়ালৈকে কেইটা পৰামৰ্শ কাৰ্য্যকৰী কৰা হৈছে ? আৰু বিৱৰণ ক্ষেত্ৰত দূৰ্নীতি হোৱাৰ কাৰণে কাৰ্ড চিষ্টেমৰ পৰামৰ্শ দিয়া হৈছিল—সেইটো কৰোতে কেই বছৰ লাগিব ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, কাৰ্ড চিষ্টেমৰ ব্যৱস্থা কৰিবৰ কাৰণে চেষ্টা কৰা হৈছিল, কিন্তু কি হৈছে এতিয়া কোৱা টান, দূৰ্নীতিৰ কোনো খবৰ আমি পোৱা নাই। যোৰহাটৰ ফ্ৰিজিং আৰু পেষ্টেৰাইজেচনৰ কাম

পি, ডবলিউ, ডিক দিয়া হৈছিল কিন্তু কৰিব পৰা নাই কাৰণ প্লেনৰ বন্দৱস্ত হোৱা নাই। এইটো হৈ গলে ৬ হেজাৰ লিটাৰলৈ বঢ়াৰ পৰা হ্ব।

শ্ৰীআটাউৰ ৰহমান—অধ্যক্ষ মহোদয়, ডিব্রুগড়ত গাখীৰ যোগান আঁচনি আছে নে নাই। যদি আছে তেন্তে তাৰ কৰ্মচাৰী সকলে চৰকাৰৰ বিভাগৰ পতা লোৱাৰ পৰিবৰ্ত্তে শইকীয়া ডিলাৰ্ৰ্চ বুলি এটা প্ৰাইভেট ডিলাৰৰ পৰা লৈ আছে—এই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—এইটো খবৰ মোৰ নাই। লাহোৱালত ফ্ৰিজিং কৰাৰ বন্দৱস্ত চলি আছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, এই গাখীৰ যোগান আঁচনি মূলতঃ চহৰ অঞ্চলত গাখীৰ যোগান ধৰিবৰ কাৰণেই কৰা হৈছে—কথাটো সঁচানে ? যদি সঁচা হয় তেন্তে গাওঁলোৱে কি অপৰাধ লগালে যে তেওঁলোকে এই গাখীৰ যোগান নাপাব ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, গাওঁবোৰে একো অপৰাধ কৰা নাই। বৰঞ্চ গাওঁবোৰত যিবোৰ গাখীৰ উৎপাদন হয় সেইবোৰ বেছি যাতে ভাল দাম পাব পাৰে তাৰহে ব্যৱস্থা কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—গাওঁ অঞ্চলত যিখিনি গাখীৰ উৎপাদন হয় সেই খিনিৰে গাওঁবোৰক নাটে আৰু মানুহৰ মাজত হাঁহাকাৰ লাগে সেই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, গোটেই অসমত যিমান গাখীৰ লাগে সিমান নাই।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, যোৰহাটত গাখীৰ যোগানত ব্যাঘাট জন্মোৱাৰ কাৰণটো দূৰৰ পৰা অনা হয় বুলি কৈছে—কোন কোন ঠাইৰ পৰা অনা হয় আৰু টাউনৰ ওচৰত গাখীৰ যোগানৰ ব্যৱস্থা কৰিব পৰা কিবা আঁচনি লোৱা হৈছে নে কি মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, প্ৰথমে বোকাখাটৰ পৰা আনিবৰ

বাবে ব্যৱস্থা কৰা হৈছিল। বোকাঘাটৰ পৰা আনতে গাখীৰবোৰ বেয়া হৈ যায়।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, টাউনৰ ওচৰত উৎপাদন আঁচনি কিবা লোৱা হৈছে নেকি ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, ইয়াৰ বাবে তুশৰ পৰা চাবিশ লিটাৰলৈ গাখীৰৰ প্ৰয়োজন হয়।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া—অধ্যক্ষ মহোদয়, গুৱাহাটীত গুৰা গাখীৰ মিহলি কৰি বিতৰণ কৰা কথাটো সঁচানে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, একেবাৰে সঁচা। যোৱাবাৰ এই, সদনত এটা প্ৰশ্ন উঠিছিল যে—গুৱাহাটীত গাখীৰ যোগান দিয়া নহয়—ল'ৰা-ছোৱালী বিলাকে কি খাব ?—উত্তৰত কোৱা হৈছিল যে মাকৰ গাখীৰ খাব। সেই অৱস্থাৰ এতিয়া সলনি হৈছে।

Starred Questions Nos. 304 and 305 were not put, the members being absent.

Re : Sponge Iron Complex

Shri Promode Chandra Gogoi asked :

*306. Will the Minister, Industries be pleased to state—

(a) Whether Government is aware of that the North Eastern Industial and Technical Consultancy Organisation Limited has prepared a technical feasibility and project report for a Sponge Iron Complex to be established in the North Eastern Region ?

(b) If so, whether Government is aware of the present position of the proposal ?

Shri Chatra Sing Teron ( Minister, Industries ) replied :

306 (a)—A summary of the pre investment feasibility report on the Sponge Iron Project has been submitted to Assam Industrial Development Corporation by NEITCO ( North Eastern Industrial and Technical Consultancy Organisation ) on the basis of a report prepared by MECON Ltd.

(b)—Prima facie the project is not likely to be economically viable.

Shri Promode Chandra Gogoi—Mr. Speaker Sir, what are the raw materials required for the complex ?

Shri Chatra Sing Teron ( Minister )—Sir, Iron Ore is required.

Shri Promode Chandra Gogoi—May I know from the Hon'ble Minister on what grounds the Govt. is coming to the conclusion that the project will not be viable ?

Shri Chatra Sing Teron ( Minister, Industries )—Sir, the detailed report is still under examination. Prima facie, as it appears from the preliminary report, the project is not viable mainly on the following grounds :

(1) The iron content of the iron ore basing on which the plant is proposed is not exploitable economically. Usually 60 p. c. iron content is required in iron ore, but here the iron content is only 42%.

(2) The project requires a heavy investment of Rs. 39 crores. Moreover, in view of the present market price of heavy melting grade scrap being Rs. 450/-

per tonne and that of the corresponding price of sponge iron being Rs. 264 per tonne, the economics. of the sponge iron plant is found to be unfavourable. As according to the project report the cost of production of sponge iron comes to about Rs. 798 per tonne. Therefore, its selling price will be much more than the market price prevailing at present in the country of heavy melting grade scrap.

Taking into consideration all these factors, it has been initially thought that probably the project is not likely to be economically viable.

Shri Promode Chandra Gogoi—May I know from the Hon. Minister whether there is any proposal to establish such complex in the North-Eastern region ?

Shri Chatra Sing Teron ( Minister, Industries )—In view of the very high investment involved in such a project, the matter was taken up with the N. E. C. to ascertain whether it would be in a position to sponsor such a project. But till now no decision on the matter has been taken by the N. E. C.

Shri Giasuddin Ahmed— Apart from these factors on consideration of which the project is considered not feasible, may I know whether demand for the finished products was also considered in this connection,

Shri Chatra Sing Teron ( Minister, Industries )—It is also an equally important factor which was duly taken into

consideration and it is found that the consumption capacity of the region does not commensurate with the production capacity of sponge iron recommended to be 2 lakhs tonnes per annum. Regarding the main consumer, the mini-steel plant, we have none at present although it is likely that one will be coming up shortly.

Shri Giasuddin Ahmed—It appears that the market position has not been ascertained – the demand may be more or less than the production capacity. Whether Government will make a survey as to the demand in the market ?

Shri Chatra Sing Teron ( Minister, Industries )—So far the demand is concerned, it has been thoroughly surveyed and it is on that basis that the demand is found to be rather on the lesser side.

Shri Premadhor Bora—Sir, the reply of the Minister seems to be contradictory. He has stated that the project is not ecconomically viable and then he again says that it is still under consideration. Which is true ? Whether Government is still not in a position to finalise the project ?

Shri Chatra Sing Teron ( Minister, Industries )—It is stated to be not economically viable, but effort is to probe deep into the matter until we are convinced that it is really not economically viable.

Shri Premadhor Bora—Whether Government is still not in

a position to finalise it ?

Shri Chatra Sing Teron ( Minister, Industries )—It has not yet been decided.

Shri Santiranjan Das Gupta—Which of the areas of the North-Eastern region have been investigated about the possibility of sponge content iron ore being available ?

Shri Chatra Sing Teron ( Minister, Industries )—Sir, iron ore have been located Chanderdinga. There the are deposit is said to be 9 million tonnes.

বি : পানী আৰু গাখীৰ যোগানৰ ব্যৱস্থা

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*৩০৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চহৰ আৰু নগৰবোৰত পানী আৰু গাখীৰ যোগানৰ কি ব্যৱস্থা হাতত লৈছে ?

(খ) ইতিমধ্যে গাখীৰ, পানী আৰু বিজুলী বাতি যোগান ধৰা পৌৰ সভাবোৰে চৰকাৰক দিবলগীয়া ৰাজহৰ টকা আদায় দিছেনে ?

(গ) যদি নাই, কোনখন পৌৰ সভাই কিমান টকা কিহৰ বাবে চৰকাৰক দিবলৈ বাকী আছে তাৰ হিচাব এটি সদনৰ মেজত ৰাখিবনে ?

শ্ৰীচৈয়দ আহমদ আলি ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩০৭। (ক)—অসমৰ চহৰ আৰু নগৰবোৰত চৰকাৰৰ জনস্বাস্থ্য বিভাগে পানীৰ কাৰণে আৰু পশুপালন বিভাগে গাখীৰ বিতৰণৰ ব্যৱস্থা হাতত লৈছে আৰু কিছু অঞ্চলত ইতিমধ্যে যোগান ব্যৱস্থা প্ৰচলন কৰা হৈছে।

(খ)—গাখীৰ, পানী আৰু বিজুলী বাতিৰ যোগানৰ কাৰণে পৌৰ সভাই চৰকাৰক কোনো ৰাজহ দিব নালাগে। গতিকে আদায়ৰ প্ৰশ্ন ইয়াত নুঠে।

(গ)—উপৰোক্ত (খ) ৰ মতে সেই প্ৰশ্ন নুঠে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—মন্ত্ৰী মহোদয়ে জনাইছে যে গাখীৰ, পানী, আৰু বিজুলী বাতি যোগানৰ কাৰণে পৌৰসভাই কৰ দিব নালাগে। কিন্তু বিজুলী যোগানৰ কাৰণে নিশ্চয় বিদ্যুৎবিভাগক টকা দিব লাগে। গতিকে এই টকা কিমান পৰি আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচৈয়দ আহমেদ আলী ( মন্ত্ৰী )—বিভিন্ন পৌৰসভাই বা নিগম বিলাকে বিভিন্ন বিভাগক ডাইৰেক্টলি কৰ দিয়ে। কিন্তু বিদ্যুৎ বিভাগে টকা দিবলৈ আছে সেই হিচাপ মোৰ হাতত নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—আমিও জানো সেই হিচাপ চৰকাৰৰ হাতত নাথাকে। কিন্তু এই কথা সঁচা নহয় নেকি যে বিভিন্ন পৌৰ সভা বিলাকে বিজুলী বিভাগক যি টকা দিবলৈ আছে সেই টকা দিব নোৱাৰা কাৰণে বিজুলী বিভাগৰ বহুত লোকচান ভৰি আছে। আৰু বিজুলী বিভাগৰ তৰফৰ পৰাও চৰকাৰক এই কথা সোঁৱৰাই দি থকা হৈছে আৰু চৰকাৰে একো ব্যৱস্থা নোলোৱা কথাটো সঁচানে ?

শ্ৰীচৈয়দ আহমদ আলী ( মন্ত্ৰী )—এই কথা সঁচা যে কিছুমান পৌৰসভাই তেওঁলোকৰ নিৰ্দ্ধাৰিত যি কৰ সেই কৰ বিদ্যুৎ বৰ্ডক দিব পৰা নাই। বিশেষকৈ গুৱাহাটী পৌৰনিগমে এতিয়াও বহুত টকা দিবলৈ আছে। আৰু সেয়ে বছৰে বছৰে অলপ অলপকৈ আদায় কৰি থকা হৈছে। চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে যে আদায়ৰ লৰধৰ নকৰে। নহলে হয়তো জনসাধাৰণে নিৰ্যাতন ভোগ কৰিব লগা হব পাৰে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—এই কথা সঁচা যে পৌৰ সভাবোৰে বিজুলী যোগান, পানী যোগান এই দুটা বিষয়ত বহুতো কৰ দিবলৈ আছে। গতিকে যদি কৰ আদায়ৰ ভাল ব্যৱস্থা নহয় তেনেহলে কৰ আদায় কৰাত কিছু পলম হব গতিকে পৌৰসভা বিলাকত কাৰ্য্যবাহী বিষয়া নিয়োগ কৰি হলেও কৰ আদায় দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীচৈয়দ আহমেদ আলি ( মন্ত্ৰী )—পৌৰ সভা বোৰে কৰ আদায় কৰিব নোৱাৰা কাৰণে বহুত টকা পৰি আছে। আৰু তেওঁলোকে যি বোৰ টকা ধাৰ

লৈছে সেই মাৰ্বিৰ পৰা নাই। গতিকে কৰ বিলাক আদায়ৰ কাৰণে চেষ্টা কৰি আছে।

শ্ৰীমাল চন্দ্ৰ পেগু—এতিয়ালৈকে চৰকাৰৰ ফালৰ পৰা পানী যোগানৰ কাৰণে কিমান টকা দিয়া আছে? বিশেষকৈ যোৰহাট পৌৰসভাত কিমান টকা দিয়া হৈছে আৰু সেই টকা খৰচ হৈছে নে নাই?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী)—এই আঁচনি বিলাক বহুৰাই আছে। সম্পূৰ্ণ টকা কিমান খৰচ হৈছে সেই খবৰ আনিব লাগিব।

শ্ৰীআতাউৰ ৰহমান—'খ' প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে বিজুলী বাতি যোগান, পানী যোগান আৰু গাখীৰ যোগানৰ কাৰণে পৌৰসভাই কিমান টকা দিবলৈ আছে খবৰ নাই। কিন্তু যি উদ্দেশ্যেৰে প্ৰশ্ন কৰা হৈছিল এইটো চৰকাৰৰ কৰ্ত্তব্য নহয় নেকি যে বিভিন্ন বিভাগৰ পৰা খবৰ কৰি আনি এই প্ৰশ্নৰ উত্তৰ দিব লাগিছিল?

মাননীয় অধ্যক্ষ—তেখেতে উত্তৰত কৈছেই যে চৰকাৰক ৰাজহ দিব নালাগে।

শ্ৰীলক্ষীকান্ত শইকীয়া— যি বিলাক নিগম আছে সেই বিলাক চৰকাৰৰ নহয়। নেকি আৰু বিজুলী বাতি ও চৰকাৰৰ বিভাগ নহয়নে?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী)—হয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—গুৱাহাটী পৌৰসভাই পানীযোগানৰ কাৰণে জনস্বাস্থ্য বিভাগ আৰু বিজুলী বাতি যোগানৰ কাৰণে বিদ্যুৎ বৰ্ডক বহুত টকা দিবলৈ আছে। এই টকা আদায় কৰি দিয়া চৰকাৰৰ কৰ্ত্তব্য নহয়নে?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী)—এই বিলাক টকা লোন হিচাপে দিয়া টকা। কিন্তু ৰাজহ আদায়ৰ কাৰণে চেষ্টা কৰি থকা হৈছে।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী—অধ্যক্ষ মহোদয়, কোন কোন চহৰত গাখীৰ যোগান ধৰা হৈছে?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী)—বৰ্ত্তমান গাখীৰৰ যোগান গুৱাহাটী, তেজপুৰ, যোৰহাট আৰু ডিব্ৰুগড়ত ধৰা হৈছে।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী—অধ্যক্ষ মহোদয়, বাকী চহৰ বিলাকত গাখীৰৰ

যোগান কেতিয়াৰ পৰা ধৰা হব ?

শ্ৰীচৈয়দ আহমেদ আলী ( মন্ত্ৰী )– অন্যান্য চহৰতো গাখীৰ যোগান ধৰাৰ কথা চৰকাৰ আৰু বিভাগে চিন্তা কৰি আছে ।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী—অধ্যক্ষ মহোদয়, বহুতো পৌৰ নিগমে টকা দিবলৈ বাকী আছে, চৰকাৰে পৌৰ শাসনৰ ওপৰত হস্তক্ষেপ কৰাৰ বাবেই এনে হৈছেনে ?

শ্ৰীচৈয়দ আহমেদ আলি ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, চৰকাৰে এইদৰে কৰা হলে টকা বাকী পৰি নাথাকে ।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী—আজি দেখা গৈছে যে, দিমান্দ আৰু ৰাইটৰ কথা লৈ বহুতো পৌৰ সভা ভাঙি দিয়া হৈছে ইয়াৰ দ্বাৰা হস্তক্ষেপ কৰা হোৱা নাইনে ?

শ্ৰীচৈয়দ আহমেদ আলি ( মন্ত্ৰী )—পৌৰ সভা হৈছে জন কল্যানৰ বাবে । যদি জনসাধাৰণৰ এই পৌৰসভাৰ ওপৰত আপত্তি থাকে তেনেহলে এই সভা ভাঙি দিয়াৰ ব্যৱস্থা লবই লাগিব ।

শ্ৰীঅতুল শইকীয়া—অধ্যক্ষ মহোদয়, পৌৰ সভাই ভিতৰুৱা অঞ্চলত বিদ্যুৎ বৰ্ডে বহুতো খুটা পুতিছে আৰু ইয়াৰ বাবে পৌৰ সভাই খাজনা বিচাৰিছে। আনহাতে বিজুলী বৰ্ড আৰু পৌৰ সভাৰ মাজত এইধৰণে বিবাদৰ সৃষ্টি হৈছে ।

শ্ৰীচৈয়দ আহমেদ আলি ( মন্ত্ৰী )—এনে ধৰণৰ বিবাদ যত আছে সেইবিলাক মিমাংসা কৰিবৰ বাবে যত্ন কৰা হৈছে ।

শ্ৰীগিয়াছুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, গাখীৰ, পানী আৰু বিজুলী এই বস্তু লগ লাগিল কেনেকৈ ? গাখীৰৰ লগত পানী মিহলোৱা ব্যৱস্থাত বিজুলীৰ পৰিবৰ্ত্তে আন্ধাৰহে ভাল হব ।

( হাঁহি, উত্তৰ নাই। )

বি: গোলাঘাট সমষ্টিৰ খেতিৰ পথাৰত পানী যোগান

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

* ৩০৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ গোলাঘাট সমষ্টিৰ অন্তৰ্ভুক্ত খেতিৰ পথাৰত পানী যোগানৰ কাৰণে কিবা তৎকালীন আঁচনি লোৱা হৈছে নেকি ?

(খ) যদি হৈছে, কি কি আঁচনি লোৱা হৈছে ?

(গ) এনে আঁচনিৰ কোনখনৰ পৰা কি উপকাৰত আহিব বুলি ধাৰণা কৰা হৈছে ?

(ঘ) এই পানী যোগান আঁচনিৰ পানী খেতিয়ক ৰাইজে কেতিয়া ব্যৱহাৰ কৰিব পাৰিব বুলি ধৰা হৈছে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩০৮। (ক)—কোনো তৎকালীন আঁচনি লোৱা হোৱা নাই।

(খ)—(ক) প্ৰশ্নোত্তৰৰ সন্দৰ্ভত প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—প্ৰশ্ন নুঠে।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, গোলাঘাট সমষ্টিত নৈ ভেটি, জান খান্দি, নানা জোখ মাখ কৰি আঁচনি কৰি মানুহৰ পৰা মাটি অধিগ্ৰহণ কৰি কাম চলাই আছে। এইবিলাক কাম অঁাচনিভুক্ত নহয় নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)—ইমাৰজেন্সিৰ সন্দৰ্ভত এইটো কৰা হৈছে। পাচ-বছৰীয়া পৰিকল্পনাৰ তৎকালীন আঁচনিৰ ভিতৰত এইবিলাকো পৰে।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, এতিয়া আমি তৎকালীন শব্দৰ অৰ্থ বিচাৰি অভিধান মেলিব লাগিব। তৎকালীন শব্দৰ অৰ্থ ইমাৰজেন্সি কেনেকৈ হব ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)—আমি তৎকালীনটো ইমাৰজেন্সি বুলি ধৰি লৈছো।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, তৎকালীন শব্দৰ অৰ্থ কেতিয়াও ইমাৰজেন্সি হব নোৱাৰে।

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)—আমি পঞ্চম পৰিকল্পনাত যিবিলাক আঁচনি লৈছো সেইবিলাক তৎকালীন বুলি ধৰি লৈছো।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, চৰকাৰ বা মন্ত্ৰীয়ে যদি প্ৰশ্নৰ উত্তৰ এৰাই যাব খোজে তেতিয়া হ'লে অধ্যক্ষ মহোদয়ে ইয়াৰ কিবা ব্যৱস্থা কৰিব লাগিব ।

মাননীয় অধ্যক্ষ—ইয়াৰ উত্তৰতো দিব।

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—মই গোলাঘাটত কি কি আঁচনি আছে সেইটো কব পাৰিম ।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, গোলাঘাটত কি কি আঁচনি লোৱা হৈছে তাৰ ফলাফল কি সেইটো আমি জানিবলৈ বিচাৰিছো।

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—আমাৰ ইয়াত তিনিৰকমৰ আঁচনি আছে । কৃষি বিভাগৰ আঁচনি তিনিটাৰ শিতানত ১৯৭৪ চনত ২ হাজাৰ ৫শ ৫০ টকা খৰচ কৰিছে । মাটিত পানী দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাত ১৩ লাখ টকা খৰচ কৰা হৈছে । কঠালগুৰি পদুমনি, সৰুপথাৰ আদিত এই আঁচনি লোৱা হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা—গোলাঘাট সমষ্টিত কি কি আঁচনি লোৱা হৈছে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—ইমেনুমুৰিয়া, ঘুৰবাপথাৰ, আৰু গাচামুৱা আদিত আঁচনি লোৱা হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ ভূগোলৰ জ্ঞান একেবাৰে নাই । তেওঁ কোন সমষ্টিত কি আঁচনি লৈছে এই সকলো কথা ভালকৈ চাই বিধান সভাৰ মজিয়াত উত্তৰ দিলেহে ৰাইজ উপকৃত হব । তেখেতে কোনো ইনফৰমেচন নোহোৱাকৈ ৰাইজক ভুল পথে পৰিচালিত কৰিছে । মোৰ প্ৰশ্নটো সুস্পষ্ট—গোলাঘাট সমষ্টিৰ অন্তৰ্ভুক্ত খেতিৰ পথাৰত পানী যোগানৰ কাৰণে কিবা তৎকালীন আঁচনি লোৱা হৈছে নেকি ? যদি হৈছে কি কি আঁচনি লোৱা হৈছে ? এনে আঁচনি কোন খনৰ পৰা কি উপকাৰত আহিব বুলি ধাৰণা হৈছে ? আৰু এই পানী যোগান আঁচনিৰ পানী খেতিয়ক ৰাইজে কেতিয়া ব্যৱহাৰ কৰিব বুলি ধৰা হৈছে ? যদি মন্ত্ৰী মহোদয়ে সমষ্টিৰ কোনো তাৎপৰ্য্য বুজা নাই তেনেহলে কেনেকৈ প্ৰশ্নটোৰ উত্তৰ দিব ? এই প্ৰশ্নটোত অতি কমেও পাচশ টকা খৰচ

কৰা হৈছে। এই টকা কিয় খৰচ কৰা হ'ল ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—পহুমনি সৰুপথাৰ অঞ্চলত সাতটা পইণ্টত আঁচনি লোৱা হৈছে। তাৰে চাৰিটা গোলাঘাটত পৰিছে।

মৌলানা আব্দুল জলিল চৌধুৰী—অধ্যক্ষ মহোদয়, কোন প্ৰশ্নকৰ্তা প্ৰশ্ন করলে কোন জবাবদাতা 'ৰব ৰব' বলেন ইহা কি বিধান সভার নিয়মাবলী বহির্ভূত নয় ?

অধ্যক্ষ – যখন এরকম বলা হয়েছিল, তখন আমার দৃষ্টি আকর্ষণ করলে পারতেন।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই প্ৰশ্নটোৰ উত্তৰ বিচাৰিলো।

Mr. Speaker – The only remedy is half an hour discussion under Rule 49.

শ্ৰীদেবেন বৰা—দৈয়াং অঞ্চলত যি জলসিঞ্চন আঁচনি লোৱা হৈছে সেই আঁচনি কোন সমষ্টিত পৰে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—এইটো মোৰ হাতত নাই। সমষ্টিগত ভাৱে প্ৰয়োজন হলে পিচত দিব পাৰিম।

অধ্যক্ষ—দৈয়াং কোন সমষ্টিত পৰে সেইটো নাজানে নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—সেইটো নাজানো।

শ্ৰীতুলাল খাউণ্ড—মন্ত্ৰী মহোদয়ৰ উত্তৰৰ দ্বাৰা ভুল পথে পৰিচালিত কৰা হৈছে। গতিকে আধা ঘণ্টা সময় আলোচনা কৰিলে সমস্যা সমাধান নহয়। গতিকে মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে তেখেতে নিৰ্দিষ্ট খবৰ গোটাই কেই দিন মানৰ ভিতৰতে এটা শুদ্ধ উত্তৰ সদনত দিব বুলি আশা কৰিব পাৰোনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—সমষ্টিগত হিচাবে বিচাৰিলে এইটো দিব পৰা যাব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, 'তৎকালীন' শব্দটোৰ অৰ্থ 'ইমাৰজেন্সি' বুলি বাৰে বাৰে মন্ত্ৰী মহোদয়ে কৈছে। প্ৰশ্নটোত স্পষ্ট ভাৱে গোলাঘাট সমষ্টিৰ কথাটো কোৱা হৈছে। গতিকে মন্ত্ৰী মহোদয়ে

চাইচিন্তি এইটোৰ উত্তৰটো দিব লাগে ।

শ্রীমহম্মদ ওমৰুদ্দিন (মন্ত্রী)—'তৎকালীন' শব্দটো 'ইমাৰজেন্সি'ৰ লগত ধৰি লৈছো । যদি গোটেইটো বিচাৰে তেতিয়া হ'লে দিব পৰা হব ।

শ্রীগিয়াছুদ্দিন আহমেদ—মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নটো বৰ গোলমলীয়া হৈছে । 'তৎকালীন' যিটো বিশেষণ ধৰি লোৱা হৈছে সেইটোৰ পৰিবর্ত্তে 'চর্ট টার্ম' বুলি ধৰি ললেই কথাটো ভাল নহবনে ?

মাননীয় অধ্যক্ষ—'ফৰ নাইন'ত এইটো আলোচনা হব ।

## Re : Categorisation of Community and Sub-community

Shri Mal Chandra Pegu asked :

* 309. Will the Minister, Welfare of Backward Classes be pleased to state—

(a) The criteria for categorisation of any community or Sub-community as other Backward Classes in Assam ?

(b) Whether the criteria for categorisation of any community sub-community are same with those of other State of India viz Maharastra, Tamilnadu, Andhra Pradesh, Kerala and Karnataka ?

Shri Uttam Chandra Brahma (Minister, Welfare of Backward Classes) replied :

309. (a)—Although the criteria for categorisation of any community or Sub-community as Other Backward Classes in Assam have not been finally decided, the State Government as per authorisation of Government of India, have taken social educational and economic backwardness of these communities as working criteria

to declare them as such.

(b)—As conditions differ from State to State Government of Assam follows its own working criteria mentioned above and not the criteria adopted by other States for such categorisation.

Shri Mal Chandra Pegu—Sir, may I know whether the Govt. of India has approved the list of communities that have been included in the list of backward classes in Assam ?

Shri Uttam Chandra Brahma (Minister)—No Sir. The State Govt. has drawn its own line of action for declaring some communities as other backward classes.

Shri Mal Chandra Pegu—Whether the Govt. think it necessary to set up on other backward Classes commission to go into the details as to categorisation of communities and sub-communities as other backward classes.

Shri Uttam Chandra Brahma (Minister)—No Sir.

শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, 'কাকা চাহেব কাকেল কাৰ কমিশ্যন'ৰ ৰিপৰ্টৰ ওপৰত ভিত্তি কৰিয়েই এইটো 'কেটেগাৰাইজেশ্যন' কৰা হৈছে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—সেই ৰিপৰ্টত অসমত ৪৪ টা 'কমিউনিটি' তৈয়াৰ কৰিছে। গোটেই ভাৰতবৰ্ষতে একেটা লাইনতে 'ড্ৰ-আপ' কৰিব নোৱাৰাৰ কাৰণেই ৰাজ্যিক চৰকাৰক নিজৰ কমিউনিটি বাচি উলিউৱাৰ কাৰণে দায়িত্ব দিয়া হৈছে।

শ্ৰীআতাউৰ ৰহমান—আমাৰ সমাজত কম বেছি পৰিমাণে বহুতো বিলাক সম্প্ৰদায় অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ হৈ আছে। আমাৰ যেতিয়া পিছপৰা লোক বিলাক নিৰ্দ্ধাৰণ কৰা হয় তেতিয়া সম্প্ৰদায় হিচাবে নলৈ আৰ্থিক আৰু শিক্ষাগত ভাৱে পিছপৰি থকা সকলক লৈছে

পিছপৰা সম্প্ৰদায় বুলি ঘোষণা কৰাৰ কথাটো চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—অসমত সেইটো বিশেষ ভাৱে শিক্ষা আৰু অৰ্থনৈতিক দিশত পিছপৰা বুলি বেছ কৰিহে কৰা হৈছে ।

Shri Mal Chandra Pegu—Whether the backward classes identified by the Kaka Kalelkar Commission have been included as backward classes in Assam ?

Shri Uttam Chandra Brahma ( Minister )—No Sir, not all the communities.

Shri Mal Chandra Pegu—May I know what are the communities which are termed as backward classes by Kaka Kalelkar Commission and which are left out from the list of the backward classes in Assam ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, কাকা চাহেব কাৰেলকাৰে অসমত এই কেইটা কমিউনিটিৰ নাম চাজেষ্ট কৰিছিল—

আহোম, বাদি, বৰিয়া, বাৰৈ, চাওদাং, চুটিয়া, দৈবজ্ঞ, দামাই, দৈভাগনা, দে, শূদ্ৰদাস, গেইন, গণক, ঘোষ, গোষ, গোৱলা, গোপ, গোখৌদো, গোৱলা, হলি কৈৱৰ্ত্ত, জলাহা, মমিন, কোৱাৰ, কামী, ( নেপালী ), কমাৰ, কৰ্মকাৰ, কান্দু, কছাই কোছ, কুমাৰ, কোপাধৰ, মুচীয়া, মণিপুৰী, মটক, মদক, মৰিয়া, মুঠি, নাপিত, নাথ, নিচাদ, চাহা, চালে, চাৰ্কি, সোনোৱাল, সুত, তান্তী, তাতিয়াজান, টি গাৰ্ডেন লেবাৰাৰছ, এক্স-টি গাৰ্ডেন লেবাৰাৰছ, তেলী, চিডিউল ট্ৰাইব । কিন্তু অসম চৰকাৰে এইকেইটা পিছপৰি আছে বুলি 'প্ৰভিজ্যনেলি' থিক কৰিছিল — আহোম, বৰিয়া, বাৰৈ, বাৰুই, বৰযোগী, চাওঁদাং চুটিয়া, দামাই ( নেপালী ), দে, শূদ্ৰ দাস, গাই-বি, ( নেপালী ), ঘোষ, গোপ, গোৱলা, কোচ, ৰাজবংশী, কুমাৰ, ৰুদ্ৰপাল, অব কাছাৰ, কুপাধাৰ, কুছিয়াৰী, ৰাৰ, মহিশ্ব, মহিশ্ব দাস, মণিপুৰী, মটক, মৰাণ, মুখি, নাপিত, নাথ, যোগী, চালৈ, চাৰ্কি ( নেপালী ), শিখ হৰিজন, সুত, তান্তী, তান্ত্ৰী, তান্ত্ৰীপাল, টি-গাৰ্ডেন লেবাৰাৰছ,

তেলী, (নেপালী) ইয়াৰ বাহিৰেও চাহবাগিছাৰ ২৯ টা সম্প্ৰদায়ক অলপতে পিছপৰা সম্প্ৰদায় বুলি ঘোষণা কৰা হৈছে।

Shri Mal Chandra Pegu—Sir, whether any survey regarding the economic backwardness, educational backwardness and social backwardness was made prior to categorisation of these communities as backward classes ? If so, whether there is any survey report ?

Shri Uttam Chandra Brahma (Minister)—No such special survey is being made.

Shri Mal Chandra Pegu—Then on what basis without making any survey the Govt. categorised these communities as backward classes leaving the other communities which are included as backward classes by Kaka Kalelkar ?

Shri Uttam Chandra Brahma (Minister)—The Commission recommended 44 communities but ultimately the Govt. considered these 28 communities as backward in respect of education, social condition and economic condition.

Shri Mal Chandra Pegu—My question is not properly answered. On what basis the Govt. prepared the list, there must be some basis ?

Shri Uttam Chandra Brahma (Minister)—Economic condition, social condition are the main criteria for selecting these communities.

Shri Mal Chandra Pegu—Who submitted the report to the Govt. and on whose recommendation these particular communities were included as backward classes

and the other communities recommended by Kaka Kalelkar were left out ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—মাজে সময়ে অ, বি, চি এডভাইছৰি কাউন্সিলে কোন কোন শ্ৰেণী পিছ পৰা বুলি বিবেচিত হব লাগে সেইটো 'ড্ৰআপ' কৰে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—মন্ত্ৰী মহোদয়ে জনাইছে যে অৰ্থ নৈতিক অৱস্থাৰ ওপৰত ভিত্তি কৰিহে অন্যান্য পিছপৰা সম্প্ৰদায় বোৰ নিৰ্ধাৰণ কৰা হৈছে তেনে-স্থলত মন্ত্ৰী মহোদয়ে জনাবনে যে অসমৰ ভিতৰতে দৰিদ্ৰ সীমা ৰেখাৰ বহু তলত থকা বিশেষ কৰি যি সকল কৃষি বনুৱা আছে সেই সকলক অন্যান্য পিছপৰা সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত কৰা হৈছে নে ? যদি হোৱা নাই কিয় হোৱা নাই। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো মানুহকে যি সকল দৰিদ্ৰ সীমা ৰেখাৰ বহু তলত পৰি আছে বিশেষকৈ কৃষি বনুৱা সকলক অন্যান্য পিছপৰা সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত কৰা হৈছে নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—জাতি ধৰ্ম হিচাবে বিচাৰ কৰা হোৱা নাই, এইটো বিচাৰ কৰা হৈছে চচিয়েল বেকওৱাৰ্ডনেচ, শিক্ষা আৰু অৰ্থ নৈতিক ভাবে যিবিলাক পিছপৰি থাকে সেইবিলাক বিষয়ত যিবিলাক সম্প্ৰদায় পিচপৰি আছে সেই ক্ষেত্ৰতহে বিচাৰ কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—এতিয়া যি কেইটা সম্প্ৰদায় পিছপৰা বুলি নিৰ্ধাৰণ কৰা হৈছে সেইমতে বাকীবোৰক কৰা হোৱা নাই গতিকে তেনে ক্ষেত্ৰত বাকী-বোৰ পিছপৰা নহয় নেকি ? যদি পিছপৰা হয়, তেওঁলোকক কিয় অন্তৰ্ভুৰ্ক্ত কৰা হোৱা নাই ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—কোনোবা সম্প্ৰদায় যদি তেনেকুৱা আছে তেওঁলোকক অন্তৰ্ভূক্ত কৰা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ—আজি যিহেতু অসমত দৰিদ্ৰ সীমা ৰেখাৰ তলত ৭০ ভাগতকৈ বেচি মানুহ পৰি আছে, সেই সকলক কোনো অন্যান্য সম্প্ৰদায়ৰ অন্তৰ্ভূৰ্ক্ত কৰা হৈছে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—ইয়াত চচিয়েল বেকওৱাৰ্ড-নেচৰ কথা আছে।

শ্ৰীপুষ্পধৰ চলিহা—মন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমত ২৮ টা সম্প্ৰদায় পিছপৰা

সম্প্ৰদায় হিচাবে ধৰা হৈছে, মই জানিব পাৰোনে তাৰ বাহিৰে আগবঢ়া সম্প্ৰদায় কেইটা আছে আৰু কোন কোন সম্প্ৰদায় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—লিষ্টখন এতিয়া নাই।

মৌলানা আব্দুল জলিল চৌধুরী – অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় এবং এই বিভাগের প্রাক্তন মন্ত্রী মহোদয় গণ যাঁরা ছিলেন তারা সকলেই একই কথা বলে আসছেন যে অনুন্নত শ্রেণীর উন্নতি করতে হবে। আজ মন্ত্রী মহোদয় বলছেন কমিশন ৪০ টি কমিউনিটির উন্নতির জন্য অনুমোদন দিয়েছেন আর তারমধ্যে আমাদের আসাম সরকার ১৮টি নির্বাচিত গোষ্ঠীকে সরকারী সাহার্য্য দিয়া আসিতেছেন। আজ পর্যন্ত এদের কি উন্নতি করা হয়েছে ? পূর্বে একদিন প্রশ্ন করার সময় বলা হয়েছিল যে শিক্ষার উন্নতি হয়েছে। আমার ২৬ বৎসরের অভিজ্ঞতা থেকে বলছি যে, কোন সম্প্রদায় হিসাবে বিবেচনা না করে কেবল যারা অর্থনৈতিক দিক দিয়ে অনুন্নত তাদেরে সাহার্য্য দেবার প্রস্তাব সরকার গ্রহণ করবেন কি ? একথা আমি গতানুগতিক ভাবে বলছিনা, সিরিয়াসলি বলছি।

অধ্যক্ষ—আপনি বক্তৃতা দেবেন না, প্রশ্ন করুন।

মৌলানা আব্দুল জলিল চৌধুরী—তাছাড়া চৌধুরী মন্ত্রী সভা কালীন অর্থ নৈতিক অনুন্নত শ্রেণীর উন্নতির জন্য যে প্রস্তাব নেওঁয়া হয়েছিল তা কার্যকরী কেন করা হয়নি ?

Shri Sarat Chandra Sinha (Chief Minister) – Mr. Speaker Sir, it seems there is certain confusion about the Backward Classes Commission. Sir, what the hon. member Maulana Saheb has said, he is perfectly right and the Government will be glad to do whatever is possible for the amelioration of poorer section of the people. Hon. member Shri Giasuddin Ahmed has that about 75 p. c. of the population are below the poverty line.

Sir, it is the endeavour of the Govt. to improve the lot of this poorer section of the people which constitute 75 p. c. of the total population and the economic programmes that have been taken up by the Govt. these are only for the amelioration of the poorer section of the people. But, Sir. this Backward Classes Commission was constituted under the provision of article 340 of the Constitution of India. And, this article says "The President may by order appoint a Commission consisting of such persons as he thinks fit to investigate the conditions of socially and educationally backward classes within the territory of India and the difficulties under which they labour and to make recommendations as to the steps that should be taken by the Union or any State to remove such difficulties and to improve their condition and as to the grants that should be made for the purpose by the Union or any State and the conditions subject to which such grants be made, and the order appointing such Commission shall define the procedure to be followed by the Commission."

Sir, Commission was constituted under this Article and accordingly they made certain recommendations and the Govt. have accepted those recommendations. The main criteria for including communities as other backward classes is the educational and social backwardness. Of course economic backwardness is also considered.

বি ঃ অসমীয়া টাইপ মেচিন

শ্ৰীপ্ৰেমধৰ বৰাই সুধিছে ঃ

* ৩১০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মাতৃ ভাষা সকলো পৰ্য্যায়ত প্ৰচলন কৰাৰ পৰিপ্ৰেক্ষিতত উন্নত ধৰণৰ অসমীয়া টাইপ মেচিন এটাৰ আৱশ্যকতাৰ কথা চৰকাৰে অনুভৱ কৰিছেনে ?

(খ) যদি ভাবিছে, নতুন টাইপ মেচিনৰ বাবে ইতিমধ্যে চাবিফলি কাৰবাৰ পৰা চৰকাৰে পাইছেনে ?

(গ) যদি পাইছে, চৰকাৰে তাৰ ওপৰত কিবা সিদ্ধান্ত লৈছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩১০। (ক)—হয় চৰকাৰে অনুভৱ কৰিছে।

(খ)—ৰাজ্যিক ভাষা প্ৰয়োগ শাখাই বিভিন্ন সংশ্লিষ্ট মহলৰ পৰা পোৱা পৰামৰ্শৰ ওপৰত ভিত্তি কৰি দুখনি চাবিফলি প্ৰস্তুত কৰিছে।

(গ)—ভাষা প্ৰয়োগ সমিতিৰ অনুমোদনৰ বাবে উক্ত চাবিফলি সমিতিৰ আগন্তুক বৈঠকত উপস্থাপন কৰিবলৈ ব্যৱস্থা কৰা হৈছে। সমিতিৰ অনুমোদনৰ পাচতহে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব।

শ্ৰীঅতুল শইকীয়া—এই টাইপ ৰাইটাৰ মেচিন কোন কোম্পানীলৈ পঠোৱা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—ৰেমিংটন কোম্পানীলৈ পঠোৱা হৈছে।

Starred Question No. 311 was not put, the member being absent.

বি ঃ যোৰহাট ৰাজ্যিক পৰিবহন কৰ্পোৰেচনৰ নতুন কাৰ্য্যালয়

শ্ৰীনগেন বৰুৱাই সুধিছে ঃ

* ৩১২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাট ৰাজ্যিক পৰিবহন কৰ্পোৰেচনৰ নতুন কাৰ্য্যালয়টোৰ কাম কৰিবলৈ কেতিয়া কোন ঠিকাদাৰক দিয়া হৈছিল ?

(খ) এই ঠিকাদাৰজনৰ নামত কিমান আগধন বয়-বস্তু বিভাগীয় পুজিৰ পৰা দিয়া হৈছিল ?

(গ —এওঁক কেতিয়া কামটো সম্পূৰ্ণ কৰিবলৈ কৰ্পোৰেচনে চুক্তি কৰিছিল আৰু চুক্তিমতে তেওঁ কাম সম্পূৰ্ণ কৰিব পাৰিলেনে ?

(ঘ) যদি পৰা নাই, বৰ্ত্তমান কাৰ্য্যালয়টোৰ কাম কোন অৱস্থাত আছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩১২। (ক) – অসম পৰিবহন নিগমৰ যোৰহাটৰ কাৰ্য্যালয়টো সাজিবলৈ M/S Structural Steel Fabricators নামৰ ঠিকাদাৰ কোম্পানী এটাক ১৯৭১ চনৰ ২৮ ডিচেম্বৰ তাৰিখে দিয়া হৈছিল।

(খ) – এই ঠিকাদাৰ কোম্পানীটোক তেওঁলোকে সেই কামত লগাবলৈ অনা ১২০৪৩০ মেট্ৰিক টন লোহাৰ জামিনৰ বিপৰীতে ২,০৪,৭৩১ টকা আগধন দিয়া হৈছিল।

(গ)—গৃহীত চুক্তিমতে উক্ত কামটো ইং ২৮-১২-৭১ তাৰিখৰ পৰা ১৮ মাহৰ সময় দিয়া হৈছিল। কিন্তু উক্ত চুকিমতে কামটো সম্পূৰ্ণ কৰিব পৰা নাই।

(ঘ) – বৰ্ত্তমান কাৰ্য্যালয়টোৰ কাম অসম্পূৰ্ণ অৱস্থাত আছে।

শ্ৰীনগেন বৰুৱা—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে এই ঠিকাদাৰ পাৰ্টি-টোৱে তেওঁলোকৰ কাম আধাতুখৰীয়া কৈ কিয় পেলাই থৈ যাবলগীয়া হ'ল ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী )—যিটো টকা তেওঁলোকে পাব লাগে সেইটো মাঠলি হিচাবে দিব লাগে। আৰু এডমিনিষ্টেটিভ বিল্ডিংৰ যিটো চাইট লৈছে সেইটো তেওঁলোকক চমজাই দিব লাগে আৰু চিমেণ্ট যোগান দিব লাগে। সেইবিলাক কথা জনাই তেওঁলোকৰ চিঠি আহিছে।

শ্ৰীনগেন বৰুৱা—এই ঠিকাদাৰ জনক ২ লাখ ৭০ হাজাৰ টকাৰ বয়-বস্তু কিনিবলৈ এডভান্স দিয়া হৈছে, এইবিলাক দিওতে বেংকৰ গেৰাণ্টি লোৱা হৈছিল নেকি ? আৰু এটা কথা ইতিমধ্যে এই বেংকৰ গেৰাণ্টি উঠাই

লোৱা হৈছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী)—বেংকৰ গেৰেণ্টৰ নালাগে।

শ্ৰীনগেন বৰুৱা—বেংকৰ গেৰেণ্টৰ আছিল নে নাই ? আৰু ইতিমধ্যে চিকি-উৰিটি উঠাই লোৱা হৈছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী)—আছিল. উঠাই লোৱা কথা নাই, বিনুয়েলহে হোৱা নাই।

শ্ৰীনগেন বৰুৱা—কাম কৰা সম্পৰ্কত বেংকৰ গেৰাণ্টি আছিল নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী)—বেংকৰ চিকিউৰিটি আছিল।

শ্ৰীনগেন বৰুৱা—গেৰাণ্টি উঠাই লৈছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী)—ৰিনিৱেল কৰিব লাগে।

শ্ৰীনগেন বৰুৱা—কৰপৰেচনৰ হুকুম নোহোৱাকৈ বেংকৰ পৰা গেৰাণ্টিটো উঠাই লৈছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী)—গেৰাণ্টি ৰিনিউ কৰিব লাগে। সেই কোম্পানীটোক ৰিনিউ কৰাৰ আগতে নটিচ দিয়া হৈছিল যে ৰিনিউ কৰিব লাগে। নটিচ পোৱাৰ পিচত ৰিনিউ নকৰিলে।

Shri Dulal Chandra Khound – While advancing such a huge amount of money to the contractor whether any stock assessment was made of the materials at site ?

Shri Indreswar Khound (Minister) – Yes, Sir. Recently an assessment was made.

Shri Dulal Chandra Khound – My question is whether at the time of paying the advance money to the contractor whether the stock of materials at the construction site was assessed and valued by the Corporation ?

Shri Indreswar Khound (Minister) – Yes Sir, assessment was made by a local officer.

Shri Dulal Chandra Khound – What was the value of the

materials at that time ?

Shri Indreswar Khound ( Minister )—The value was assessed at the rate of Rs. 1700/- per matric ton.

Shri Dulal Chandra Khound—Sir, the Minister has replied that the contractor has raised some objections, and has discontinued the work. May I know whether these conditions were in the contract agreement, and whether there was any penal provision in the contract agreement ?

Shri Indreswar Khound ( Minister )—The demands made by the contractor were not incorporated in the agreement according to which the additional expenditure, if any, for non-completion of the work in time will be realised from the contractor.

Shri Dulal Chandra Khound—Whether the penal provision was invoked ?

Shri Indreswar Khound (Minister)—No Sir.

Shri Giasuddin Ahmed—What were the terms and conditions which provided that the Department would be obliged to pay advance even before starting the work ?

Shri Indreswar Khound ( Minister )—The terms and conditions were many. Regarding advance payment, the terms were that the Corporation will pay monthly bill to the contractor after completion of work of that amount.

শ্ৰীপ্ৰেমধৰ বৰা—আঁচনি খনত কিমান টকা ধাৰ্য্য কৰা হৈছিল ? এতিয়া কিমান টকাৰ কাম হৈছে ? ২ লাখ ৭০ হাজাৰ টকা এডভান্স দিয়া অনুপাতে সেই পৰিমাণৰ কাম হৈছে নে নাই ? ১৮ মাহৰ মূৰত কামটো কৰি দিয়া কথা আছিল, এতিয়া কিমান দিনৰ মূৰত কামটো হব বুলি আশা কৰিছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী )—কামটো মুঠ ১৪ লাখ টকাৰ আছিল। এতিয়া তাৰে ৩ লাখ ২৮ হাজাৰ ৬৩ টকাৰ কাম হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা—এই সম্পৰ্কত কিবা কেচ আদি হৈ আছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী )—কণ্ট্ৰেক্ট কেন্সেল কৰা হৈছে।

শ্ৰীতুলাল খাউণ্ড–এই ঠিকা দিয়া কোম্পানীটোৰ মেনেজিং ডিৰেক্টৰ কোন ? সেই মানুহ জনক এতিয়া বিচাৰি নোপোৱা কথাটো সঁচানে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী )- সেই খবৰটো মোৰ হাতত নাই।

শ্ৰীতুলাল খাউণ্ড তেওঁ ক'ত আছে সেইটো সোধা নাই। মন্ত্ৰী মহোদয়ক সুধিছো যে নটিছ চাৰ্ভ কৰিবলৈ তেওঁক বিচাৰি নোপোৱা কথাটো সঁচানে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী )–সেইটো নহয়। তেওঁ কৰপৰেচনৰ অফিচলৈ আহিছে আৰু কথা বতৰা পাতিছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ–যিমান টকাৰ বস্তু যোগান ধৰা হৈছে সেইটোৰ শতকৰা কিমান টকা বস্তুৰ মূল্যত এডভান্স দিয়া হৈছে ?

অধ্যক্ষ–সেইটোৰ উত্তৰ দিছে।

## Re : Seed Farms

Shri Abdul Muqtadir Choudhury asked :

* 313. Will the Minister, Agriculture be pleased to state–

(a) The total number of Seed Farms in Assam and the total requirement of Seed ( paddy ) in Assam ?

(b) Whether it is a fact that the required quantiy of seeds are locally produced by these Seed Farms ?

Shri Mahammad Umaruddin (Minister, Agriculture) replied:

313. (a) – The total number of Seed Farms in the State are 56.

The total quantity of paddy seeds required by the farmers in the State is about 19000 qtls.

(b) – So far as paddy, is concerned, the requirement of these seeds are generally met from the produce of the farms except in case of certified seeds.

Shri Abdul Muqtadir Choudhury – What is the total quantity of seeds produced by these farms ?

Shri Mahammad Umaruddin ( Minister ) – About 6000 quintals of high yielding varieties of seeds are produced annually.

Shri Abdul Muqtadir Choudhury – Sir, in view of the great emphasis given by the Government on producing more food, will Government consider setting up one such seed farm in each subdivision ?

Shri Mahammad Umaruddin ( Minister ) – Sir, we have the seed farms distributed almost throughout the State. At the same time in order to meet the increased requirement of seeds, we are now taking up three more big seed farms each of 140 acres, and we expect to start them from the next year ?

Shri Giasuddin Ahmed – May I know, Sir, what measures

have been taken to ensure that the seeds distributed are of good quality ?

Shri Mahammad Umaruddin ( Minister )—Sir, these are done under expert supervision.

Shri Atul Saikia—Whether it is a fact that the seed farms have defaulted in paying minimum wages to its workers ?

Shri Mahammad Umaruddin ( Minister )—We have issued instructions to the farms to pay the minimum wage.

Shri Giasuddin Ahmed—What was the wage paid before the law came into force ?

Shri Mahammad Umaruddin ( Minister )—Before the law came into force, it was the ruling market rate.

শ্রীতুলাল খাউণ্ড—বস্তুত চিদ ফাৰ্মে আচলতে নিজে উৎপাদন নকৰে আৰু সময়ত বজাৰৰ পৰা কিনি সেই ফাৰ্মৰ উৎপাদিত বীজ বুলি বিক্ৰী কৰে, এইটো সঁচানে ?

Shri Mahammad Umaruddin ( Minister )—I have no such information.

Shri Badan Chandra Talukdar—Sir, is there any agency to certify the seeds ?

Shri Mahammad Umaruddin ( Minister )—Sir, we do not have any such agency. Sir, it is a very highly technical service and from the next year we propose to do it.

Shri Badan Chandra Talukdar - Whether it is obligatory under the Act to certify the seeds ?

Shri Mahammad Umaruddin (Minister)—Sir, when we sell certified seed it is obligatory.

## UNDISPOSED STARRED QUESTIONS

### Date 18-3-76

বিঃ ভূমি সংৰক্ষণৰ আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে—

*৩১৪। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনৰ বাৰ্ষিক যোজনাত ভূমি সংৰক্ষণৰ কি কি আঁচনি লোৱা হৈছে ?

(খ) এই আঁচনিবোৰ কাৰ্য্যকৰী কৰা হৈছেনে ?

(গ) এই আঁচনিবোৰত মুঠ কিমান টকা ধৰা হৈছিল আৰু কিমান টকা খৰচ হৈছে ?

(খ) মংগলদৈ মহকুমাত এই বিভাগৰ কি কি আঁচনি লোৱা হৈছে ?

ডাঃ লুটফুৰ ৰহমান (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩১৪। (ক)—অসমত ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনৰ বাৰ্ষিক যোজনাত ভূমি সংৰক্ষণৰ নিম্ন লিখিত প্ৰকাৰৰ আঁচনিসমূহ লোৱা হৈছে—

১। সমোন্নতি বান্ধ।

২। ভূমি আবাদিকৰণ।

৩। ঢাপ কটা।

৪। উল্টা খান্দা নিয়ন্ত্ৰণ।

৫। বনীকৰণ।

৬। নগদী শস্যৰ বিকাশ।

৭। উপনদী গড়াখহনীয়া প্ৰতিৰোধ।

৮। ঘাঁহনি সৃষ্টি।

৯। জলনিষ্কাষণৰ দ্বাৰা ভূমি আবাদি কৰণ।

১০। জল বিতৰণ।

১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনৰ লোৱা আঁচনি সমূহৰ বিতং তালিকা এখন সদনৰ মেজত ৰখা হৈছে (কেৱল ভৈয়াম অঞ্চলৰ মাত্র)।

(খ)—১৯৭৪-৭৫ ৰ বাৰ্ষিক যোজনাৰ আঁচনিবোৰ কাৰ্য্যকৰী কৰা হৈছে। ১৯৭৫-৭৬ চনৰ আঁচনিবোৰ কাৰ্য্যকাৰী কৰা হৈ আছে।

(গ)—এই আঁচনিবোৰৰ কাৰণে ১৯৭৪-৭৫ চনত ভৈয়াম অঞ্চলৰ বাবে ১০.২৬ লক্ষ টকা ধাৰ্য্য কৰা গৈছিল আৰু ১১.০৮ লক্ষ টকা খৰচ হৈছিল। (কৰ্ম্মচাৰীবৃন্দৰ বেতন আৰু উপৰি ব্যয় আদি বাদ দি)।

সেই একে বছৰতে ষষ্ঠ অনুচ্ছেদ অঞ্চলৰ বাবে ১১০.৫৯ লক্ষ টকা ধাৰ্য্য কৰা হৈছিল আৰু ১১৭.১৪ লক্ষ টকা খৰচ হৈছে (কৰ্ম্মচাৰীবৃন্দৰ বেতন আৰু উপৰি ব্যয় আদি বাদ দি)। এই খৰচৰ ভিতৰত ৯৮.৮০ লক্ষ অসম ৰোপন শস্য বিকাশ নিগমক দিয়া হৈছে আৰু বাকী খৰচ জিলা পৰিষদৰ জৰিয়তে কৰা হৈছিল।

১৯৮৫-৭৬ চনত এই আঁচনিবোৰৰ বাবে ভৈয়াম অঞ্চলত ২৫.৮২ লক্ষ টকা ধৰা হৈছে। ১৯৭৫ চনৰ ডিচেম্বৰ মাহলৈ ১১.৪০ লক্ষ টকা খৰচ হৈছে।

ষষ্ঠ অনুচ্ছেদৰ অঞ্চলৰ বাবে ১৯৭৫-৭৬ চনত ৮৯.৭৫ লক্ষ টকা ধাৰ্য্য কৰা হৈছে আৰু ৯.৬৮ লক্ষ টকা ১৯৭৫ চনৰ ডিচেম্বৰ মাহলৈ খৰচ কৰা হৈছে। ১৯৭৫-৭৬ চনৰ ধাৰ্য্য কৰা টকাৰ ভিতৰত ৫০ লক্ষ টকা অসম ৰোপন শস্য বিকাশ নিগমৰ বাবে আছে।

(ঘ)—মংগলদৈ মহকুমাত নিম্ন লিখিত প্ৰকাৰৰ আঁচনিসমূহ লোৱা হৈছে—

১। সমোন্নতি বান্ধ।

২। উপনদী গড়াখহনীয়া প্ৰতিৰোধ।

৩। জল বিতৰণ।

৪। বননীকৰণ।

৫। উল্টা খান্দা নিয়ন্ত্ৰণ।

১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনত লোৱা অঁাচনি সমূহৰ বিতং তালিকা ওপৰৰ 'ক' প্ৰশ্নৰ লগত দিয়া লিপ্তিত আছে ।

বি : ভূমি সংৰক্ষণৰ অঁাচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*৩১৫। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত ভূমি সংৰক্ষণৰ বাবে কি কি অঁাচনি হাতত লোৱা হৈছে ?

(খ) এই অঁাচনিবোৰ কি ধৰণে কাৰ্য্যকৰী কৰা হয় ?

(গ) ভূমি সংৰক্ষণ বিভাগত কাম কৰা কাৰিকৰী বিষয়া সকলৰ শিক্ষাগত অহৰ্তা কি কি ?

ডাঃ লুটফুৰ ৰহমান ( ভূমি সংৰক্ষণৰ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩১৫। (ক)—অসমত ভূমি সংৰক্ষণ বাবে নিম্ন লিখিত প্ৰকাৰৰ অঁাচনি সমূহ লোৱা হৈছে—

১। সমোন্নতি বান্ধ ।

২। ভূমি আবাদিকৰণ ।

৩। ঢাপ কটা ।

৪। উল্টা খান্দা নিয়ন্ত্ৰণ ।

৫। বননীকৰণ ।

৬। নগদী শস্যৰ বিকাশ ।

৭। উপনদী গড়াখহনীয়া প্ৰতিৰোধ ।

৮। ধাঁহনি সৃষ্টি ।

৯। জল নিষ্কাষণৰ দ্বাৰা ভূমি আবাদিকৰণ ।

১০। জল বিতৰণ ।

(খ)—এই অঁাচনিসমূহ প্ৰজেক্টবোৰৰ ওচৰত থকা ক্ষেত্ৰ কৰ্ম্মচাৰী সমূহৰ জৰিয়তে বিভাগীয় ভাবে অথবা য'ত সম্ভৱ ঠিকাদাৰৰ দ্বাৰা কাৰ্য্যকৰী কৰা হয়, কিন্তু সৰহ ভাগ প্ৰজেক্টৰ বাবে লগা গৃহ নিৰ্ম্মাণ কাৰ্য্য, উল্টাখান্দা

নিয়ন্ত্রণৰ ডেম ( Dam ) আদি আৰু গড়াখহনীয়া নিয়ন্ত্রণৰ স্পাৰ (Spur) আদি ঠিকাদাৰৰ জৰিয়তে কৰা হয়। ষষ্ঠ অনুচ্ছেদ অঞ্চলৰ অঁাচনিসমূহ জিলা পৰিষদৰ জৰিয়তে এই একে ধৰণেই কৰা হয়।

(গ)—(১) আমোলা বিষয়া সকলৰ শিক্ষাৰ অৰ্হতা অন্যান্য চৰকাৰী বিভাগৰ লৈতে একে।

(২) বিভিন্ন স্তৰৰ কাৰিকৰী বিষয়া সকলৰ শিক্ষাৰ অৰ্হতা তলত দিয়াৰ দৰে—

ৰাজপত্রিত বিষয়া—বন বিজ্ঞানৰ ডিগ্রী বা ডিপ্লোমা অথবা কৃষি বিজ্ঞানৰ ডিগ্রী, অভিযান্ত্রিক বিজ্ঞানত ডিগ্রী। এই অৰ্হতাৰ বাহিৰেও সকলোকে ভূমি সংৰক্ষণ বিজ্ঞানৰ বিশেষ প্রশিক্ষণ দিয়া হয়।

ডিপ্লোমা সংৰক্ষণ ৰেঞ্জাৰ—বন বিজ্ঞানৰ ৰেঞ্জাৰৰ ডিপ্লোমা অথবা অভাৰচিয়াৰ ডিপ্লোমা অথবা কৃষি বিজ্ঞানৰ ডিগ্রী। এই অৰ্হতাৰ বাহিৰেও ভূমি সংৰক্ষণ বিজ্ঞানৰ বিশেষ প্রশিক্ষণ দিয়া হয়।

অভাৰচিয়াৰৰ ডিপ্লোমা। এই অৰ্হতাৰ বাহিৰেও ভূমি সংৰক্ষণ বিজ্ঞানৰ বিশেষ প্রশিক্ষণ দিয়া হয়।

জ্যেষ্ঠ প্রদর্শক—পদোন্নতিৰ দ্বাৰা ভৰ্ত্তি কৰা হয়।

নিম্ন প্রদর্শক—মেট্রিক অথবা সেই খাপৰ শিক্ষাৰ অৰ্হতা। এই অৰ্হতাৰ বাহিৰেও বন বিজ্ঞান অথবা ভূমি সংৰক্ষণৰ বিশেষ প্রশিক্ষণ দিয়া হয়।

ক্ষেত্র কৰ্ম্মী—মেট্রিক পাচ নকৰা বিভাগীয় প্রশিক্ষণ প্রাপ্ত।

Re: Workers Participation in Management

Shri Promode Chandra Gogoi asked :

*316. Will the Minister, Labour be pleased to state—

(a)—The steps taken by the Government to implement the scheme of Workers participation in the management

as provided in the 20-point programme ?

(b) If so, how many industries have accepted and implemented the Scheme ?

Shri Gajen Tanti ( Minister, Labour ) replied :

316. (a)—On reeceipt of the Scheme from Government of India it was circulated to various Trade Unions and Industrial Managements seeking suggestions and comments how best the scheme can be implemented in this State—Views/suggestions/Comments received from various sources. On 21st February 1976 the State Apex Industrial Relation Council hold a meeting and it was decided to implement the scheme in industries where 500 or more workers employed. It has also been decided to extend the Scheme to those Industries where less than 500 workers are employed provided both the management and workers mutually agree.

(b)—The following industries have implemented the Scheme—

1. Silghat Co-operative Jute Mill.
2. Dergaon Co-operative Sagur Mill.
3. Namrup Fertilizer Plant.

The Scheme is already in operation in Assam State Road Transport Corporation, Gauhati.

বি ঃ মাদক দ্ৰব্য নিবাৰণৰ ব্যৱস্থা

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*৩১৭। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত মাদক দ্ৰব্য নিবাৰণ কৰিবলৈ কি কি ব্যৱস্থা হাতত লোৱা হৈছে ?

(খ) কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ১২ দফীয়া কাৰ্য্যসূচী অসমত কাৰ্য্যকৰী কৰিবলৈ কিবা আঁচনি লোৱা হৈছে নেকি ?

(গ) কামৰূপ আৰু দৰং জিলাৰ উত্তৰাঞ্চলত ভূটানৰ পৰা অহা মদৰ যে ব্যৱসায় চলি আছে তাক চৰকাৰে জানেনে ?

(ঘ) যদি জানে, তাক ৰোধ কৰিবলৈ কি কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ ( আবকাৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩১৭। (ক)—অসমত মাদক দ্ৰব্য নিবাৰণ কৰাৰ বাবে মাদক দ্ৰব্য নিবাৰণী আইন সংশোধন কৰি এখন ৰাজ্যিক পৰ্য্যায়ৰ বেচৰকাৰী State Prohibition Council গঠন কৰা হৈছে। এই Council ক মাদক দ্ৰব্য নিবাৰণীৰ আৱশ্যকীয় ব্যৱস্থা লোৱাৰ বাবে যথেষ্ট ক্ষমতা দিয়া হৈছে। উক্ত Prohibition Council ৰ অধীনত বেলেগ বেলেগ পৰ্য্যায়ত Mahkuma Prohibition Committee, Block Prohibition Committee, Gaon Panchayat Prohibition Committee, আদি পাতি সেই অনুষ্ঠান বিলাকৰ জৰিয়তে সভা-সমিতি আহ্বান কৰি ৰাইজক মাদক দ্ৰব্যৰ অপকাৰিতা বুজাই দিয়া হৈছে। নানান প্ৰচাৰ পত্ৰ, পুস্তিকা আদিও বিতৰণ কৰা হৈছে। এই সম্পৰ্কত চিনেমা আদিও চলিত বছৰৰ ১-১-৭৬ ৰ পৰা ৭-১-৭৬ লৈ প্ৰথম সপ্তাহ মাদক দ্ৰব্য নিবাৰণী সপ্তাহ হিচাপে পালন কৰা হৈছে। প্ৰত্যেক মাহৰ প্ৰথম দিনটোক সুৰা বৰ্জ্জন Dry Day দিন হিচাপে পালন কৰিবলৈ দিয়া হৈছে। অসম মাদক দ্ৰব্য নিবাৰণী আইনখনৰ কাৰ্য্যকৰী সাফল্যৰ বাবে কামৰূপ, গোৱালপাৰা আৰু নগাওঁ জিলাৰ আবকৰী বিষয়া আৰু কৰ্ম্মচাৰী সকলৰ কিছু সংখ্যক কৰ্ম্মচাৰী বিভাগীয় ৰাজহৰ কাৰণে ৰাখি বাকী সকলোকে উক্ত বেচৰকাৰী State Prohibition Councils ৰ অধীনত কাম কৰিবলৈ দিয়া হৈছে।

(খ)—এই বাৰদফীয়া কাৰ্য্যসূচী বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ)—কামৰূপ আৰু দৰং জিলাৰ উত্তৰাঞ্চলত ভূটানৰ পৰা অহা মদৰ ব্যৱসায় চলি থকাটো চৰকাৰে নজনা নহয়।

(ঘ) —এই চোবাং ব্যৱসায় বন্ধ কৰিবৰ কাৰণে দৰং জিলাৰ কোৰামোৰ আৰু বামুণ জুলিত আৰু কামৰূপ জিলাৰ তামুলপুৰত ( কুমাৰীকাটা ) তালাচী চকি বহুৱা হৈছে। তদুপৰি জিলা আৰু মহকুমাৰ কৰ্তৃপক্ষক আৰু ভূটান সীমাৰ দাঁতিয়ে কাষৰে থকা চাৰ্কোলবোৰৰ কৰ্ম্মচাৰী সকলোকে এই ক্ষেত্ৰত তৎপৰ হবলৈ আৰু চোকা দৃষ্টি ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 18th March, 1976

**Re : Venture L. P. Schools in Kokrajhar Subdivision**

Shri Mathius Tudu asked :

7. Will the Chief Minister be pleased to state—

(a) The number of venture L. P. Schools in Kokrajhar Sub-division ?

(b) Whether these venture Schools will be taken over by the Government ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

7. (a)—77.

(b)—This will be considered in due course.

Mr. Speaker—Now, question hour is over. Shri Nagen Barua .... .... ....

## Voting on Demands for Grants

* শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, সিদিনা মই প্ৰাইমাৰী শিক্ষাৰ সম্পৰ্কত কিছু কথা কৈছিলো। এই ক্ষেত্ৰত এইটো পৰিলক্ষিত হৈছে যে ইয়াৰ প্ৰসাৰতা বাঢ়িলেও গুণাগুণ সম্পৰ্কত এই স্কুল বিলাকৰ যি

অৱস্থা সেইটো বৰ দুখ লগা আৰু ইয়াৰ অৱস্থা অতিকৈ পিচপৰিয়ে আছে। ইয়াৰ উন্নয়নৰ কাৰণে এইক্ষেত্ৰত যিটো প্ৰশাসনীয় ব্যৱস্থা চলি আছে তাৰ পৰিবৰ্ত্তন সাধন হলে ইয়াৰ গুণাগুন ভাল হব বুলি মই ভাবো এই সম্পৰ্কত মই দুই এটা কথা কব বিচাৰিছো। এই স্কুল বিলাকৰ পৰিদৰ্শনৰ কাৰণে ধ-এচ-আই, এচ আই আৰু ডি-আই ৰ সংখ্যা বৃদ্ধি কৰিব লাগে। তাৰোপৰি এই স্কুল বিলাকৰ কাৰণে যি বিলাক টকা পইচা দিয়া হয় তাৰ হিচাব পত্ৰ পৰিদৰ্শন হব লাগে। তাৰোপৰি গুণসম্পন্ন আৰু অৰ্হতা সম্পন্ন শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। আজি প্ৰাইমাৰী স্কুল বিলাক চৰকাৰে চৰকাৰী কৰণ কৰিলে। এই ক্ষেত্ৰত শিক্ষক নিৰ্বাচনৰ যি প্ৰণালী চলি আছে সেই ক্ষেত্ৰত কিছু আসোৱাহ আছে। বিশেষকৈ চিলেকচন কমিটি যিটো আছে আৰু শিক্ষক নিৰ্বাচনৰ ক্ষেত্ৰত পলিটিচিয়ান আদি আতৰাই চৰকাৰী কৰ্ম্মচাৰীৰ দ্বাৰাই এই নিৰ্ব্বাচন কৰিলে ভাল হব। ইয়াৰ মাজতে প্ৰকৃত সমাজকৰ্ম্মী বা শিক্ষাবিদ আদিক সুমুৱাই লব লাগে কিন্তু এই ক্ষেত্ৰত পৰিলক্ষিত হৈছে যে সমাজ সেৱা বা ৰাজনীতিক লিপ্ত থকা মানুহকো কমিটিত সুমাই লোৱা হৈছে। এই কথাটো চৰকাৰে দ-কৈ ভাবি চাব লাগে। এই প্ৰসঙ্গতে মই আমাৰ গোলাঘাটৰ বাচনি কমিটিৰ এজন সদস্যৰ সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়লৈ এখন চিঠি লিখিছিলো কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই কি কৰিলে নকৰিলে মই নাজানিলো। তথাপি মোৰ বিশ্বাস মুখ্যমন্ত্ৰী ডাঙৰীয়াই অভিযোগ খিনি জানিব পাৰিছে এই ৰকমৰ বেমেজালি অকল গোলাঘাটৰ বোৰ্ডতেই নহয় অন্যান্য ঠাইতো বিদ্যামান। গতিকে এই ব্যৱস্থাৰ ঠাইত চৰকাৰে এটা নতুন পদ্ধতি লৈ এই সম্পৰ্কত থকা আসোয়াহ বিলাক দূৰ কৰিবলৈ মন কৰিব লাগে। এই ক্ষেত্ৰত চৰকাৰে পোনপটিয়াকৈ চৰকাৰী কৰ্ম্মচাৰীৰ দ্বাৰা শিক্ষকৰ চিলেকচন, নিয়োগ আৰু বদলি এই আটাই কেইটা চৰকাৰী কৰ্মচাৰীৰ দ্বাৰা কৰিব লাগে। সমাজসেৱা বা অন্যান্য কোৱালিফিকেচন থকা তথাকথিত লোকক

Speech not corrected.

কমিটিৰ পৰা বাতিল কৰিব লাগে। এই আৰ্হি মতে শিক্ষক নিৰ্ব্বাচনৰ ব্যৱস্থা যদি কৰা নহয় তেতিয়াহলে কিছুমান সম্প্ৰদায় বা গোষ্ঠী বাদ পৰি যাব। তাৰ পিছত মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত কোঠাৰি কমিচনৰ ব্যৱস্থামতে তিনি-বছৰৰ আগতে অসমত শিক্ষা ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হল। এই ওঠৰ-বছৰীয়া পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰাৰ পিছত যিটো ফলাফল পাইছো সেইটোও সন্তোষজনক নহয় কিয়নো বাৰবছৰীয়া পাঠ্যক্ৰমৰ সম্পৰ্কত স্কুল বিলাকে অন্যান্য সা সুবিধাৰ ক্ষেত্ৰত যেনেকৈ প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নিযুক্তি আৰু ছাত্ৰ ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষক নিযুক্তি আদি বিভিন্ন ধৰণৰ সা-সুবিধা বিলাক দিব পৰা নাই। বিজ্ঞান শাখা সম্পৰ্কত যি বিলাক সা-সুবিধা কেৰিকুলামৰ লগতে দৰকাৰ সেই বিলাকৰ অভাৱ গুৰুতৰ ভাবে পৰিলক্ষিত হৈছে। গতিকে শিক্ষকে শিক্ষাদান কৰা আৰু ছাত্ৰই শিক্ষা আহৰণ কৰা এই দুয়োটা ক্ষেত্ৰতে সঙ্গতি বিহীন হৈছে। বাৰ বছৰীয়া পাঠ্যক্ৰম কৰাৰ ক্ষেত্ৰত যেতিয়া ক্লাচ টেনত ল'ৰা ছোৱালীয়ে শিক্ষা শেষ কৰিলে তাৰ পিছত একাদশ আৰু দ্বাদশ শ্ৰেণীত সেই ল'ৰা-ছোৱালীৰ কাৰণে কি শিক্ষা ব্যৱস্থা কৰিব লাগে সেইটোও ব্যৱস্থা ঠিক কৰিব লাগে আৰু সেইমতে আহিলা পাতিৰ যোগান ধৰিব লাগে।

আজি মালটিপাৰপাচ আৰু হায়াৰ চেকেণ্ডাৰি স্কুলৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যা বাঢ়িছে কিন্তু সেই বৰ্ধিত সংখ্যাৰ লগত শিক্ষকৰ সংখ্যা বৃদ্ধি হোৱা নাই। ইয়াৰোপৰি এই স্কুলসমূহত যি বিলাক শিক্ষকে ঐচ্ছিক বিষয় শিকাই আছে সেই সকল শিক্ষকে আন আন শিক্ষকৰ নিচিনা সা-সুবিধা পোৱা নাই। আনকি সেই শিক্ষকসকলে আজি চৈধ্য পোন্ধৰ বছৰ চাকৰি কৰাৰ পিছতো কনফাৰ্ম হোৱা নাই আৰু আন আন সুবিধা বিলাকো যেনে জি-পি ফাণ্ড আদিৰ পৰাও বঞ্চিত হৈ আছে। গতিকে মই চৰ-কাৰক এই পৰামৰ্শ দিব খুজিছো যে অতি সোনকালে যেন এই আসোৱাহ বিলাক দূৰ কৰে।

তাৰ পিচত বাৰ বছৰীয়া পাঠ্যক্ৰম শেষ কৰি যিবিলাক ছাত্ৰ-ছাত্ৰী ওলাব সেই বিলাকক কি ভাৱে উচ্চ শিক্ষাৰ ব্যৱস্থা কৰা হব সেই

সম্পৰ্কত কোনো কেৰিকুলাম এতিয়ালৈকে চৰকাৰৰ ফালৰ পৰা দিয়া হোৱা নাই। ইয়াৰো এটা ব্যৱস্থা কৰা চৰকাৰৰ একান্ত কৰ্ত্তব্য। তাৰ পিচত আন এটা কথা যিবিলাক প্ৰি ডিগ্ৰী ক্লাচ লোৱা হৈছে সেইবিলাকৰ এফিলিয়েচন এতিয়ালৈকে ইউনিভাৰ্চিটিয়ে দিয়া নাই। কিন্তু আন হাতে যিবিলাক ডিগ্ৰী কলেজ হৈছে সেইবিলাকত এফিলিয়েচন দিছে। গতিকে প্ৰি ডিগ্ৰী ক্লাচৰ নন্‌ এফিলিয়েচন আৰু ডিগ্ৰী ক্লাচৰ এফিলিয়েচন এই দুয়োটাই এই কলেজ বিলাকত এটা বিসঙ্গতিৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত অতি সোনকালে প্ৰি ডিগ্ৰী ক্লাচ বিলাকৰ এফিলিয়েচনৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। তেতিয়াহলে প্ৰি ডিগ্ৰীৰ ছাত্ৰসকল উপকৃত হব আৰু খেলিমেলি বহুত পৰিমাণে দূৰ হব।

মাননীয় অধ্যক্ষ মহোদয়, আন এটা কথা হৈছে যে বছৰে বছৰে মেট্ৰিকুলেট আৰু এইচ-এচ-এল-চি পৰীক্ষাৰ পিচত দেখা যায় যে শতকৰা চল্লিশ বা বিয়াল্লিশ জন ছাত্ৰ ছাত্ৰীয়েহে পাচ কৰিব পাৰে। প্ৰতি বছৰেই দেখা গৈছে যে প্ৰায় লাখৰো ওপৰ পৰীক্ষাৰ্থীৰ ভিতৰত মাত্ৰ চল্লিশ বা বিয়াল্লিশ হাজাৰ ছাত্ৰ ছাত্ৰীয়েহে পাচ কৰিব পাৰে। পৰীক্ষা লোৱা বোৰ্ডৰ এই ক্ষেত্ৰত এটা ডাঙৰ সমস্যা হয় আৰু আমি জানো যে অংক বিষয়ত পোন্ধৰ মাৰ্ক পোৱা ছাত্ৰ ছাত্ৰীকো গ্ৰেচ পোন্ধৰ মাৰ্ক দি পাচ কৰাই দিবলগীয়া হয় আৰু ইংৰাজীত ত্ৰিশ নম্বৰৰ ভিতৰত পঞ্চাশ নম্বৰ পোৱা ছাত্ৰ ছাত্ৰীকো গ্ৰেচ মাৰ্ক দি পাচ কৰাই দিবলগীয়া হয়। ইয়াৰ পৰা বুজা যায় যে এইচ এচ-এল-চি পৰীক্ষাৰ মানদণ্ড কমি গৈছে। ল'ৰা ছোৱালী বিলাকৰ পাচ কৰাৰ অৰ্হতা বা বিষয়বস্তুৰ ওপৰত জ্ঞান কমি গৈছে। ইয়াৰ প্ৰমাণ হিচাবে আমি দেখা পাওঁ যে প্ৰতি বছৰে আৰম্ভণীতে যিমান খিনি ছাত্ৰ ছাত্ৰী ক্লাচ বিলাকত পোৱা হয় শেষৰ ক্লাচ বিলাকলৈ সেই সংখ্যা নাথাকেগৈ। গতিকে গুণগত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিবলৈ চাব লাগে।

অধ্যক্ষ মহোদয়, আজি ইমান দিনে আমি দেখি আহিছো যে ইন্স-পেক্টৰৰ সংখ্যা যদিও বৃদ্ধি কৰা হৈছে কিন্তু আচলতে স্কুলবিলাক ভালকৈ

পৰিদৰ্শন কৰা হোৱা নাই। আৰু তাৰ ফলত স্কুল বিলাকৰ যিবিলাক প্লেনিং আদি নানা ৰকমৰ আঁচনি লোৱা হয় সেই বিলাক প্ৰকৃততে কাৰ্য্য কৰী কৰাত জটিল হৈ পৰিছে। একোটা চাৰ্কোলৰ ভিতৰত একোজনকৈ ইন্সপেক্টৰ আৰু দুগৰাকীকৈ এচিচ্‌টেণ্ট ইন্সপেক্টৰ থাকে যদিও আচলতে তেওঁবিলাকে স্কুল সম্পৰ্কীয় গ্ৰেণ্ট আৰু ৰেকাৰিং আদি সম্পৰ্কীয় কথা বিলাক চাবলগীয়া হয় আৰু ফলত প্ৰত্যেকটো চাৰ্কোলতে থকা এশ-দেৰশ স্কুলৰ পৰিদৰ্শন ঠিক ভাৱে কৰাটো সম্ভৱপৰ নহয়গৈ। বহুত বিলাক স্কুলত মেনেজিং কমিটিৰ বহুত খেলিমেলি আছে। সেই বিলাক স্কুলতো ইন্সপেকচন হোৱা নাই। যদি প্ৰকৃত ভাৱে ইন্সপেকচন কৰা নহয় তেতিয়া হলে এই ইন্সপেক্টৰ সকলৰ চাৰ্ভিচ আমি ঠিক ভাৱে ব্যৱহাৰ কৰিব পৰা নাই। সেই কাৰণে মই ভাবো যে ইন্সপেক্টৰৰ দ্বাৰা তলৰ পৰা ওপৰলৈ ঠিকভাৱে ইন্সপেকচন কৰাৰ দিহা কৰিব লাগে আৰু প্ৰশাসনীয় কাম কাজ বিলাক ইন্সপেক্টৰৰ ওপৰত নাৰাখি কিছুমান বেলেগে বিষয়া নিযুক্তি দি সেই কাম তেওঁলোকৰ দ্বাৰাই সম্পন্ন কৰাব লাগে। মই ভাবো এই ব্যৱস্থা কৰিলে আমি সুফল পাব পাৰিম আৰু আমাৰ শিক্ষাৰ ক্ষেত্ৰত বহুত খিনি পৰিবৰ্ত্তন হব বুলি মোৰ ধাৰণা। ইয়াৰোপৰি বহুত স্কুল আজিকোপতি পোন্ধৰ যোল্ল বছৰ ধৰি ভেন্সাৰ বা এডহক হৈয়েই আছে। সেই বিলাক লোৱাৰ আশু ব্যৱস্থা কৰিব লাগে। চৰকাৰৰ ফালৰপৰা বাইজে যি ভেন্সাৰ হাতত লৈছে সেই ভেন্সাৰৰ প্ৰতি সহাৰি দি বাইজৰ বা দেশৰ স্বাৰ্থৰ কাৰণে যিটো প্ৰচেষ্টা চলাইছে সেইটো অৱশ্যে ইতি-মধ্যে যোৱা বছৰত এশ বত্ৰিশ খন ভেন্সাৰ স্কুল লৈছে আৰু এশ তেইশ খন নে কিমান আছে বুলি কৈছে এই কেইখনো সোনকলে লোৱাৰ সিদ্ধান্ত কৰিলে ভাল হয় বুলি মই ভাবো আৰু সোনকালে অন্ততঃ ডেফি-চিট চিচ্‌টেমলৈ আনিব লাগে। ইয়াৰ বাহিৰেও বহুত স্কুলক বিভাগৰ ফালৰ পৰা স্বীকৃতি দিয়া হৈছে কিন্তু কিছুমান অঞ্চলত এনেকুৱা স্কুলো আছে যে সেইবিলাকক স্বীকৃতি দিবলৈ বাকী আছে। মই ভাবো যিহেতু মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে শিক্ষা দপ্তৰৰ ভাৰ লৈ আছে এই সম্পৰ্কত চকু দিব আৰু গ্ৰাণ্ট বিলাক বিতৰণৰ ক্ষেত্ৰত চোকা নজৰ দিব। কিয়নো

স্কুল বিলাকত দিয়া গ্ৰাণ্টৰ পৰা যিটো কাম হয় সেইটো তেনেই নগণ্য। প্ৰাইমাৰী স্কুল বিলাকত তিনি হাজাৰ বা আঢ়ৈ হাজাৰ টকা দিয়া হৈছিল অৱশ্যে যোৱা ত্ৰিশ বছৰে কোনো মঞ্জুৰী আদি দিয়া হোৱা নাছিল। কিন্তু সেই স্কুল বিলাকত যদিও গ্ৰাণ্ট দিয়া হৈছে আচলতে ঠিক ভাৱে সেই গ্ৰাণ্টৰ টকা খৰচ কৰা হোৱা নাই। বহুত ক্ষেত্ৰত বহুত বেমেজালি পৰিলক্ষিত হৈছে। চৰকাৰী কৰ্ম্মচাৰী বা এচ-আই আৰু শিক্ষক সকলে মিলি তেনেকুৱা গ্ৰাণ্টৰ টকা আত্মসাত্ কৰি থৈছে কিন্তু তাৰ কাৰণে কোনো ব্যৱস্থা লব পৰা হোৱা নাই। মই যোৱা কালি ঘৰলৈ গৈছিলো আৰু মোৰ সমষ্টিৰ এখন স্কুলত মই নিজে টকা বিতৰণ কৰি দিছো মেট্চিং গ্ৰাণ্টৰ কাৰণে। কিন্তু সেই তিনি হাজাৰ টকাৰ ওপৰিও পঞ্চায়তৰ পৰাও এক হাজাৰ টকা দিয়া হল। সেই স্কুলৰ চেক্ৰেটাৰী জন এখন এম-ই স্কুলৰ শিক্ষক। তেওঁ টকা ড্ৰ কৰিলে কিন্তু বাহিৰৰ ফালৰ পৰা কাঠ আদি খুটা পৰ্য্যন্ত দিয়া হল যদিও ফাউণ্ডেচন লে কৰাৰ পিচতো সেই বিলাকৰ কোনো হিচাব আদি দাখিল কৰা নাই। তেওঁ নিজে চেক্ৰেটাৰী হৈ আছে। মিটিং পাতি তেওঁক চেক্ৰেটাৰী ভাঙিব খুজিলেও তেওঁ মিটিং নাপাতে। মই স্কুল খনৰ নাম কৈ দিলো। মোৰ সমষ্টিৰ পৰা ধৰা দুই নম্বৰ স্কুল। এতিয়া মেনেজিং কমিটিৰ চেক্ৰেটাৰী আন স্কুলৰ শিক্ষক আদি হব নোৱাৰে যদিও চেক্ৰেটাৰীয়ে মিটিং নপতাৰ কাৰণে তেওঁক ভাঙিবও পৰা নাই। সেই সম্পৰ্কত মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াইও সাতখন স্কুলৰ কথা কৈছিল। গতিকে মই এই বিলাক খেলিমেলিলৈ চোকা নজৰ দিয়াৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। চৰকাৰৰ ফালৰ পৰা এইবিলাক বিষয়লৈ নজৰ নিদিয়া কাৰণে বহুত টকা অথলে গৈছে গতিকে এই গোটেইবিলাক কথালৈ চৰকাৰে কড়া নজৰ দিব বুলি আশা কৰিলো। মই আৰু দীঘলীয়া নকৰো এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি কেইটামান কথা কব বিচাৰিছো। এই শিক্ষাৰ ক্ষেত্ৰত এতিয়ালৈকে যিবিলাক নীতি লোৱা হৈছে সেই ফালৰ পৰা চৰকাৰে মূল

উদ্দেশ্যৰ ফালে আগবঢ়িব পৰা নাই। আজিলৈকে শতকৰা হিচাবত আক্ষৰিক বা অক্ষৰ জনা লোকৰ সংখ্যা মাত্ৰ আঠাইশলৈহে উঠিছে। এক্সপানচন অব এডুকেচন ১৯৪৭ চনৰ পৰা আজিলৈকে শতকৰা এক পাৰ্চেণ্ট নহয় আধা পাৰ্চেণ্ট মান আৰু যদি হয় হাৰ্ডলি এক পাৰ্চেণ্ট হব। আমি সকুত্বে চকু থাকোতে কণা বুলি কৈছিলোঁ।

চৰকাৰে আমাক চকু থাকোতেই কণা কৰি ৰাখিছে। আমাৰ দেশৰ পৰিস্থিতিত ভালকৈ পৰ্য্যবেক্ষন কৰি চালেই সকলোৱে সহজে উপলব্ধি কৰিব যে আমাৰ সৰ্ব্বসাধাৰণক আজি চৰকাৰে এখন ডাৰ্ক কণ্টিনেণ্টতহে ৰাখিছে। আগতে আমি পাইছো যে ডাৰ্ক কণ্টিনেণ্ট বুলিলে অকল আফ্ৰিকাৰ মধ্য ভাগহে বুজাইছিল। কিন্তু এতিয়া দেখিছো যে যি খন দেশৰ শতকৰা ৭২ জনেই কোনো শিক্ষাৰ পোহৰ নাপায় সেই লোক সকল চকু থাকোতে কণা নহয়নে? গতিকে আমাৰ এইখন এখন ডাৰ্ক কণ্টিনেণ্ট বুলি কলে ভুল কোৱা নহব। বৰ্ত্তমানে চৰকাৰৰ মতে আমাৰ দেশৰ অন্ততঃ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বহুতো উন্নতি সাধন হৈছে। অথচ সিদিনাৰ এটা অতাৰাংকিত প্ৰশ্নৰ উত্তৰত দেখিছো যে অকল আমাৰ কোকৰাঝাৰতে ৭৭ খন ভেঞ্চাৰ প্ৰাইমেৰী স্কুল আছে অথচ এই স্কুল বিলাক এতিয়াও চৰকাৰৰ কোনোৰকমৰ সাহায্যৰ পৰা বঞ্চিত হৈ আছে। বহু স্কুলত শিক্ষকৰে অভাৱ। যি দুই এখনত শিক্ষক আছে তাতো শিক্ষকে দৰমহা পোৱা নাই। এতিয়া যিখন গাওঁলৈ কোনো মানুহেই নাযায়, তেনে ঠাইৰ এখন স্কুলত এজন মেট্ৰিক পাছ শিক্ষকে কাম চলাই আছে অথচ সেই শিক্ষক জনকো এতিয়ালৈকে দৰমহা দিব পৰা নাই। এই শিক্ষাৰ পোহৰ নোপোৱা গাওঁ বিলাকত যদি এইধৰণেই শিক্ষা বিষয়ত উৎকৰ্ষসাধন কৰা বুলি কয় তেন্তে এইখন দেশক ডাৰ্ক কণ্টিনেণ্ট বুলিব নোৱাৰিনে? আজি যদি ধৰা হয় যে আমাৰ ২ হাজাৰ প্ৰাইমেৰী স্কুল আছে আৰু তাৰ একোখন স্কুলত যদি অন্ততঃ ৪০ জন কৈ ল'ৰাছোৱালী থাকে তেন্তে প্ৰায় ৮০ হাজাৰ ল'ৰাই শিক্ষাৰ পোহৰ নোপোৱাকৈ থকা নাইনে? এই স্কুল বিলাক ৰাইজে প্ৰতিষ্ঠা কৰাৰ পিছত ৰাইজ তথা সংশ্লিষ্ট বিধান সভাৰ সদস্য সকলেও বহু আবেদন নিবেদন কৰা স্বত্বেও

আজিলৈকে সেই স্কুল বিলাক লব পৰা নাই। আজি কোৱা হৈছে যে চৰকাৰে ৪৬ কোটি টকা এই শিক্ষা বিষয়ত খৰচ কৰিছে। এনেস্থলত মই যিখন হুবহু প্ৰতিচ্ছৱি ডাঙি ধৰিছো সেইটোৱেই যদি পৰিস্থিতি হয় তেন্তে চৰকাৰে যেতিয়া কয় যে দেশখনক শিক্ষা বিষয়ত প্ৰগতিৰ পথত আগবঢ়াইছে মই কম সেইটো প্ৰকৃততে সঁচা নহয়। শিক্ষা বিষয়ত প্ৰগতি পথত আগবাঢ়িছে বুলি কোৱাস্বত্বেও যদি এই দেশৰে এজন নাগৰিকে প্ৰাইমেৰী স্কুলৰ প্ৰাথমিক শিক্ষাৰো সুবিধা নাপায় ইয়াতকৈ দুখৰ কথা আছেনে? যি দুহেজাৰ ভেঞ্চাৰ স্কুলৰ কথা মই উল্লেখ কৰিলো সেই স্কুল খিনি লোৱাৰ কাৰণে এম এল এ এম, পি আদি বহুতৰ তৰফৰ পৰাই চৰকাৰক আবেদন নিবেদন কৰা হৈছে আজিও মই চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰিছো যে এই দুহেজাৰ স্কুল এইবছৰৰ ভিতৰতে লব লাগে। তাৰ কাৰণে যিমান টকাই খৰচ নহওক লাগে স্কুলৰ ল'ৰাছোৱালী বিলাকক কণা কৰি নৰখাৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো। আমি সকলো সময়তে শিক্ষাৰ উন্নয়নৰ কথা কওঁ কিন্তু শিক্ষা দিয়াৰ দয়িত্ব চৰকাৰৰ। তেনেস্থলত স্কুল বিলাক লোৱাৰ কাৰণে বা ভেঞ্চাৰ স্কুল বিলাকৰ সাহায্যৰ কাৰণে ৰাইজৰ ফালৰ পৰা আবেদন নিবেদনেই বা আহিব লাগে কিয়? স্কুল এচ আইকে কৰি যি বিলাক চৰকাৰী বিষয়া আছে তেওঁলোকে শিক্ষাৰ পোহৰ নপৰা ঠাই বিলাক ঠিকমতে পৰিদৰ্শন কৰি যি ঠাইত স্কুল নাই সেই বিলাক ঠাইত স্কুল প্ৰতিষ্ঠা কৰিব লাগে বুলি মই ভাবো। গতিকে এনে দৃষ্টিভঙ্গীৰে চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব বুলি মই আশা কৰো। টকাৰ ব্যয় বহুতো বাঢ়িছে কিন্তু ব্যয় বঢ়া সত্বেও যেতিয়া দেশখনত এনেধৰনে শিক্ষাৰ উৎকৰ্য সাধন হৈছে তাৰ পৰা টকাৰ অপব্যয় হোৱা বুলি ভৱাৰ স্থল আছে। গতিকে যেতিয়া টকাৰ অপব্যয় হৈছে তেতিয়া চৰকাৰ এই বিষয়ত আৰু বেছি তৎপৰ হোৱাৰ আৱশ্যক। অৱশ্যে ৰাজনৈতিক দৃষ্টিভঙ্গীত টকা দিয়া হয় তেন্তে টকা সেই মতে দিয়া বুলি আমি ধৰি লম। আমি ইতিপূৰ্বে যি খিনি উপলব্ধি কৰিছো সেই মতে মন্ত্ৰী সকলৰ সমষ্টি বিলাকত বেচি টকা দিয়া হৈছে। আৰু সেই টকা বিলাকো বহু স্কুলতে ঠিকমতে খৰচ কৰা হোৱা

নাই । কিছুমা স্কুলৰ কাৰণে বহুতো অপব্যয় হৈছে কিছুমান স্কুলত কামেই হোৱাই নাই অথচ কমপ্লিচন ৰিপোৰ্ট দি ৫ হাজাৰৰ ঠাইত ১০ হাজাৰৰ বিল কৰি দূৰ্নীতি কৰা কথাও বিৰল নহয় । এতিয়াও বহুত স্কুলত চেনিটেৰী লেট্ৰিন আদিৰ ব্যৱস্থা নাহোৱাকৈ পৰি আছে গতিকে সেই স্কুল বিলাকত যাতে সকলো ব্যৱস্থা হয় তাৰ কাৰণে চৰকাৰে চকু ৰাখিব লাগে । চৰকাৰে কিছুমান প্ৰি প্ৰাই-মেৰী স্কুল প্ৰতিষ্ঠা কৰাৰ আঁচনি লৈছে । যদি ধৰা হয় যে বৰ্ত্তমানে একোটা সমষ্টিত কিছুমানে ৫ টাকৈ পাইছে আৰু কোনো কোনো ঠাইত মাত্ৰ এটাহে পাইছে গতিকে এইবিলাকত বহুতো বৈষম্যতা আছে । যত ১৯ হাজাৰ প্ৰাইমেৰী স্কুল আছে সেই বিলাক ঠাইৰ কাৰণে এটাহে প্ৰি প্ৰাইমেৰী স্কুল প্ৰতিষ্ঠা কৰে ই কেতিয়াও পৰ্য্যাপ্ত হব নোৱাৰে । গতিকে এনে ধৰণৰ আঁচনি এটা আগতে ভাবি চিন্তি আৰম্ভ কৰা দৰ্কাৰ আছিল । গতিকে এই বিষয়েও আমি এইটো অপৰিকল্পিত ব্যৱস্থা বুলিহে ধৰি লম । মাজতে মাদাৰ টিচাৰ কিছুমান স্কুলত নিয়োগ কৰিলে আৰু কিছুমান স্কুলে আজিলৈকে পোৱা নাই । আৰু যিবিলাক মাদাৰ টিচাৰ নিয়োগ কৰিলে সেই বিলাকে আজিও ২৫ টকাকৈহে পায় । আজিৰ দিনত ২৫ টকাৰে বাৰু কোনোবা চলিব পাৰেনে ? যিহঁওক প্ৰি-প্ৰাইমেৰী সকলো ঠাইতে পৰ্য্যাপ্ত পৰিমাণে প্ৰতিষ্ঠা কৰিব লাগে । আৰু এই ব্যৱস্থাটো সম্পূৰ্ণ কৰিব নোৱাৰিলে ইমান সোনকালে তেনে আঁচনি লোৱাৰ কোনো প্ৰয়োজন নাছিল । বৰ্ত্তমানে এটা বৈষম্যমূলক ব্যৱস্থাই এতিয়ালৈকে চলি আছে । আজি যি ৰাজ্যত শতকৰা ৭২ জন মানুহৰে শিক্ষা দীক্ষা নাই তেনেস্থলত চৰকাৰে যদি অন্ততঃ নিম্ন খাপৰ এই প্ৰাই-মেৰী শিক্ষাৰ ক্ষেত্ৰতেই ভাল ব্যৱস্থা কৰিব নোৱাৰে তেতিয়াহলে শিক্ষা বিষয়ে আমাৰ উন্নতিসাধন হোৱা বুলি কোৱাতো নিষ্প্ৰয়োজন । আমাৰ মুখ্য মন্ত্ৰীয়ে কোৱা মোৰ মনত পৰে যে আমি এই বিষয়ে নীতিগত ভাৱে কাম কৰি আছোঁ । এই ক্ষেত্ৰত মই এটা উদাহৰণেৰে সৈতে কথাটো অলপ বুজায় দিওঁ । আমাৰ পিনে এটা প্ৰথা আছে । গাওঁ বিলাকত ধুমচিয়া পূজা কৰে । এই পূজাত ৪-৫ কেজি চিৰা-দৈ, গুৰ, মিঠৈ আদি দিয়ে । পূজাত গৃহস্থই ধূপ কাঠি জ্বলাই ভক্তিৰ

ভাব দেখুৱায়। পূজাৰ অন্তত ল'ৰা বিলাকে চাৰিওপিনে বহি খায়। বলী ল'ৰা বিলাকে খাই শেষ কৰে আৰু দুৰ্ব্বল বিলাকে খাবলৈ নাপায়। শেষত গৃহস্থই ঘৰৰ পৰা অলপ চিৰা দৈ আনি দুৰ্ব্বল বিলাকক ভগাই দিয়ে। এই দৰে কৰাৰ পিচত দেখা গ'ল বলী বিলাকেও এমুঠি পাল আৰু দুৰ্ব্বল বিলাকেও এমুঠি পালে। গতিকে সম বিতৰণ হ'ল। আমাৰ গাওঁ বিলাকত এই ধৰণৰ দেৱতাৰ পূজা চলি আছে। পূজা বিলাকতো সকলোকে সমানে বিতৰণ কৰা পদ্ধতি আছে। গতিকে মই আশা ৰাখিছো আমাৰ পিচপৰি থকা অঞ্চল বিলাকেও কিছু পাব। যি বিলাক অঞ্চলে একো পোৱা নাই সেই বিলাকেও পাব। আমি প্ৰগতিৰ কথাটো বিশ্বাস কৰো। যুগৰ পৰিবৰ্তন আহিছে ! কিন্তু এই পৰিবৰ্তন তললৈ গৈ পোৱা নাই। কাগজে কলমে এই বিলাক পাইছো। এই বিলাক চাৰিওপিনে হোৱা নাই। অৰ্থাৎ দিপ ৰোটেড হোৱা নাই। মন্ত্ৰী মহোদয়ে নিজে গৈ গাওঁ লেভেলত খবৰ লব পাৰে। আজি জনসাধাৰণে উপলব্ধি কৰিছে। ৰাজনৈতিক দলৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ নকৰি বা এটা গ্ৰুপৰ কথাৰ ওপৰত নিৰ্ভৰ নকৰি নিজে চাই আহিব লাগে ক'ত কি হৈছে। শিক্ষা ক্ষেত্ৰত নতুন দৃষ্টিভঙ্গি আনিব বুলি আশা ৰাখি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলো।

Smti. Pranita Talukdar—Mr. Deputy Speaker, Sir, in support of the demand I rise to place a few observations. Mr. Deputy Speaker, Sir, we know that education is to serve the needs of our society, so, the pattern of education must have a link with the social needs and order. Sir, since independence we have seen so many developments in the field of education and we know that during the Five Year Plan periods our Government has been trying a lot for the improvement of the quality of education for raising the standards of

education, for improving the methods of instructions. Since independence Sir, we have seen that there is rapid expansion of educational institutions from Primary to the College and also we have seen that since independence there is rapid expansion of enrollment at all levels of education; but we are still lagging behind. The increased number of high schools and colleges of our State are increasing the number of young graduates; they become unemployed, and so, we have to face now the problem of unemployment. For this we have to give more importance in technical and vocational education. Of course, our Government have given priority on technical and vocational education in our State. In a democracy we cannot avoid the quantitative expansion of education. It is essential and helpful for democracy. For training up good citizens and useful citizens of the State we are to give priority on the qualitative improvement of education because we are to give priority on the qualitative improvement of education because we know, Sir, that the future of a nation mainly depends on quality of the younger generation and the quality of the young people mainly depends on the quality of the teaching by the teachers. So, it is a great responsibility of our State Government to educate our children from the very early stage to the higher stage in accordance with the needs and requirements of the society. Sir, the new pattern of education, as some Hon'ble Members have also mentioned

10+2+3 is a national policy of education; It is very helpful to train the leaders or leadership training, the 10 years for general education, the 2 years for vocational guidance and 3 years for University or 3 years degree course and this is mainly due to have a uniform standard of education in all the States of our country and I think if the syllabus is to be improved in accordance with the policy surely this present system of education will be helpful in toning up democracy. But we have seen that many of our Hon'ble Members have also mentioned that our syllabus is defective. For these defects we are to give the courses which are not useful to our children; so I suggest that a Committee should be set up to review the whole syllabus from the very elementary stage to the University stage.

Mr. Deputy Speaker. Sir, we are glad that our Government have given more importance in the pre-primaty education for the children of 3 to 5 years of age and we are glad to know that during the period 1976-1977 it is proposed that the existing pre-primary teachers Training Centres be provincialised at Dibrugarh and one more centre will be established at Mirza and I suggest that for the training of the pre-primary school teachers, more centres for training should be established throughout the State.

Mr. Deputy Speaker, Sir, regarding the Primary Education I am to say that though there is a directive

in our Constitution for giving free compulory primary education to our children of the age group 6-14 years, it has not been successful yet. It is due to the fact that the economic condition of our people of the State is not satisfactory, particularly in the village areas the economic condition of the parents are very bad; so they are not interested in sending children to the Primary Schools. Another aspect is—

It is due to the fact that the economic condition of the people of our State is not satisfactory, particularly in the village areas. the economic condition of our parents are very bad and as a result they are interested to send their children to the Primary Schools. Another aspect I mean the 2nd one is the irregular administration policy and the 3rd one is the inefficient teaching method and the 4th one is the lack of interest of the parents. If their childrens are sent to the schools, they drop very early. So our Govt. should give priority to spread education amongst the children of the backward areas. And the adult illiteracy campaign and the social education programme must be taken up in full swing in the backward areas. Mr. Deputy Speaker, Sir, that our Govt. has given importance to some new process in education in M. E. and High Schools, the importance on work experience training which will really help people to get the practical training. What we have seen to-day that in all our High Schools, the mathematics and science are compulsory but in the

case of Girls' Schools, I had to say that there should be options of the subjects like domestic science, hygiene, moral science, nursing, craftsman training, because in the girls' schools there is dirth of Lady B. Sc. teachers, so there should be some options of the different subject as I mentioned. Another important aspect is that whatever our Govt. is trying to make the best of the education, is not possible until there is good guidance and inspection from our Officers of the Education deptt. So, frequent inspection be made to the Schools from the very pre-primary to the High Schools for the good guidance to the teachers.

Again Sir, success of education mainly depends on the management and administration of the Schools but what we have seen to-day that for a very small matter our higher authority interferes with the workes of the Managing Committee. The Managing Committee and the Governing Body is to help the institutions in running the works and the affairs of the Schools and Colleges in a smooth manner. But we see there is always interference, I may cite one example that Barnagar Girls High School, Sorbhog in my Constituency one teacher named Smti. Bina Talukdar was dropped at the least by the Inspector after making the Schools into deficit system and this Bina Talukdar approached the higher authority that she should be continued in the School and the Managing Committee of the School also absorbed her at the vacant post of an Asstt. tea-

cher named Shri H. R. Patgiri who took leave for one year from 17th Jan. '75 to 18th Jan '76 for joining at the post of S. I. of Schools. But before expiry of the leave of Shri H. P. Patgiri, he informed the Secretary of the Bornagar High School that he would join on the 19th January. Then the Secretary of the Schools informed Mrs. Bina Talukdar of her termination from the service. Suddenly this Bina Talukdar approached the higher authority without coming through proper channel, to our utter surprise that with the direction of the higher authority, in the last part of January, an order was issued that she should be continued in her service. Not only that the Adl. D. P. I was asked by the higher authority to make an enquiry into the schools affairs. The Adl. D. P. I. went to Sorbhog on 4th February. He did not go to the school but in the P. W. D. Rest House, he asked the Secretary of the School and saw the records of the School and after that he advised the Secretary to follow the Govt. order and as, the vacant post of Shri H. R. Patgiri was a permanent on, it should be made advertised and Smti Bina Talukdar may be allowed to continue in the post until the new appointment is being made. Then accordingly with the advice of the Adl. D. P. I. who gave a verbal order in front of me and in front of many others, the the Managing Committee held on 6th February, '76 took an unanimous decision that the post should be advertised and it was published in the Assam Tribune on 15th Feb. '76 but suddenly Smti Bina Talukdar again

appealed to the Adl. D. P. I. who directed the Inspector to issue an order. On 16th Feb. '76 an order was issued in the context that the advert sement of the Managing Committee must be stopped and Smti. Bina Talukdar must be allowed to continue and lastly it was written that "this may kindly be treated as Top Most Urgent" the word 'top most' was underlined. So if such anomalies are there in the affairs of the Managing Committee, how we can expect the good results, good management from the Schools ? This is a gross indiscipline. Now, I would like to ask through you, Sir, can a teacher of deficit schools, or College or of the Govt. Aided institution appeal to the higher authority without coming through proper channel, this is really one sided and partial. I hope this will be stopped immediately and this order must be withdrawn and the Managing Committee must be allowed to work freely. The Adl. D. P. I. on one hand gave the verbal order to the Secretary of the Schools to give advertisement but on the other hand he stopped the order. This is quite whimsical and irregular so I request through you to the Govt. that this must be vacated and withdrawn. Then again another example I want to cite that Chairman Barapani at J. R. P. Barnagar Higher Secondary School at Sorbhog Managing Committee was formed in the month of October but without any reason, perhaps some persons came

to the higher authority and appealed to the higher authority and so I say without any reason an order was issued to stay the Managing Committee. So the Managing Committee was stayed for about 3 months and now after the appeal of the guardians, it was vacated and withdrawn and I hope this will help in smooth running of the School. Again sometimes an order takes about 3 months to reach a School. So if we want to build up the democracy, if we want to build up Socialistic pattern of Societies and if we want success of the 20 point economic programme of our Prime Minister, then we must lift out all these anomalies, irregularities, all these corruptions, all these manipulated affairs. With these observations and with these few words, I oppose the cut motion. Thank you.

* শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। পৃথিবীত মানুহে চন্দ্ৰলৈ যোৱাৰ কথাকে ভাবিয়েই শেষ কৰা নাই, মঙ্গল গ্ৰহ আৰু কৰবালৈ যোৱাৰ কথাও ভাবিব লাগিছে। পৃথিবী খন যদি কাহানিবা ধ্বংস হৈ যায় তেন্তে চন্দ্ৰ গ্ৰহ বা মঙ্গল গ্ৰহত ঘৰ-বাৰি পাতি বাস কৰাৰ কথাও ভাবিছে। আজি আমি প্ৰাইমেৰী স্কুলৰ কথা ভাবিছো।

শ্ৰীমাল চন্দ্ৰ পেগু—ইমান পাতনি কেলৈ? কি কব খুজিছে কৈ যাওক।

* শ্ৰীসোনেশ্বৰ বৰা—আপোনাৰ গ্ৰহ দোষ হৈছে যেন পাইছো।

উপাধ্যক্ষ মহোদয়, আজি আমি প্ৰাইমেৰী স্কুলৰ কথা ভাবিছো। ভাবিছো আকৌ কোন কোন খিনি মানুহে, যিখিনি মানুহে প্ৰাইমেৰী

---

* Speech not corrected.

শিক্ষা সাং কৰি অলপ ওপৰলৈ গৈছো সেই খিনি মানুহে ভাবিছো। কিন্তু যিখিনি মানুহে এই শিক্ষা লব সেই খিনি মানুহে বা ভাবিছে নে নাই তাত সন্দেহ আহি পৰিছে। গতিকে সমস্যাটো গভীৰৰ পৰা গভীৰ গুহাত সোমাই পৰিছে। আজি স্বাধীনতাৰ ৩০ বছৰৰ পিছত আমি আজি প্ৰাইমেৰী শিক্ষাৰ কথা কৈছো।

(অধ্যক্ষ মহোদয় আহি আসন লয়)

অধ্যক্ষ মহোদয়, শিক্ষাৰ মান কিমান হব লাগিছিল সেইটো নকলেও হব। মাননীয় সদস্য সকলে কোৱাৰ দৰে হাই কৰ্টৰ পৰা আৰম্ভ কৰি অসমত তিনিখন মেডিকেল কলেজ হ'ল, বিশ্ববিদ্যালয় হৈছে আৰু ধেৰ হাইস্কুল হৈছে, এম, ই স্কুল হৈছে, আগতে ৯ কোটি টকা খৰচ হৈছিল এতিয়া ৪৩ কোটি টকা খৰচ কৰিছে, আৰু বহুত কিবা হব এইটো কথা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কব, আমি গম পাইছো।

(ধ্বনি—আপুনি যদি কবই পাৰে তেন্তে কিয় ইয়ালৈ আহিছে)

কব পৰা যোগ্যতা অৰ্জন কৰিছো বাবেই বোধহয় ইয়ালৈ আহিব পাৰিছো।

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত আমি কিমান পিচপৰি আছো— এই অংকটো আগতেও মই কৰিছো আৰু আজিও কওঁ যে স্বাধীনতা লাভ কৰা দিনা আমাৰ অসমৰ জনসংখ্যা আছিল ১ কোটি ২ লাখ নে কিবা এটা। ১৯৭১ চনৰ পিয়লমতে ১ কোটি ৪৬ হেজাৰ মানুহ, এতিয়া বোধকৰো দেৰ কোটি হব। ইয়াৰ ভিতৰত শতকৰা ২৮-২৯ ভাগ শিক্ষিত হৈছে। তেতিয়া হলে ১ কোটিৰ বেছি মানুহ নিৰক্ষৰ হৈ আছে। যিখন দেশত স্বাধীনতাৰ তাৰিখত জনসংখ্যাৰ সমান সংখ্যাক মানুহ নিৰক্ষৰ হৈ থাকিব পাৰে তাতকৈ কিমান মানুহে আক্ষৰিক জ্ঞান পাইছে তাৰ ব্যাখ্যা নকৰিলেও হব। তথাপি মই এই খিনি কথা বুজি পাইছো যে বৰ্তমান সময়ত আমাৰ অসমখনত চৰকাৰৰ তথ্য-পাতি মতে

চৰকাৰী হাইস্কুল ৬ খন, হায়াৰ চেকেণ্ডাৰী স্কুল ২৪ খন, চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুল ৫৩ খন আৰু হাইস্কুল ৪০ খন। ঠিক সেইমতে চৰকাৰী বা বেচৰকাৰী, অৰ্ধ চৰকাৰী মাধ্যমিক খাপত চাৰি লাখ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে। কিন্তু এই হিচাবটোত মই আচৰিত হৈছো যে বৰ্তমান ১৮ মাৰ্চ তাৰিখে অসমত মাধ্যমিক শিক্ষাৰ শেষান্ত পৰীক্ষা আৰম্ভ হব অৰ্থাত যিবিলাক প্ৰাইভেট পৰীক্ষাৰ্থী তেওঁলোকৰ আজিৰ পৰা আৰম্ভ হৈছে। ইয়াৰ সংখ্যা হৈছে ৭১ হেজাৰ ১৫০ জন। অৰ্থাৎ এইসকল ছাত্ৰ-ছাত্ৰী যোৱা বাৰ অকৃতকাৰ্য্য হৈছিল। ইয়াৰ পিচত ২ এপ্ৰিলত ৰেগুলাৰ পৰীক্ষাৰ্থীৰ তেওঁলোকৰ পৰীক্ষা আৰম্ভ হব। তাৰ সংখ্যা হৈছে ৭১ হেজাৰ ৭৫৮ জন। ৭১ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ এই ভয়াবহ সংখ্যাটো হৈছে যোৱাবাৰৰ ফেইল কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। গতিকে এই সমস্যাটো এটা বিৰাট সমস্যা হিচাবে আমাৰ আগত থিয় হৈছে। এই সমস্যাটোৰ বিষয়ে বুজ লোৱাটো নিতান্ত দৰকাৰ আৰু এই ছাত্ৰসকল যদি অকৃতকাৰ্য্য হৈ থাকে তেন্তে ল'ৰাবোৰক কি ধৰণেৰে কাম দিব পাৰি বা কৃতকাৰ্য্যতাৰ প্ৰতি সহায় কৰিব পাৰি এই বিষয়ে ভবাৰ দৰকাৰ হৈছে। বৰ্ত্তমান সময়ত আমাৰ চৰকাৰৰ নীতি মতে কুকুৰা ফাৰ্ম কৰিবলৈ, অট' ৰিক্সা চলাবলৈ, টেক্সিৰ ড্ৰাইভাৰ হেন্দিমেন হবলৈ, বেংকৰ পৰা ধাৰ লবলৈ তেওঁলোক শিক্ষিত নিবনুৱা হব লাগিব আৰু মেট্ৰিক পাছ কৰা হব লাগিব। গতিকে, ড্ৰাইভাৰ হেন্দিমেন হবলৈ যদি বিচৰা হয় তেন্তে মাধ্যমিক শিক্ষাটোকে প্ৰাথমিক শিক্ষা বুলি ধৰিব লগা হব। এইটোৱেই হৈছে প্ৰাথমিক শিক্ষাৰ খাপটোৰ বৰ্তমান অৱস্থা। আনহাতে যদি নগৰ চহৰলৈ যোৱা যায় তেন্তে স্কুল-কলেজীয়া ল'ৰা-ছোৱালীৰ পৰা যাবলৈ বাট পোৱা নহয়। অথচ সংখ্যাটো হৈছে শতকৰা ২৮-২৯ ভাগ। অসমত সৰু ডাঙৰ নগৰ চহৰকে ধৰি ৭২ খন নগৰ আছে, ২৬ হেজাৰ গাওঁ আছে আৰু ৭৫০ খন চাহ বাগিচা আছে। তাৰোপৰি শিল্প উদ্যোগ অনুষ্ঠান প্ৰতিষ্ঠান কিছুমান আছে। আমাৰ দেশত প্ৰাথমিক স্কুলৰ সংখ্যা হৈছে ১৯ হেজাৰ, এইটো অৱশ্যে শুদ্ধ হিচাব নহব পাৰে, তথাপি

২৬ হেজাৰ খন গাওঁ, ৭২ খন চহৰ, ৭৫০ খন চাহ বাগিচা যিখন ৰাজ্যত আছে সেইখন ৰাজ্যৰ প্ৰাইমাৰী স্কুলৰ সংখ্যা হৈছে ১৯ হেজাৰ খন। শিক্ষা মন্ত্ৰীয়ে শিক্ষকৰ হিচাব এটা কৰবাত দিছিল ৪৫ হেজাৰ বুলি আৰু মুখ্য মন্ত্ৰীয়ে পিচত অৱশ্যে ৪০ হেজাৰ বুলি কৈছে। ৪০ হেজাৰ প্ৰাইমেৰী শিক্ষকৰ ১৯ হেজাৰখন স্কুল, ২৬ হেজাৰ গাওঁ আৰু ৭৫০ খন চাহবাগিছা।

অধ্যক্ষ মহোদয়, আজি অসমৰ প্ৰায় ৪০ হাজাৰ হাইস্কুলৰ শিক্ষক, ১৯ হাজাৰ স্কুল আৰু ২৬ হাজাৰ গাওঁ আছে। গতিকে দেখা যায় যে, প্ৰত্যেকখন স্কুলতে প্ৰায় ২ জনকৈ শিক্ষক পৰে। গতিকে এইদৰে আমাৰ ৰাজ্যৰ শিক্ষাৰ সমস্যা সমাধান নহয়। ইয়াৰ উপৰিও বৰ্তমান প্ৰাইমাৰী শিক্ষাৰ ৬ হাজাৰ শিক্ষক অতিৰিক্ত ভাৱে নিযুক্তি দিয়া হৈছে। ৪০ হাজাৰ শিক্ষকৰ পৰা যদি ৬ হাজাৰ শিক্ষক বাদ দিয়া হয় তেতিয়াহলে অংকটো সাংঘাটিক হৈ যাব। আজি ১৯ হাজাৰ প্ৰাইমাৰী স্কুলত ১৪ লাখ ল'ৰা-ছোৱালীয়ে পঢ়ে। ১৯ হাজাৰ স্কুলত ৪০ হাজাৰ শিক্ষক ভাগ কৰি দিলে প্ৰত্যেক স্কুলতে দুজনকৈ শিক্ষক পৰে। ১৯৭২ চনতে বিধান সভাৰ বাজেট অধিবেশনত পঢ়িছিলো। যি সময়ত চলিহা, চৌধুৰী, আৰু ত্ৰিপাঠী আছিল সেই সময়তে চৰকাৰৰ লগত আলোচনা কৰিছিলো যে চৰকাৰৰ সিজন বিত্তীয় উপদেষ্টা আছিল তেওঁকো কোৱা হৈছিল যে শিক্ষানীতিৰ ভাল ব্যৱস্থা কৰিব লাগে। কিন্তু আজিও সেই শিক্ষা নীতিৰ আমূল পৰিবৰ্তন কৰিব নোৱাৰিলে।

মহোদয়, শিক্ষাৰ সম্পৰ্কত কেবাটাও কমিচন কৰা হৈছে। কিন্তু এতিয়ালৈকে সেইবিলাকৰ বাস্তৱত ৰূপায়িত হোৱা নাই। গতিকে আমাৰ শিক্ষানীতিৰ এনে এটা পৰিবৰ্তন কৰিব লাগে যাতে আমাৰ শিক্ষাই সকলো ল'ৰা-ছোৱালীক উপযুক্ত ভাবে গঢ়ি তুলিব পাৰে। মোৰ অৱশ্যে শিক্ষা নাই যদিও মই বাপেক হিচাবে কব বিচাৰো যে, আজি ধনমুখী শিক্ষা পৰিহাৰ কৰিবৰ সময় আহি পৰিছে। এই শিক্ষাৰ দ্বাৰা মানুহে নানা ৰকমৰ স্কেল পায় কিন্তু আমি এনেধৰণৰ শিক্ষা প্ৰবৰ্তন কৰিব লাগিব

যাৰ দ্বাৰা প্ৰকৃততে ল'ৰা-ছোৱালীয়ে জ্ঞান আহৰণ কৰিব পাৰে।

অধ্যক্ষ মহোদয়, আজি ১৮, ১৬, ১৫ বছৰৰ ল'ৰা-ছোৱালীক চৰকাৰী খৰচেৰে প্ৰাইমাৰী শিক্ষা দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। যাতে ল'ৰা-ছোৱালীয়ে নিজৰ মগজুৰ শক্তিৰ জৰিয়তে সকলো ফালৰ পৰা বুৎপত্তি লাভ কৰিব পাৰে। এনে কৰিলেহে মই ভাবো শিক্ষা নীতিৰ আমূল পৰিবৰ্তন সাধন কৰা হব। সংবিধানৰ ৪৫ অনুচ্ছেদ অনুসৰি ১০-১৩ বছৰৰ ল'ৰা-ছোৱালীক বাধ্যতামূলক বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থাৰ কথা আছে। কিন্তু আজি এই কথা অৰণ্য ৰোদন যেন হৈছে। আমি যদি কিবা দিবলৈ বিচাৰিছো তেতিয়াহলে এই উঠি অহা ল'ৰা-ছোৱালী বিলাকক উপযুক্ত শিক্ষা দি জ্ঞানমন্ত কৰি তুলিব পাৰিব লাগিব।

মহোদয়, অৰ্থকৰি বিদ্যাই আজি আমাৰ ল'ৰা-ছোৱালীক প্ৰকৃত জ্ঞান আহৰণত সহায় কৰিব নোৱাৰে। ইয়াৰ উপৰিও বৰ্তমান সময়ৰ পৰি-প্ৰেক্ষিতত আমাৰ চৰকাৰে যিবিলাক ঋণ মঞ্জুৰী দিছে বা নতুন নীতি লৈছে সেইবিলাকৰ দ্বাৰা পাৰিলে কিবা এটা উপকাৰ কৰক। ১৯৬৮ চনতে যিবিলাক প্ৰাইমাৰী স্কুল ৰিকোগনাইজ হৈছিল সেই স্কুলবিলাকক ১৯৭০-৭২ চনত ডেফিচিট দিয়া হৈছে। আৰু বহুতো স্কুল আছে যি বিলাকে আজি কেইবা বছৰ ধৰিও ডি-পি-আই, মহোদয়ক কাবৌ-কোকালি কৰি ৰিকোগনাইজেচন পোৱা নাই। আজি পিচপৰা অঞ্চল বিলাকতো নানা স্কুল কৰা হৈছে কিন্তু তাতো স্কুলৰ কোনো উন্নতি হোৱা নাই। গতিকে টাউনৰ ওচৰৰ স্কুল বিলাকক যি ধৰণে ৰিকগনিচন দিয়া হৈছে ঠিক তেনেকৈয়ে পিচ পৰা অঞ্চলবিলাকতো যিবিলাক স্কুল আছে সেই বিলাক ৰিকগনিচন দিয়া কৰিব লাগে।

গতিকে সেই সকলো বিলাক পিছপৰা মানুহ, সেইবিলাক অনুন্নত মানুহ, সেইবিলাক চিডিউল কাষ্ট, চিডিউল ট্ৰাইবৰ মানুহ যি বিলাকে এতিয়া নতুনকৈ স্কুল আদি পাতিবলৈ আৰম্ভ কৰিছে। সেইকাৰণেই পিছপৰা ঠাইত স্কুল বা অন্যান্য উচ্চ শিক্ষাৰ অনুষ্ঠান বিলাক টাউন বা টাউনৰ সমীপত হয়নে, কিমান চনত অনুমোদন দিলে, কিমান টকা গ'ল,

কাবৌ- কোকালি কৰি, এম, এল, এ, মন্ত্ৰী, বিধান সভাৰ ওচৰলৈ আহি গ্ৰাণ্ট আদি লোৱা ইত্যাদি কথা বিলাকৰ কোনো সিদ্ধান্ত আদি নথকাত আমাৰ মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ডাঙৰীয়াই কোৱা গল্পটো পৰিবৰ্ত্তিত কৰি আমাৰ চৰকাৰে এই ব্যৱস্থাটো ল'ব পৰিব। আমি অধ্যক্ষ মহোদয় মই পুনৰবাৰ কৈছো, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ও শিক্ষাদপ্তৰৰ দায়িত্বত আছে। তেখেতে এই সকলো বিলাক কথাই ভাৱক। শিক্ষা যাতে আমাৰ মানুহে সমানে পাব পাৰে তাৰ কাৰণে ব্যৱস্থা হব-লাগে। বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। অসমতকৈ দুখীয়া ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যত মাধ্যমিক পৰ্য্যায়লৈকে বা তাতোকৈও বেছিলৈকে বিনা মূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। মণিপুৰত ল'ৰা ছোৱালীয়ে ফিজ দিবনেলাগে। কাশ্মীৰতো তেনেকুৱা ব্যৱস্থা আছে। আমাৰ চৰকাৰেও সেইকাম কৰক। মাধ্যমিক শিক্ষাই হৈছে আমাৰ প্ৰাথমিক শিক্ষা। এটা কৰ্ত্তব্য হিচাবেই এই কাম কৰিব লাগে। অ, বি, চি, চিডিউল কাষ্ট, চিডিউল ট্ৰাইব আদিৰ ল'ৰা ছোৱালী বিলাকক বৃত্তি আদি দিয়াৰ ব্যৱস্থা আছে। ইতিমধ্যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ ফালৰ পৰা এটা নিৰ্দেশ ইতিমধ্যেই হৈছে যে, চাৰ্টিফিকেট বিলাক সংগঠনৰ সভাপতি বা চেক্ৰেটেৰীয়ে দিব লাগে। আগতে এম, এল, এ সকলে দিলেও হৈছিল। হয়তো কৰবাত দুই-এটা ভুল হোৱাটো স্বাভাৱিক। কিন্তু এতিয়া সেইটোৰ পৰিবৰ্তে সংগঠনৰ সভাপতি, চেক্ৰেটেৰীয়ে চাৰ্টিফিকেট দিয়াৰ ওপৰিও ডি, চি বা কাউণ্টাৰ চাইন্দ দিব লাগে। কিন্তু এইটো কৰিলেও আমাৰ যি সকল পিছপৰা ল'ৰাছোৱালী আছে সেই লৰাছোৱালী বিলাক বৃত্তি আদি পোৱাৰ ক্ষেত্ৰত বঞ্চিত হৈছে। ছয়-সাত লাখ মানুহৰ মাজত থকা এজোজন সংগঠনৰ চেক্ৰেটৰীৰ সম্পাদকে ফাইল লৈ একো-জন বিধান সভাৰ সদস্যৰ নিচিনাকৈ ভালভাৱে ল'ৰাছোৱালীক চাৰ্টিফিকেট দিব নোৱাৰিব। ফলত আচলতে পাবলগীয়া আমাৰ পিছপৰি থকা মানুহৰ ল'ৰাছোৱালী বিলাকে বৃত্তিৰ টকা নেপাব। ইতিমধ্যেই বোলে এনে নিৰ্দ্দেশ আমাৰ চাৰ্কোল বিলাকলৈ গৈছেই।

Shri Giasuddin Ahmed—Mr. Speaker, Sir, it is apprehended that many Cut Motions will be guillotined today. In order to minimise guillotine I think time should be rationed.

Mr. Speaker—Hon. Members will themselves ration their time.

শ্ৰীসোনেশ্বৰ বৰা—দুই তিনি মিনিটৰ ভিতৰতে মই শেষ কৰিম।

মাননীয় অধ্যক্ষ—১২-৩০ ত 'ডিবেট ক্লজ' কৰিব লাগে।

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছোঁ। প্ৰাইমেৰী স্কুলৰ শিক্ষক সকলৰ নিয়োগৰ ক্ষেত্ৰত কমিটি গঠন কৰি দিছে। সেই কমিটি বিলাকত আগতে আমাৰ বিধান সভাৰ সদস্য মেম্বাৰ আছিল। কিন্তু এতিয়া ৰাখিব নোৱাৰাৰ কাৰণে ব্যৱস্থা কৰিছে। ফলত একোজন শিক্ষককে এবছৰৰ ভিতৰত ছয়বাৰ মানলৈকে বদলি কৰাৰ নজিৰ দেখা পোৱা গৈছে। আমাৰ গোলাঘাটতে এইটো হৈছে। তাৰোপৰি, নানান খেলিমেলিৰ সৃষ্টি হৈছে। গেলাবিল আৰু দিচৈ নামৰ দুখন নদীৰ সিপাৰে এগৰাকী গাভৰুক বদলি কৰিছে আৰু চাইকেল লৈ যাব পৰা ওচৰৰে দুই কিলোমিটাৰৰ দূৰত থকা এখন স্কুললৈ দিছে এজন ডেকা লৰাক। এই গাভৰু গৰাকীয়ে এছ, আইক আপত্তি দৰ্শোৱাত তেখেতে কলে যে, এম, এল, এ সকলে একো কৰিব নোৱাৰে। গতিকে তেওঁৰ লগত দিছপুৰলৈ আহিলে কিবা এটি কৰিব পাৰিব। কিয় এগৰাকী গাভৰু তেওঁৰ লগত ইয়ালৈ আহিব লগীয়া হ'ল? এই বিলাক কথাৰ এটা ভাল তদন্ত হব লাগে। এনেকুৱা দেখাৰ কথা কান্দ হৈ আছে। তাৰ পিছত গোলাঘাটত ৰাষ্ট্ৰপতিৰ নামত এখন আদৰ্শ স্কুল খোলাৰ কথা এটা 'দৈনিক অসম' বাতৰি কাকতত ওলোৱা খবৰটো শুনি সমাদৰ জনাইছোঁ। গৃহমন্ত্ৰী শইকীয়া ডাঙৰীয়া আৰু চৈয়দ আব্দুল মালিকৰ নামত ওলাইছে। এইটোনো কি অৱস্থাত আছে সেইটোও মই জানিবৰ কাৰণে

উত্থাপন কৰিছোঁ। এইখিনি কথা কৈয়ে মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীপ্ৰেমধৰ বৰ—মহোদয়, এই বিষয়ৰ আলোচনা কৰিবলৈ যাওঁতে বিশেষকৈ পৱিত্ৰতা আৰু মৌলিকতাৰ দৃষ্টিভঙ্গীৰ আৱশ্যক। কিন্তু আজি প্ৰচলিত শিক্ষা নীতিৰ আলোচনা কৰিবলৈ যোৱাৰ আগতে এইটো কথা চিন্তা কৰি চোৱা নিতান্তই প্ৰয়োজনীয় যে, দেশৰ স্বাধীনতাৰ পিছত এই শিক্ষানীতিয়ে আমাৰ দেশৰ সুনাগৰিকৰ পূৰ্ণ বিকাশ ঘটাব পাৰিছেনে নাই আৰু জীৱন নিৰ্বাহৰ ক্ষেত্ৰটো ই পূৰ্ণ সহায় আগবঢ়াব পাৰিছেনে নাই? আজি আমাৰ দেশত প্ৰচলিত এই শিক্ষা পদ্ধতিয়ে এই দুয়োটা কামেই কৰাত ব্যৰ্থ হৈছে। পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাৰ লগত খাপখোৱাৰ পৰাকৈ এই শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন হোৱাটো একান্তই বাঞ্চনীয়। কিন্তু এতিয়ালৈকে প্ৰচলিত শিক্ষা ব্যৱস্থা কেৱল পৰীক্ষা পাছ ফেইল কৰাৰ ওপৰতে প্ৰবৰ্ত্তি আছে। পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাৰ প্ৰতি লক্ষ্যৰাখি এই পৰম্পৰাগত ভাৱে চলি অহা শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটাব লাগে আৰু সেইটো আজি নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে। কিন্তু স্বাভাৱিকতেই এই খিনিতে এটা প্ৰশ্ন আহিব যে, কেনেকৈ এইটো সম্ভৱপৰ হব? আমাৰ মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই কোৱাৰ দৰে আৱশ্যক অনুযায়ী শিক্ষা ব্যৱস্থাটো হব লাগিব। সেইমতেই শতকৰা নম্বৰ পোৱা অনুসৰি বিভিন্ন বিভাগলৈ যোৱাৰ ব্যৱস্থা থাকিব লাগিব।

এই ধৰণে যদি শিক্ষাৰ ব্যৱস্থা কৰা হয় আৰু পৰীক্ষাৰ ক্ষেত্ৰত কেৱল পাচ কৰা কথাটো প্ৰধান ভাবে লোৱা হয় তেতিয়াহলে এই বিভিন্ন দিশত কাৰিকৰি বিদ্যা আহৰণ কৰিবলৈ আৰু অইন লাইনত যাবলৈ ল'ৰা-ছোৱালীবিলাকৰ দুগুনে ধাউতি বাঢ়িব আৰু সেই হিচাবে দেশৰ চাহিদা মতে কাম হব। তাৰ পিছত আৰু এটা দৰকাৰী কথা হল আজি আমাৰ শিক্ষা নীতিতো প্ৰকৃত শিক্ষাবীদৰ হাতত পৰা নাই, এই শিক্ষা নীতিত ৰাজনৈতিক প্ৰভাৱ বহু সময়ত বেচি পৰাৰ কাৰণে আমাৰ শিক্ষাবিদ যি সকল আছে তেওঁলোকে এই শিক্ষা দান ইত্যাদিত

মুকলি মূৰীয়া চিন্তা কৰিব পৰা নাই বা কৰিবলৈ সুযুগ পোৱা নাই আৰু এই শিক্ষাৰ ক্ষেত্ৰত নিৰপেক্ষ চিন্তা কৰাৰ কোনো সুযোগ নাই ফলত আমাৰ দেশত তথা আমাৰ ৰাজ্যখনত শিক্ষাৰ ক্ষেত্ৰত যি ধৰণে স্বাধীন চিতিয়া মনোভাৱেৰে আগবাঢ়িব লাগিছিল সেই হিচাবে আগবাঢ়িব পৰা নাই আৰু এই দিশত এনেবিলাক ৰাজনৈতিক প্ৰভাৱৰ কাৰণে বহু সময়ত বাধাগ্ৰস্ত হব লগীয়া হৈছে। আজি কিছুদিন আগতে শিক্ষা মন্ত্ৰী আছিল তালুকদাৰ ডাঙৰীয়া। এতিয়া মুখ্যমন্ত্ৰী, আনোৱাৰা বাইদেউ আৰু কিছুদিন পিছত হয়তো আন কোনোবা আহিব, গতিকে তেনেদৰে শিক্ষাৰ মুৰব্বী সকল পৰিবৰ্তন হৈ থাকিলে স্বাভাৱিকতেই শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ গৱেষণা হব আৰু সেইদৰে চিন্তা ধাৰাৰো তাৰতম্য হোৱাতো স্বাভাৱিক। এইবিলাক হোৱাৰ কাৰণ কি, ইয়াৰ গুৰিতে হ'ল ৰাজনৈতিক প্ৰভাৱ শিক্ষাৰ ওপৰত পৰাৰ কাৰণে, গতিকে এই শিক্ষা বিষয়টো শিক্ষকৰ হাতত মুকলি মূৰীয়াকৈ এৰি দিব লাগে। অধ্যক্ষ মহোদয়, অন্যান্য দিশত মাননীয় সদস্য সকলে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট ত্ৰুটি আছে বুলি কৈছে, মই এইবিষয়ে বহলাই কব নোখোজো। শিক্ষানুষ্ঠানবিলাকত সকলো বোৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে, বিশেষকৈ কৃষি শিক্ষাৰ ব্যৱস্থা থাকিব লাগে, কাৰিকৰি আৰু সুকুমাৰ কলাৰ শিক্ষাৰ ব্যৱস্থা থাকিব লাগে। এই সকলোবিলাক ব্যৱস্থা আমাৰ শিক্ষাৰ ক্ষেত্ৰত থাকিব লাগে। বেলেগ বেলগে শিক্ষানুষ্ঠানৰ বেলেগ বেলগে শিক্ষা ব্যৱস্থা থকাৰ পৰিপ্ৰক্ষিতাত সেই বিভাগে বা বিভাগৰ যি খিনি তেওঁলোকৰ ৰাপ সেই ৰাপ অনুযায়ী আমাৰ ছাত্ৰ-ছাত্ৰী বিলাক গঢ়ি উঠিব আৰু তেওঁলোক ভৱিষ্যতৰ একোটা সম্পদ হৈ একোজন সুনাগৰিক হৈ উঠিব পাৰিব আৰু স্বাৱলম্বী হব পাৰিব। সেইদৰে তেওঁলোকৰ জীৱনৰো প্ৰভাৱ আনৰ ওপৰত পৰি এটা ভাল পৰিবেশৰ সৃষ্টি হব। গতিকে আজি আমাৰ শিক্ষা নীতিৰ আমোল পৰিবৰ্ত্তন হব লাগিব যিহেতু আমাৰ বৰ্তমান শিক্ষা পদ্ধতিয়ে আমাৰ বাস্তৱ জীৱনৰ বিকাশ সাধন কৰিব পৰা নাই। এতিয়া দেখা গৈছে আমাৰ চহৰ অঞ্চলতহে ২৪ খন প্ৰি-প্ৰাইমাৰী স্কুল লোৱা হৈছে কিন্তু তাৰ দ্বাৰা বিশেষ উৎকৰ্ষ সাধন কৰিব পৰা নাই আজি

শিক্ষাৰ ক্ষেত্ৰত দেখা যায় আমাৰ স্কুলবিলাকত নিয়মীয়াকৈ পৰিদৰ্শন কৰাৰ ব্যৱস্থা নাই। তাৰ মূলতে হ'ল আমাৰ যিসকল এচ-আই বা ডি-আই আছে তেওঁলোকৰ থকা-মেলাৰ সুবিধা নাই চৰকাৰৰ ফালৰ পৰা কোনো কোৱাৰ্টাৰৰ ব্যৱস্থা কৰা হোৱা নাই, ভাড়া ঘৰত থাকিব লগীয়া হৈছে। কিন্তু আমি দেখা মতে অইন অইন বিভাগ যেনে—কৃষি, গড়কাপ্তানী বিভাগ ইত্যাদিত প্ৰায়ভাগ বিষয়াৰ কাৰণে কোৱাৰ্টাৰৰ ব্যৱস্থা আছে, সেইদৰে গাড়ী আদিও আছে। কিন্তু এই শিক্ষকৰ কাৰণে কোনো ধৰণৰ চৰকাৰী ঘৰো নাই আৰু গাড়ীৰো ব্যৱস্থা নাই। গতিকে ব্লক হেড কোৱাৰ্টাৰৰ পৰা গৈ বিভিন্ন ঠাইৰ স্কুল পৰিদৰ্শন কৰা অসুবিধা হৈ পৰে। আৰু সেই কাৰণে তেওঁলোকে এই পৰিদৰ্শনৰ পৰা বহুসময়ত বিৰত থাকে। গতিকে এই পৰিদৰ্শক সকলৰ কাৰণে থকা-মেলাৰ সুবিধা কৰি দিব লাগে যাতে সঘনাই স্কুল বিলাক পৰিদৰ্শন কৰিবলৈ সুবিধা হয়। তাৰ পিচত যেনেকৈ নিয়োগৰ ক্ষেত্ৰত প্ৰৱেশিকাৰ মাপকাঠি কাটিছে। সেইটো ভাল হোৱা নাই। যেনেদৰে পিচপৰা আৰু অনুসূচীত জনজাতিৰ কাৰণে প্ৰৱেশিকা পৰীক্ষাই মাপকাঠি নহয় ঠিক সেইদৰে অন্যাৰ ক্ষেত্ৰতো তেনেই হব লাগে, বিশেষকৈ যিসকল শিক্ষকে ১২-১৪ বছৰ শিক্ষকতা কৰি আহিছে আৰু এই বিষয়ে যথেষ্ঠ অভিজ্ঞতা অৰ্জন কৰিছে অথচ এইসকল শিক্ষকে স্থায়ী হব নোৱাৰিলে। তেখেতসকলৰ ক্ষেত্ৰত প্ৰৱেশিকা মাপকাঠি নকৰি তেওঁলোকক স্থায়ী কৰাৰ ব্যৱস্থা কৰিব লাগে। মই ভাৱো এনেধৰণৰ শিক্ষক বেছি নাই। ইয়াৰ বাহিৰেও বেছিক ট্ৰেইনিং চেণ্টাৰ যিবিলাক আছে তাত অধ্যক্ষ নিয়োগ কৰা নহ'ল। আগৰজনে ট্ৰেনচফাৰ লৈছে। গতিকে এই বিষয় লৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। তাৰ পিচত বহু সময়ত দেখা যায় আমাৰ শিক্ষক সকলক ট্ৰেন্সফাৰ কৰিলে তেওঁলোক যাবলৈ ইচ্ছুক নহয় কিয়নো অইন ঠাইলৈ গলে তেওঁলোকৰ থকামেলাৰ কাৰণে ঘৰ-বাৰী নোহোৱাত যথেষ্ঠ অসুবিধাৰ সন্মুখীন হব লগীয়া হয়। যেনেকৈ ডিব্ৰুগড়ৰ এজনক লক্ষীমপুৰলৈ পঠালে তেওঁৰ থকামেলাৰ অসুবিধাৰ

কাৰণে যাবলৈ ইচ্ছুক নহয় সেইকাৰণে এই ঘৰ-বাৰী ইত্যাদি চৰকাৰী ঘৰ ইত্যাদি সুবিধা দিবৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। শেষত সময়ৰ নাটনিৰ কাৰণে ইমানতে সামৰণি মাৰিলো।

Mr. Speaker—The House now stands adjourned till 2.30. p.m.

( মধ্যাহ্ন ভোজনৰ পিচত )

* শ্ৰীগিয়াচুদ্দিন আহমেদ—মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআষাৰমান কব খুজিছো। শিক্ষা বিষয়টো এটা গুৰুত্বপূৰ্ণ বিষয় আৰু এই শিক্ষা জাতিৰ মেৰুদণ্ড স্বৰূপ। গতিকে শিক্ষা কেনেকুৱা হব লাগে অৱশ্যে তাৰ তত্ব সম্পৰ্কে মই কব খোজা নাই। শিক্ষাই জাতিৰ আদৰ্শ আৰু লক্ষ্য প্ৰতিফলিত কৰে। গতিকে শিক্ষা পদ্ধতি এনেকুৱা হব লাগিব যাৰ দ্বাৰা জাতিৰ যি উদ্দেশ্য সেইটো সমাধান কৰিব লাগিব। সমাজবাদ জাতিৰ লক্ষ্য বুলি ধৰি লৈও শিক্ষা ব্যৱস্থা এনেকুৱা কৰি তুলিব পাৰিব লাগিব যাৰ দ্বাৰা সাংস্কৃতিক বিপ্লৱ হব পাৰে। নহলে সমাজ বাদ প্ৰতিস্থিত কৰিব পৰা নহব। সমাজবাদ কেৱল অৰ্থনৈতিক ব্যৱস্থাই নহয় ই জীৱনযাত্ৰাৰ পবিত্ৰ পদক্ষেপ বুলি কব লাগিব। এই সম্পৰ্কত যথেষ্ট আলোচনা হৈ গৈছে। মই বেছি কব খোজা নাই। এই ব্যৱস্থাত বৰ্তমান চৰকাৰী যি ব্যৱস্থা সেই ব্যৱস্থা ত্ৰুটিপুৰ্ণ। গতিকে এই শিক্ষা ব্যৱস্থাত এটা ষ্ট্ৰীম লাইন কৰাৰ প্ৰয়োজন আছে। যোৱা কেইবছৰমানৰ ভিতৰত স্কুল কলেজ আদি শিক্ষানুষ্ঠানসমূহৰ ইমান প্ৰসাৰ হৈছে যে তাৰ অনুপাতে যি প্ৰশাসন ব্যৱস্থা হব লাগিছিল সেইটো হোৱা নাই বুলি মোৰ বিশ্বাস। বিশেষকৈ প্ৰাইমাৰী শিক্ষাৰ ক্ষেত্ৰত যিটো স্তৰ জাতিৰ মেৰুদণ্ড গঠন স্বৰূপ সেই স্তৰত পৰিদৰ্শনৰ ব্যৱস্থা নিচেই কম। স্কুলৰ সংখ্যা বৃদ্ধিৰ লগে লগে শিক্ষা বিভাগৰ কৰ্ম্মচাৰী সকল বিশেষকৈ ইন্স-পেক্টিং ষ্টাফ যি কিজন আছে তেওঁলোকৰ পক্ষে প্ৰত্যেক খন স্কুল পৰি-

* Speech not corrected.

দর্শন কৰা সম্ভব নহয়। একোজন ইন্সপেক্টৰ অব স্কুলচৰ অধীনত এশ দুশ স্কুল আছে। মই জনাত চাৰি, পাচ, দহ পোন্ধৰ বছৰৰ ভিতৰতো এবাৰ পৰিদৰ্শন কৰা হোৱা নাই। ইয়াৰ ফলত স্কুলৰ মূল আদৰ্শ আৰু মানদণ্ডৰ অৱনতি ঘটিছে। সেইকাৰণে মই পৰামৰ্শ দিব খোজো যে একোজন ইন্সপেক্টৰৰ জুৰিচডিকচন কমাই দিব লাগে। বৰ্তমান একো একোখন জিলা আৰু কৰবাত কৰবাত দুই তিনি খন জিলা লগ লগাই ইন্সপেক্টৰৰ ডিভিজন কৰা হৈছে। মই ভাবো ডিভিজন বিলাক বৰ বেচি ডাঙৰ হৈছে। এই বিলাক সৰু কৰিব লাগে। স্কুল চাবডিভিজন যিবিলাক ডি, আইৰ জুৰিচডিকচনৰ ভিতৰত আবদ্ধ আছে সেই জুৰিচডিকচনত একোজন ইন্সপেক্টৰ দি তেওঁৰ অধীনত ডি. আই, এচ, আই আদি উপযুক্ত পৰিমাণৰ দিব লাগে। মই কৈ আহিছো যে এই স্কুল চাবডিভিজন বিলাক সৰু হব লাগে। বৰ্তমানৰ যিটো ব্লক এৰিয়া সেই বিলাকেই স্কুল চাবডিভিজন হব লাগে। আৰু ডি আইৰ তলত উপযুক্ত পৰিমাণৰ এচ, আই আদি দিব লাগে। তেতিয়াহলেহে এই স্কুল বিলাক পৰিদৰ্শন কৰা সম্ভব হব। আজি দেখা গৈছে যে স্কুল বিলাকৰ সংখ্যা দিনক দিনে বাঢ়িব লাগিছে। আৰু এনেকুৱা কিছুমান ঠাই আছে য'ত এতিয়াও স্কুলৰ পোহৰ পৰা নাই। সেই বিলাক ঠাইতো অদূৰ ভৱিষ্যতে স্কুল গঢ়ি উঠিব। এই বিলাক সকলো বিবেচনা কৰি স্কুল চাবডিভিজন বিলাক সৰু কৰিবই লাগিব। আৰু একোজন এচ, আইৰ তলত কম সংখ্যক প্ৰাইমাৰী স্কুল ভাগ কৰি দিব লাগিব। পৰিদৰ্শনৰ অভাবৰ কাৰণে শিক্ষাৰ মান তললৈ যে গৈছে এই কথা অস্বীকাৰ কৰিব নোৱাৰি।

ইয়াৰ পিচত মই কব খুজিছো যে এল. পি. স্কুলকে ধৰি এম, ই বা হাইস্কুললৈকে ধৰি সকলোতে একোখন মেনেজিং কমিটি আছে। অভিজ্ঞতাৰ পৰা এইটো পৰিলক্ষিত হৈছে যে এই মেনেজিং কমিটি বিলাকৰ গঠন আৰু কাৰ্য্য ৰাজনীতিৰ লীলাভূমি। সেই কাৰণে মই মেনেজিং কমিটিৰ গঠন পদ্ধতিটো পৰিবৰ্তন কৰি গণতান্ত্ৰিক কৰিবলৈ পৰামৰ্শ আগবঢ়াও। এই ক্ষেত্ৰত এটা স্কুল ইলেকটৰেল কলেজ কৰিব লাগে। ইয়াত অভিভাৱক, শুভাকাংশী আৰু সমাজসেৱী লৈ মেনেজিং কমিটি পূৰ্ণ গণতান্ত্ৰিক

পদ্ধতিৰে গঠন কৰিব লাগিব আৰু সম্পূৰ্ণ নিৰ্ব্বাচনৰ জৰিয়তে এই মেনিজিং কমিটি বিলাক গঠিত হব, এই ক্ষেত্ৰত নমিনেচন থাকিব নালাগে। তেতিয়াহলে ইয়াৰ মাজত ৰাজনৈতিক লোকো নোসোমাব। ৰাজনীতিত সংঘৰ্ষ থাকিলে এই স্কুল কলেজ আদি প্ৰতিষ্ঠান বিলাকৰ আচল উদ্দেশ্য ব্যাহত হয় গতিকে মই পুনৰ অনুৰোধ জনাওঁ যেন, প্ৰতিষ্ঠান বিলাক ৰক্ষাৰ কাৰণে মেনেজিং কমিটি বিলাকৰ গঠন গণতান্ত্ৰিক কৰে।

অধ্যক্ষ মহোদয়, আজি আমাৰ প্ৰাইমাৰী স্কুল বিলাকৰ শিক্ষক সকলৰ চাকৰি জাতীয়কৰণ কৰা হৈছে যদিও স্কুল ঘৰ বিলাকৰ মেৰামতিৰ কাৰণে আমি জানো যে লাখে লাখে টকা বছৰি বছৰি দিয়া হয়। কোনোবা স্কুলত পাচশ, কোনোবা খনত এহাজাৰ বা কোনোবা খনত দুশ টকা দিয়া হয় যদিও কামৰ ক্ষেত্ৰত দেখা যায় যে কোনো স্কুলতে সেই টকা অনুসৰি কাম নহয়। সেই টকা বিলাক ঠিক ভাৱে ব্যৱহাৰ কৰা হোৱা নাই। আমি সকলোৱে জানো যে কোনোবা স্কুলত দুহাজাৰ টকা যদি দিয়া হয় তেতিয়াহলে সেই টকাৰ এহাজাৰ টকা কলৈ যায় তাৰ কোনো হিচাব নাথাকে আৰু মাত্ৰ এহাজাৰ টকাৰ এখন ইউটিলাইজেচন চাৰ্টিফিকেট আহে এচ-আই জনৰ পৰা। মই ভাবো স্কুল ঘৰ মেৰামতিৰ কাৰণে যি টকা দিয়া হয় তাৰ প্ৰায়ভাগেই ঠিক মতে খৰচ কৰা নহয়। সেই কাৰণে মই পৰামৰ্শ দিব খুজিছো যে এনেকৈ কম কম টকা ঘৰ মেৰামতিৰ কাৰণে দিয়াতকৈ যদি স্কুল ঘৰবিলাকৰ দায়িত্ব চৰকাৰী ভাৱে লব পৰা হয় তেতিয়াহলে নিশ্চয় কিছু উন্নত হব। চৰকাৰে বৰ্ত্তমান যিখিনি টকা স্কুলঘৰ মেৰামতিৰ কাৰণে দি আছে তাতকৈ বেছি দিব পাৰিলে ভাল কথা আৰু যদিও নোৱাৰেও তথাপি দিয়া টকাখিনি যাতে স্কুলঘৰ ক'ত ক'ত মেৰামতি কৰিব লাগে চৰকাৰৰ গড়কাপ্তানী বিভাগৰ পৰা যদি কৰি দিয়া হয় তেতিয়া হলে ভাল কাম হব পাৰে নতুবা যদি শিক্ষা বিভাগৰ অধীনত ঘৰ আদি মেৰামতি কৰাৰ কাৰণে এটা পি-ডব্লিউ-ডি চেল থাকে আৰু ঘৰ আদিৰ কাম বিলাক সেই বিভাগৰ দ্বাৰাই কৰোৱা হয় তেতিয়াহলেও ভালফল আশা কৰিব

পাৰি অথবা বৰ্তমান থকা পি ডব্লিউ-ডিৰ ভিতৰতে যদি এটা তেনেকুৱা শিক্ষা প্ৰতিষ্ঠান বিলাকৰ ঘৰ আদি বন্ধ বা মেৰামত কৰাৰ কাৰণে এটা চেল কৰা হয় মোৰ বোধেৰে তাত বেছি অসুবিধা নহব আৰু মেৰামতি আৰু মেইনটেনেন্সৰ কাম এই বিভাগৰ জৰিয়তে কৰিব পাৰিব। এই পদ্ধতিত বেছি টকা খৰচ হব বুলি মই নাভাবো আৰু এইটো ঠিক যে আচলতে যিমানখিনি টকা দিয়া হয় সেই গোটেইখিনি টকাৰ কাম হোৱাৰ আশা আছে। অৱশ্যে চৰকাৰে ভয় কৰিছে এইটো এটা মস্ত ডাঙৰ কাম বুলি ঘৰ আদি মেৰামতিৰ কাম খিনি চৰকাৰে লব খোজা নাই। ইমান টকা দিব নোৱাৰিব বুলি চৰকাৰৰ ভয় কৰা কোনো কাৰণ নাই। মই কব খুজিছো যে জনসাধাৰণে স্কুল আদি প্ৰতিস্থাৰ কাৰণে এতিয়াও জনসাধাৰণৰ পৰা চাদা আদি সংগ্ৰহ কৰি তেনে অনুষ্ঠান আদি কৰিয়েই আছে। আকৌ চৰকাৰে স্কুল সমূহ লোৱাৰ পিচতো জনসাধাৰণে বৰঙণি আদি সংগ্ৰহ কৰি স্কুলঘৰৰ কাম কৰিয়েই আছো। মই কব বিচাৰিছো যে চৰকাৰেও যদি প্ৰত্যেকটো মেনেজিং কমিটিৰ পৰা দুশ তিনিশ টকা চাদা হিচাবে আনি এটা কমন পুল তৈয়াৰ কৰে আৰু এই ফাণ্ডৰ পৰা যি বিলাক ঘৰ আদি মেৰামতি কৰিব লাগিব সেই কামত খটুৱায় বা পুনৰনিৰ্ম্মাণ কৰিব লাগিলেও সেই ফাণ্ডৰ পৰা চৰকাৰে পোনে পোনে কৰে তেতিয়াহলে নিশ্চয় এতিয়াৰ নিচিনাকৈ গ্ৰাণ্টৰ নামত দিয়া টকা পইচাৰ অপব্যৱহাৰ নহব। ইয়াৰ লগতে প্ৰাথমিক শিক্ষকসকলৰ চাকৰি জাতীয়কৰণ কৰাৰ লগে লগে বহুত ৰকমৰ সমস্যা দেখা দিছে। ৰেজিঅনেল বোৰ্ড গুছি গ'ল, স্কুল কেনেকৈ চলিব, গ্ৰাণ্ট কোনে দিব, কেনেকৈ দিব, চাকৰি কোনে দিব এই বিলাক একো ঠিক হোৱা নাই। এই গোটেই বিলাক নানান খেলিমেলিৰ ভিতৰতে, কোনো কোনোৱে কিবা এটা কয়, আকৌ শুনিছো হেনো জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ ওপৰত এই দায়িত্ব দিয়া হব, আকৌ শুনিছো হেনো চৰকাৰী কৰ্ম্মচাৰী সকলৰ ওপৰত হে এই দায়িত্ব দিয়া হব। এইটো এটা ডাঙৰ কথা হৈ আছে। যদিহে চৰকাৰী কৰ্ম্মচাৰীৰ ওপৰত দিয়া হয় তেতিয়াহলে ডাঙৰ কথা হব। মোৰ ব্যক্তিগত অভিজ্ঞতা আছে

যে যদি কৰ্ম্মচাৰী সকলৰ ওপৰত গোটেইখিনি দায়িত্ব এৰি দিয়া হয় তেতিয়া হলে তেলীৰ মূৰত তেল দিয়া ব্যৱস্থাহে হব। অৰ্থাৎ আগতে যিটো আছিল যি জন ডিৰেক্টৰ অফিচলৈ আহে তেওঁলোকেই গ্ৰেণ্টৰ টকা আদি পাব। কেৰাণী বিলাকেই কয় যে দুশ টকা দি দুহাজাৰ টকাৰ গ্ৰাণ্টৰ টকা নিব পাৰে। এই বিলাক আমি চিলঙত থাকোতেই বহুত খেল খেলিলো। পৰিচয় নিদিয়াকৈ অফিচলৈ গৈ আমি পাই আহিছো। বিধান সভাৰ সদস্য বুলি পৰিচয় নিদিয়াকৈ গৈছিলো এতিয়া কিন্তু যোৱা নাই। ভিতৰ চ'ৰাত কি চলি আছে আমি তেতিয়াই গম পাইছো। গতিকে কৰ্ম্মচাৰীৰ ওপৰত আটাইখিনি দায়িত্ব দিলে অবাঞ্চিত কামহে বেছি হব। আকৌ জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী সমিতিক যদি এই দায়িত্ব দিয়া হয় তেতিয়াহলে যিহেতু জিলা কংগ্ৰেছৰ সদস্য সকলে সমান ভাৱে সকলো ঠাইকে প্ৰতিনিধিত্ব নকৰে সেই কাৰণে কোনোবা ঠাইৰ পৰা হয়তো আছে কোনোবা ঠাইৰ পৰা নাই আৰু কোনোবা ঠাইৰ পৰা একে ঠাইত দুই তিনিজন মেম্বাৰ আছে। গতিকে বিধান সভাৰ সদস্য সকলে যেনেকৈ সমান ভাৱে এক লাখ জনসাধাৰণৰ প্ৰতিনিধিত্ব কৰে ঠিক তেনেকৈ জিলা কংগ্ৰেছৰ সদস্য সকলে সমান ভাৱে প্ৰতিনিধিত্ব নকৰিবও পাৰে হয়তো কৰবাত কৰিবও পাৰে। এইটো হলেও যিবিলাক ঠাইত জিলা কংগ্ৰেছৰ মেম্বাৰ নাই সেইবোৰ ঠাই হয়তো বাদ পৰি যাব পাৰে আৰু সেই বাদ পৰি যোৱা ঠাইখনেই হয়তো পিচপৰা অঞ্চলৰ এখন ঠাই হব পাৰে। তেতিয়াহলে চৰকাৰৰ যিটো নীতি পিচপৰা অঞ্চল সমূহকো আগবঢ়া অঞ্চলৰ লগতে সমানে আগবঢ়াই আনিব লাগিব। সেই নীতিমতে যিটো প্ৰিফাৰেন্স দিয়া হৈছে সেই প্ৰিফাৰেন্স নাপাব আৰু সেই বিলাক ঠাই বঞ্চিত হৈ যাব। তাৰ উপৰিও ৰাজনৈতিক লীলাখেলা ভালকৈ চলাৰ সুবিধা হব। যে অমুকজন চি-পি আই মেম্বাৰ গতিকে তেওঁক ডিচ্‌ক্ৰেডিট দিয়াৰ কাৰণে তেওঁৰ এলেকাত কাম নকৰিব আৰু যাতে নমিনেচন নাপায় তাৰ কাৰণে চেষ্টা কৰিব।

Shri Bijoy Krishna Handique—Sir, whether the Hon. Member is airing any grievances ?

শ্ৰীগিয়াচুদ্দিন আহমেদ—যদি এই কথা বিলাক সঁচা হয় এই গ্ৰিভেন্স বিলাকো সঁচা হব আৰু যদি মিছা হয় এই কথাটো মই ইয়াতেই সামৰিলো।

অধ্যক্ষ মহোদয়, মই কব খুজিছো যে ৰাজনৈতিক ক্ষেত্ৰত জনসাধাৰণৰ সহযোগিতাৰ যেনেকৈ প্ৰয়োজন আছে ঠিক তেনেকৈ শিক্ষাৰ ক্ষেত্ৰতো জনসাধাৰণৰ প্ৰয়োজন আছে আৰু প্ৰশাসনীয় সকলো বিলাক ক্ষেত্ৰতে আগবাঢ়ি লৈ যোৱাৰ কাৰণে জনসাধাৰণো এই বিলাক ক্ষেত্ৰত ইনভল্ভ থাকিব লাগিব। মহকুমাৰ পৰ্য্যায়ত যি বিলাক কমিটি থাকিব সেই কমিটিত কোন থাকিব আৰু কোন নাথাকিব সেইবোৰ কথা ভালকৈ চাই চিতি কৰিব লাগিব। বিধান সভাৰ মাননীয় সদস্য সকল এই কমিটিত থাকিব কিন্তু কাৰবাৰ যদি বিশেষ ধৰণৰ ত্ৰুটি থাকে তেতিয়াহলে চৰকাৰে ইচ্ছা কৰিলে নাৰাখিবও পাৰিব। এই সম্পৰ্কত মই এটা কথা কব খুজিছো যে ৰেজিঅ'নেল বোৰ্ড যেতিয়া কৰা হৈছিল তাত বহুত কিছুমান ত্ৰুটি বিচ্যুতি থকা সত্বেও বহু কথা অৱশ্যে ভাল আছিল। অন্ততঃ সমভাৱে বিতৰণ কৰাৰ ব্যৱস্থা আছিল। কোনো অঞ্চল বাদ পৰা নাছিল। কিন্তু এটা ত্ৰুটি হৈছিল চাকৰিৰ ক্ষেত্ৰত। চাকৰি দিয়াৰ ক্ষেত্ৰত কোনো পদ্ধতি মতে কৰা হোৱা নাছিল আৰু তাৰ ফলত বহুত অভিযোগ আমি শুনিবলৈ পাইছো। বিশেষকৈ ধুবুৰী মহকুমাৰ ৰেজিঅ'নেল বোৰ্ডৰ কথাই কৈছো যে মোৰ অভিজ্ঞতা আছে তাত কোনো প্ৰচিডিউৰ ফ'ল' কৰা হোৱা নাছিল পিচত কেনেকৈ ইণ্টাৰভিউ লব, কেনেকৈ দৰ্খাস্ত গ্ৰহণ কৰিব, বিজ্ঞাপন কেনেকৈ দিব, চাকৰিত নিযুক্তি কেনেকৈ দিয়া হব ইত্যাদি বিষয়ক প্ৰচিডিউৰ এখন লিখিত ভাৱে মিটিঙত দিছিলো, আৰু চাৰি নে পাচ খন মিটিঙৰ পিচত সেইটো যুদ্ধ কৰি সেইটো গৃহীত কৰাইছিলো, পাচ কৰাইছিলো কিন্তু সেইটোও ফ'ল' কৰা হলে নহল। যিয়ে যাক খাতিৰ কৰে সেইমতে চাকৰি দিয়া হল। অমুক জন ল'ৰাই ইলেকচনত সহায় কৰি দিছিল গতিকে দিয়া হওঁক ইত্যাদি কাৰণত মেৰিট জাজ কৰা আৰু নহ'ল।

অমুক ল'ৰাটোৱে ইলেকচনত মোৰ কাৰণে ইমান খাটিছে তেওঁক

চাকৰিটো দিয়া যাওক। ল'ৰাটোৰ যোগ্যতা থাকিলেও সেই কথাটো মনত পৰে। আচলতে মেৰিট জাজ কৰা নহয়। ইচ্ছাকৃত বা অনিচ্ছাকৃত ভাবে হলেও কিছুমান কথাত খেলিমেলি নিশ্চয় ৰিজিঅ'নেল ব'ৰ্ড বিলাকত সদস্য সকলে কৰিছো। সেইটো দোষৰ পৰা হাত সাৰিব নোৱাৰো। ক্লিয়েৰ কাট এটা পদ্ধতি ৰিজিঅ'নেল বৰ্ড বিলাকত নিদিয়াৰ ফলতেই খেলিমেলি হৈছে। এই ক্ষেত্ৰত মোৰ পৰামৰ্শ হ'ল আমি ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি হিচাবে গোটেই অঞ্চলটোত সমভাবে প্ৰতিনিধিত্ব কৰো। গতিকে তেওঁলোকক নিশ্চয় এইটোৰ দায়িত্ব দিব পাৰি। মহকুমা পৰ্য্যায়ত এইটো চাবৰ কাৰণে যদি নিৰ্দ্দিষ্ট নিয়মৰ ভিতৰত থাকি কাম কৰিবলৈ দিয়া হয় তেতিয়াহলে বস্তুটো গণতান্ত্ৰিক হব। তাকে নকৰি যদি বাকী কিছুমান লোৱা হয় তেনেহলে খেলিমেলি হোৱাৰ সম্ভাৱনা আছে। আমাৰ শিক্ষা পদ্ধতিটোক বাহঁ গছৰ লগত তুলনা কৰিব পাৰি। পোনে পোনে ওপৰলৈ উঠিছে। লিখা পঢ়া কৰি ওপৰলৈ উঠি থাকে, ইফালে সিফালে যোৱাৰ কোনো উপায় নাই। ঠাল ঠেঙুলি নাই। সেই কাৰণে মাটিত বাগৰি পৰে নতুবা গছ জোপাই উঘালি পৰে। শিক্ষা পদ্ধতিটো বহুমুখী হব লাগিব। চাৰিও ফালে যোৱাৰ পথ মুকলি হব লাগিব অৰ্থাৎ বট গছৰ দৰে ঠাল ঠেঙুলি বিয়পি পৰিলে নিবনুৱা সমস্যা নহব। কেৰাণি সৃষ্টি কৰাৰ যিটো ব্যৱস্থা সেইটো বৃটিচ আমোলৰ পৰা চলি আছে। মিচনেৰী সকলে শিক্ষা প্ৰচাৰ কৰাৰ কাৰণে চেষ্টা কৰিছিল। আমাৰ দেশত সেই সময়ৰ যিটো ব্যৱস্থা আছে সেইটোৰ আমোল পৰিবৰ্তনৰ প্ৰয়োজন হৈছে। এই সম্পৰ্কত ভাৰত চৰকাৰে কমিচন নিযুক্ত কৰিছিল আৰু কমিচনে ৰিপোৰ্ট দিছে। আমাৰ শিক্ষা পদ্ধতিটোৰ ওপৰত পৰীক্ষা চলি আছে। আমাৰ চৰকাৰে শিক্ষা পদ্ধতিত নিশ্চয় চকু দিব লাগিব। নিবনুৱা সমস্যাৰ কথাটো চিন্তা কৰি শিক্ষা ব্যৱস্থাত কাৰিকৰী শিক্ষাৰ ব্যৱস্থা থকা দৰকাৰ। সুতা কটা ব্যৱস্থা যিটো সেইটো হ'ল, বেচিক এডুকেচনৰ ব্যৱস্থা, তাক মই সমৰ্থন কৰো। কিন্তু আজি বিজ্ঞানৰ যুগত প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ

যুগত অকল সূতা কাটি থাকিলে নহব। চিম্বল হিচাবে তাক গ্ৰহণ কৰিব পাৰি কিন্তু লগে লগে মেচিন ব্যৱহাৰৰ কথা শিকাব লাগিব। গতিকে কাৰিকৰী বিদ্যাৰ শিক্ষা হাইস্কুল বিলাকত থকা উচিত। আই টি, আই আদি নিশ্চয় থাকিব। ওৱাৰ্ক এক্সপেৰিয়েঞ্চ ব্যৱস্থাৰ জৰিয়তে শ্ৰমৰ মূল্য ছাত্ৰ সকলক শিকাবৰ ব্যৱস্থা কৰা হৈছে। অকল সেইটোৱেই যথেষ্ট নহয়। এই ক্ষেত্ৰত মই পৰামৰ্শ দিব বিচাৰিছো যে প্ৰত্যেক হাইস্কুলত কাৰিকৰী শিক্ষা দিয়াৰ একোটা বিভাগ খুলি দিয়া উচিত। অকল সূতা কটা শিক্ষা দিয়াই নহয়, লগতে নানা ৰকমৰ যন্ত্ৰ পাতিৰ শিক্ষা দিব লাগিব। কৃষিৰ বৈজ্ঞানিক যন্ত্ৰপাতি, মটৰ মেকানিক আদিৰ যন্ত্ৰ পাতিৰ শিক্ষা দিব লাগিব। ছাত্ৰ বিলাকৰ জীৱনৰ এটা বহল দৃষ্টিভঙ্গি সৃষ্টি কৰাৰ চেষ্টা কৰিব লাগিব।

স্ত্ৰী শিক্ষা অনুন্নত গাওঁ অঞ্চল বিলাকত প্ৰচাৰ কৰিব লাগিব। গাওঁ অঞ্চলৰ য'ত মুছলমানৰ সংখ্যা বেচি তাত পৰ্দ্দাৰ ব্যৱস্থা গুচাব নোৱাৰিলে একো নহব। একমাত্ৰ স্ত্ৰী-শিক্ষাৰ ব্যাপক প্ৰসাৰণৰ কাৰণে ব্যৱস্থা কৰাত জোৰ দিব লাগিব। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছো।

* শ্ৰীলক্ষ্মীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, শিক্ষা শিতানত মুখ্যমন্ত্ৰী মহোদয়ে যি কেইটা দাবী মঞ্জুৰী বিচাৰিছে তাৰ সমৰ্থনত কেইটামান পৰামৰ্শ দিব খুজিছো। সদনত ইতিমধ্যে শিক্ষা সম্পৰ্কত যথেষ্ট কথা আলোচনা হৈছে আৰু তাত দুটা কথা ওলাই পৰিছে। এটা হ'ল চৰকাৰৰ নিয়ন্ত্ৰণ আৰু আনটো হ'ল শিক্ষা সম্প্ৰসাৰণ সম্পৰ্কত। আলোচনাত অংশ গ্ৰহণ কৰা অধিকাংশ সদস্যই এটা কথা স্বীকাৰ কৰিছে যে শিক্ষা বিষয়টো এনে এটা বিষয় যি বিষয়টোত গোটেই দেশৰ নাগৰিক প্ৰস্তুত কৰে। এনেকুৱা এটা বিষয় চৰকাৰে নিয়ন্ত্ৰণ নকৰাকৈ কেতিয়াও এৰি দিব নোৱাৰে। শিক্ষাৰ প্ৰসাৰতা নাই হোৱা বুলি ইতিমধ্যে অভিযোগ হৈছে। শিক্ষাৰ

* Speech not corrected.

প্ৰসাৰ যথেষ্ট হৈছে, এই সম্পৰ্কত তথ্যপাতি দাঙি ধৰি সময় নষ্ট কৰিব বিচৰা নাই। নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে ব্যৱস্থা লৈছে। আজি আমাৰ শিক্ষিতৰ হাৰ ২৯ শতাংশ হৈছে। আজি পুৱা আলোচনা কালত শ্ৰীসোনেশ্বৰ বৰাই কৈছে যে স্বাধীনতা লাভ কৰা সময়ত যিটো সংখ্যা আছিল এতিয়াও সেই সংখ্যাটো আছে। এইটো যদি আমি ভালকৈ পৰ্য্যালোচনা কৰি চাও তেন্তে দেখিম যে আমাৰ স্বাধীনতাৰ সময়ত যিটো সংখ্যা আছিল, সেই সংখ্যাটোৰ বহুত পৃথককৰণ হৈ গ'ল।

শ্ৰীসোনেশ্বৰ বৰা—মোৰ কোৱাটো বুজি নাপালে। মই কৈছিলো যে স্বাধীনতাৰ দিনত আমাৰ যিমান জনসংখ্যা আছিল সেই সংখ্যা আজি নিৰক্ষৰ।

* শ্ৰীলক্ষ্মীকান্ত শইকীয়া – বৰা ডাঙৰীয়াই কোৱা কথাটো সত্য নহয়। কাৰণ সেই সময়ত থকা বহুত মানুহ অসমৰ পৰা ভাগ ভাগ হৈ গ'ল। মই বিদ্বেষ মূলক ভাবত কোৱা নাই—ইতিমধ্যে অসমলৈ বাহিৰৰ লোক আহিছে। বাহিৰৰ পৰা অহা সকলৰ বেচি ভাগেই নিৰক্ষৰ। বাহিৰৰ পৰা অহা সকলৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। চাপৰিত বাস কৰা আৰু গোৰ্খা সকলৰ সংখ্যাটো লগ লাগি তেনেকুৱা সংখ্যা হৈছে।

আমাৰ শিক্ষা ব্যৱস্থা ৰাষ্ট্ৰীয় নীতি অনুসৰি ১ যোগ ২ যোগ ৩ হৈছে। এই পদ্ধতিটোৰ বহুত খেলি মেলি আছে বুলি কৈছে। খেলি মেলিৰ প্ৰশ্ন নুঠে। ৰাষ্ট্ৰীয় পৰ্য্যায়ত যিটো ব্যৱস্থা গ্ৰহণ কৰিছে, সেইটো ভাল হৈছে আৰু তাক পুনৰ বিবেচনা কৰাৰ স্থল নাই। বৰং তাৰ কাৰণে যি খিনি আহিলাপাতিৰ দৰ্কাৰ সেইখিনি ব্যৱস্থা কৰিব লাগে। মই আন এটা কথা কব বিচাৰিছোঁ যে মোৰ বোধেৰে শিক্ষাৰ এনে এটা ব্যৱস্থা হব লাগে যাৰ যোগেদি আমি আমাৰ দেশৰ নাগৰিক সকলক প্ৰকৃততে আমি যাতে নাগৰিক কৰি তুলিব পাৰোঁ। ইয়াৰ উপৰিও আমাৰ যিবিলাক উন্নয়নমূলক আঁচনি আমি ৰচিছোঁ তাক যাতে ঠিক মতে কাৰ্যকৰী কৰিব পাৰোঁ তাৰ কাৰণে আমাৰ যি খিনি মেন পাৱাৰৰ

* Speech not corrected

দৰ্কাৰ সেইখিনি যাতে পৰ্য্যাপ্ত পৰিমানে, উপযুক্ত কৰি তুলিব পাৰোঁ। তালৈ লক্ষ্য ৰাখিব লাগিব। ইয়াৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ কাৰণে আমাৰ যিখিনি টকা ধৰা হৈছে সেই খিনি নিশ্চয় পৰ্য্যাপ্ত নহয়। তাৰ কাৰণে আমাক আৰু বেছি টকাৰ দৰ্কাৰ। আমি এই সকলো ফালে লক্ষ্য ৰাখি আমাৰ শিক্ষাৰ ক্ষেত্ৰত আৰু কিছু টকাৰ ব্যৱস্থা কৰিব লাগিলে ঋণ কৰাৰ প্ৰয়োজন হব। অৱশ্যে এইটোও ভাবিবলগীয়া কথা যে ইয়াৰ কাৰনে ঋণ কৰি সেই ঋণৰ বোজা ৰাইজৰ ওপৰত দিয়াতো সমীনচী হবনে নহয়। আনহাতে এনেকুৱা এটা দৰ্কাৰি বিষয়ত আমি টকাৰ চিন্তা কৰিলেও নহব। আমাৰ জনসাধাৰনক শিক্ষিত কৰিবলৈ আমি ঋণ কৰাতো উচিত নহয়। গণতান্ত্ৰিক দেশ এখনত নাগৰিকক সুনাগৰিক কৰি গঢ়ি তুলিবলৈ হলে ঋণ কৰি হলেও টকা খৰচ কৰিবই লাগিব। কাৰণ ইতিপূৰ্বে আমাৰ যি নিৰক্ষৰ অৱস্থা আছিল সেই অৱস্থাৰ ২৯ লৈকে আমি গৈছোঁ। এতিয়াও বহুত বাকী আছে। এই কথাটো গভীৰ ভাৱে বিবেচনা কৰি শিক্ষাৰ ক্ষেত্ৰত আৰু টকা ধাৰ্য্য কৰিব পৰা হয়নে নহয় সেইটো এটা চিন্তাৰ বিষয় হোৱা উচিত। যি হওক বৰ্ত্তমান আমি সংবিধান সন্মত ভাৱে শিক্ষাৰ প্ৰসাৰতা বঢ়াবলৈ হলে প্ৰথমতে যাতে আমি প্ৰাইমেৰী পৰ্য্যায়ত শিক্ষাৰ উৎকৰ্ষসাধন কৰিব পাৰো তাৰ ব্যৱস্থা কৰিব লাগিব। এই মৰ্মে প্ৰতিখন প্ৰাথমিক বিদ্যালয়তে গ্ৰি প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰাৰ কাৰণে অন্ততঃ প্ৰতিখন স্কুলতে একোজন শিক্ষক হলেও প্ৰশিক্ষন দিয়াৰ আৱশ্যক হৈছে। এতিয়াও আমাৰ কেইটামান কথা অমীমাংসিত হৈয়ে আছে এইটো কথা আমি চোৱা উচিত। আমি ইতিমধ্যে আমাৰ প্ৰাথমিক বিদ্যালয় বিলাক চৰকাৰীকৰণ কৰিছোঁ। প্ৰাথমিক বিদ্যালয় বুলিলে আমাৰ মজলীয়া খাপলৈকে ধৰে এই মজলীয়া খাপতে কিছুমান ইংৰাজী মজলীয়া স্কুল, কিছুমান অসমীয়া মজলীয়া স্কুল আৰু কিছুমান মাদ্ৰাছা মজলীয়া স্কুল আছে। এই সকলো বিলাককে চৰকাৰীকৰণ কৰি এটা পৰ্য্যায়লৈ অনাটো নিতান্ত প্ৰয়োজন আৰু সেই বিলাক একে পৰ্য্যায়লৈ উন্নিত কৰি তাত যিবিলাক শিক্ষাৰ সা-সজুলিৰ

আৱশ্যক তাৰো ব্যৱস্থা কৰাৰ দৰ্কাৰ। ইয়াৰ লগতে উল্লেখ কৰিব পাৰি যে আমাৰ মহামানৱ মহাত্মা গান্ধীয়ে যি বুনিয়াদী শিক্ষা পদ্ধতিৰ কথা ভাবিছিল সেইটো অতি সুন্দৰ পদ্ধতি। এই বুনিয়াদী পদ্ধতিয়েই মাধ্যমিক বিদ্যালয়লৈ প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা হৈছে তাৰ লগতে অসমীয়া, ইংৰাজী আদি যিবিলাক মজলীয়া বিদ্যালয়ৰ ক্ষেত্ৰতো এই বুনিয়াদী পদ্ধতি আৰম্ভ কৰিব লাগে। গতিকে ইয়াৰ কাৰণে প্ৰস্তুত হবলৈ আমাৰ কিছুমান মজলীয়া বিদ্যালয়ৰ শিক্ষকক প্ৰশিক্ষন দিয়াৰো ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও আমাৰ কাৰিকৰী প্ৰশিক্ষন সম্বন্ধে আমি আৰু উচ্চপৰ্য্যায়লৈ যাব লগীয়া হৈছে। গতিকে আমাৰ কাৰিকৰী প্ৰশিক্ষনটো কিমান আৱশ্যকীয় সেই বিষয়টোলৈও চোৱা উচিত এই সদনৰ মোৰ এটা প্ৰশ্নৰ উত্তৰত এসময়ত আমাৰ শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিছিল যে আমাৰ যিখিনি কাৰীকৰী বিষয়া শিক্ষিত লোকৰ আৱশ্যক সেইটো আমি বৰ্ত্তমান আমাৰ মহাবিদ্যালয়বিলাকৰ পৰা পোৱা নাই। মই এই সদনতে কেইবাৰো কৈছো যে আমাৰ বিদ্যালয় বিলাক যি পৰিমাণে বাঢ়িছে সেই অনুপাতে আমি টকা পইছা বঢ়াব পৰা নাই আৰু পৰ্য্যাপ্ত পৰিমানে সেই বিদ্যালয় বিলাকত সাহায্য দিব পৰা নাই। ইয়াৰ উপৰিও আজি আমাৰ বিদ্যালয় বিলাকৰ পৰিসৰ যিমানে বাঢ়িছে সেই অনুপাতে আমি পৰিদৰ্শনৰ ক্ষেত্ৰত টকা খৰচ কৰিব পৰা নাই। আৰু আমাৰ পৰিদৰ্শক সকল আধাহে শিক্ষা সম্পৰ্কীয় বিষয়ত জৰিত থাকে। বাকীখিনি শিক্ষাৰ বাহিৰৰ বিষয়ৰ লগত জড়িত হৈ থাকে। আমাৰ ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু পৰিদৰ্শন পৰিষদে ১৯৬৯ চনতে চলোৱা এটা সমীক্ষাৰ পৰা পোৱা গৈছে যে অন্ধ্ৰপ্ৰদেশত আটাইতকৈ কম অৰ্থাৎ শতকৰা ৫৫ ভাগ আৰু অসমত আটাইতকৈ বেচি অৰ্থাৎ শতকৰা ৯০ ভাগ। সেই ধৰণে পৰিদৰ্শন আৰু সঞ্চালনত যিমান টকা খৰচ কৰা তাৰ অনুপাতে বিহাৰত আটাইতকৈ বেচি শতকৰা ৩ ভাগ আৰু অসমত আটাইতকৈ কম অৰ্থাৎ ৬ ভাগহে মাত্ৰ। সেই অনুপাতে সৰ্ব্বভাৰতীয় খৰচ হ'ল ২'২ ভাগ। গতিকে আমাৰ পৰিদৰ্শকসকলক দোষ দিলেই নহব তেওঁলোকক সুবিধাও

দিব লাগিব। এই বিষয়তো কিছু পৰিমাণে উন্নত কৰিব পাৰিলেই আমাৰ শিক্ষাৰ পৰিসৰ বহুগুণে বাঢ়িব। এই বিষয় মই এটা পৰামৰ্শ দিব খোজো যে আমাৰ প্ৰত্যেক জিলাতে বৰ্ত্তমান যি পৰিদৰ্শক আছে অৰ্থাত জিলাবিলাকত যি শিক্ষা বিষয়া হিচাপে দিয়া হৈছে তেওঁৰ তত্বাবধানত আৰু এজনকৈ সহকাৰী শিক্ষা বিষয়া দিব পাৰে আৰু সেই শিক্ষা বিষয়াজনে সেই মহকুমাত যি খিনি প্ৰাথমিক, মাধ্যমিক মজলীয়া স্কুল আছে সেই বিলাকৰ পৰিদৰ্শন আৰু তত্বাৱধান কৰিব। মই ইয়াতেই এটা কথাৰ উল্লেখ কৰিছো যে বৰ্ত্তমানে এই পৰিদৰ্শক আৰু তত্বাৱধায়ক সকল তেজপুৰৰ পৰা মঙলদৈলৈ আহি বিদ্যালয় পৰিদৰ্শন কৰিব লাগে অথচ তাৰ কাৰণে ভ্ৰমনাদিত যিমান খৰচ হব লাগে সেইটো দিয়া হোৱা নাই। সেই কাৰণে মই কৈছো যে প্ৰতি মহকুমাতে এজন সহকাৰী শিক্ষা বিষয়া দিব লাগে। যদি প্ৰত্যেক মহকুমাতে এই পৰিদৰ্শন ব্যৱস্থা কৰা হয় তেতিয়াহলে সুশাসন হব আৰু ৰাইজ উপকৃত হব আৰু প্ৰসাসনো আগবাঢ়ি যাব পাৰিব বুলি মোৰ বিশ্বাস। ইতিমধ্যে প্ৰত্যেক জিলাতে শিক্ষক সকলৰ কাৰণে বেচিক ট্ৰেইনিং চেণ্টাৰ খুলিছে। এই কেন্দ্ৰ বিলাকত প্ৰি প্ৰাইমেৰী শিক্ষক সকলক মজলীয়া ইংৰাজী, অসমীয়া মজলীয়া স্কুলৰ শিক্ষক সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। তাৰ কাৰণে যদি এটা মহা বিদ্যালয়ৰ আৱশ্যক হয় সেইটোও হব পাৰে। ইতিমধ্যে তেনে এখন অনুষ্ঠান গুৱাহাটীত চৰকাৰীকৰণ কৰা হৈছে। তেনেকৈ অন্যান্য ঠাইতো যিবিলাক প্ৰশিক্ষন কেন্দ্ৰ আছে তাকো চৰকাৰী কৰণ কৰিব লাগে। যি হওক শিক্ষা বিষয়ত আমি যিখিনি ইয়াতে আলোচনা কৰিছো সেই খিনিয়েই যথেষ্ট নহয় তাৰোপৰি এসময়ত আমাৰ শিক্ষা মন্ত্ৰীয়ে আৰু এটা কথাৰ অৱতাৰনা কৰিছিল সেইটো হৈছে আমাৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী। আমাধ এই সদনতে বহু সদস্যই মহা বিদ্যালয়ত সাধাৰণ শিক্ষা লাভ কৰাৰ লগতে এই শিক্ষাও লাভ কৰি আহিছে। তেখেতসকলে নিজেও জানে কিন্তু এই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীটো কেৱল মহাবিদ্যালয় বিলাকত সীমিত আছে।

সেই কাৰণে প্ৰত্যেক মাধ্যমিক আৰু উচ্চ মাধ্যমিক ১৮-৩ ৭৬ বিদ্যালয় সমূহত মহাবিদ্যালয়ৰ দৰে এই শিক্ষাৰ আৰম্ভ কৰি দিব লাগে।

তাৰ পিচত এই বিভাগৰ লগত সংগ্ৰহ আৰু পুৰাতত্ত্ব বিভাগ দুটা লগ হৈ আছে। যদিও আন আন ৰাজ্যত বেলেগ বেলেগ বিভাগ আমাৰ অসম চৰকাৰৰ এই বিভাগ দুটা একেলগ হৈ আছে আৰু ফলত পোনপোটী-য়াভাৱে কাম কৰিব পৰা নাই। সিদিনা প্ৰশ্নোত্তৰ কাল চোৱাত এই বিভাগৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে চিন্তা কৰি চাম বুলি কৈছে। গতিকে এই বিভাগ দুটা পৃথকীকৰণ কৰিলে তেওঁ-লোকে পোনপোটীয়াভাৱে কাম কৰিবলৈ কিছু সুবিধা পাব। শিক্ষা বিভাগৰ তলত আন এটা বিভাগ জৰিত হৈ আছে আৰু সেইটো হৈছে জিলা গেজেটিয়াৰচ্। এই বিভাগটো এনেয়ে বহুত দিনৰ পৰা পৰি আছে। মাত্ৰ এখন গেজেটিয়াৰচ প্ৰকাশ পাইছে ইয়াৰ পিচত আৰু হোৱা নাই ফলত গৱেষণা কৰা লোক সকল ইয়াৰ পৰা বঞ্চিত হৈছে। গতিকে এই বিভাগটো কিছু সজিব কৰিবলৈ আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিলো। শিক্ষা বিভাগৰ দায়িত্বত আন এটা আছে সেইটো হৈছে বিশ্বৰ ইতিহাস ৰচনা কৰিছিল সেইখন ঠিক তেনেধৰণেই থাকিল আজিলৈ প্ৰকাশ নহ'ল। এতিয়া আকৌ নতুনকৈ এখন বুৰঞ্জী ৰচনা কৰিব খুজিছে সেইটো খুব ভাল হৈছে কিন্তু লগে লগে আগৰ আঁচনি-খনো যাতে কাৰ্য্যকৰী কৰে তাৰ বাবে অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

ডাঃ কোষেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কব খুজিছো। স্বাধীনতাৰ পাচৰে পৰা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যি আমুল পৰিবৰ্ত্তন আনিব বিচাৰিছে সেই আমুল পৰি ন যি ধৰণে হব লাগিছিল সেই ধৰণে হোৱা নাই। আমাৰ চৰকাৰে এতিয়া ১২ বছৰীয়া পাঠ্যক্ৰমেৰে শিক্ষাৰ আমূল পৰিবৰ্ত্তন অনাৰ চেষ্টা কৰিছে আৰু সেই ১২ বছৰীয়া পাঠ্যক্ৰমত কৰ্ম্ম অভিজ্ঞতাও এটা বিষয় দিয়া হৈছে। কিন্তু এই বিষয়ত শিক্ষাদান কৰিবলৈ যাওঁতে চৰকাৰে বিদ্যালয় সমূহক যি ধৰণে সহায় সহযোগ আগবঢ়াব লাগিছিল সেই ধৰণে সহায় সহযোগ আগবঢ়াব পৰা নাই। এই বাৰ আকৌ এই বিষয়টোৰ ওপৰত মেট্ৰিক

পৰ্য্যায়ত পৰীক্ষা হব আৰু তাত ভেনচাৰ স্কুল সমূহেও অন্যান্য স্কুল বিলাকৰ লগতে পৰীক্ষা দিব লাগিব কিন্তু এই বিষয়ত ভেনচাৰ স্কুল সমূহক যি ধৰণে চৰকাৰে সহায় সহযোগ আগবঢ়াব লাগিছিল সেই ধৰণে আগবঢ়োৱা নাই। গতিকে মই ভাবো কৰ্ম্ম অভিজ্ঞতাৰ কাৰণে অন্যান্য ঘাটি মঞ্জুৰীপ্ৰাপ্ত বা চৰকাৰী স্কুল সমূহে যি সুবিধা পায় সেই সুবিধা ভেনচাৰ স্কুলবিলাককো দিব লাগে। ১২ বছৰীয়া শিক্ষাৰ পাঠ্যক্ৰমত প্ৰাক প্ৰাথমিক শিক্ষাও এটা বিষয়। কিন্তু চৰকাৰে যি মৰসাহ লৈ ভাৰতৰ আন আন প্ৰদেশৰ দৰে আমাৰ দেশতো প্ৰাক প্ৰাথমিক শিক্ষা প্ৰচলন কৰিব বিচাৰিছে তেনেকৈ পৰা নাই। কাৰণ চৰকাৰে কয় আমাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ অভাব, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাব আৰু তাৰ কাৰণে মাত্ৰ অসমত এটাই কেন্দ্ৰ আছে আৰু এই বছৰ এটা হব বুলি কৈছে। মই ভাবো আমাৰ যিবিলাক বুনীয়াদি প্ৰশিক্ষণ কেন্দ্ৰ আছে সেই প্ৰশিক্ষণটো মাত্ৰ নামত হৈছে কামত হোৱা নাই গতিকে তাৰ দুই এটা বিষয় উঠাই দি তাৰ লগত এই প্ৰাক প্ৰাথমিক বিষয়টো সোমাই দিব লাগে আৰু তেতিয়াহে দ্ৰুত গতিত কিছু প্ৰসাৰ হব নহলে চৰকাৰে যিমানে মৰসাহ নকৰক ১০০ বছৰতও এই শিক্ষাৰ প্ৰচলন নহব। আৰু মই ভাবো এই প্ৰশিক্ষন ২ বছৰৰ ঠাইত আৰু ৬ মাহ বঢ়াই দিব লাগে নহলে প্ৰতিটো কেন্দ্ৰত এজনকৈ শিক্ষক দিলে এই আঁচনি সম্পূৰ্ণ হব।

তাৰ পিচত প্ৰাথমিক স্কুলবিলাকৰ শিক্ষক বিলাকৰ চাকৰী চৰকাৰী কৰণ কৰাৰ পাচত তেওঁলোকৰ কিছুমান নতুন সদস্য হৈছে আৰু দৰ্ম্মহা আদি দিয়াৰ ক্ষেত্ৰত চূড়ান্ত ৰূপ লৈছে কাৰণ কেন্দ্ৰৰ পৰা এজন শিকক আহি নিজে ট্ৰেজাৰীৰ পৰা দৰ্ম্মহা আদি নিওতো এজন শিক্ষকৰ ৩-৪ দিন জিৰাতে লাগে কাৰণ তেওঁলোক ৬০-৭০ মাইল দূৰৰ পৰা আহে আৰু হোটেলত থাকিবলগীয়া হয়। ফলত তেওঁলোক বিপদৰ সন্মুখীন হবলগীয়া হয় আৰু কেতিয়াবা মাৰ্দাৰ আদিও হোৱা দেখা যায়, গতিকে এই বিষয়ত চৰকাৰে কিছু দৃষ্টি দিব লাগে। তাৰ পিচত আমাৰ ট্ৰেজাৰী বিলাকেও কিছু গোলমাল কৰে। আমাৰ তেজপুৰ ট্ৰেজাৰীত

কেবাখনো ভুৱা বিল বা মিছা বিলে স্কুলৰ অনিষ্টসাধন কৰিছে। ১৯৭২ চনত দুখন স্কুলত ২২ হাজাৰ টকা দাবুল পেমেণ্ট হৈছে আৰু ১৯৭৫ চনত চাৰিআলী উচ্চ মাধ্যামিক আৰু বহুমুখী বিদ্যালয়ৰ ৩০ হাজাৰ টকা ট্রেজাৰী অফিছৰ পৰা স্কুল অথোৰিটিয়ে নিনি আন কোনোবাই লৈ গ'ল, আৰু তাৰ কাৰণে শিক্ষক সকলে দৰ্মহা নোপোৱাকৈয়ে থাকিল। জৰুৰী অৱস্থাতো চৰকাৰৰ চোকা দৃষ্টি থকাতো যদি এই দৰে চৰকাৰৰ ভৰালৰ পৰা দূৰ্বৃত্তই টকা লৈ যায় তাতকৈ দুখৰ কথা কি হব পাৰে? কিন্তু এই কেচটোত ট্রেজাৰী অফিছাৰৰ প্রতি সন্দেহ হয় কাৰণ তেখেতে কেচটো অ' চি বা এচ পিক নিদি একেবাৰে জিলাৰ অতিৰিক্ত আৰক্ষী অধিক্ষকক দিছেগৈ। কেচটো বৰ লেহেম গতিত চলি আছে আৰু তাৰ কাৰণে শিক্ষক সকলৰো অসুবিধা হৈছে। আনহাতে জৰুৰী অৱস্থা চলি থকা অৱস্থাতো চৰকাৰৰ ভৰালৰ পৰা টকা নিয়াত সেই অঞ্চলত আলোড়নৰ সৃষ্টি হৈছে। গতিকে এই বিষয়ে বিশেষ ব্যৱস্থা লব লাগে। আনহাতে প্রাইমাৰী স্কুলৰ শিক্ষক সকলৰ দা দৰ্মহাৰ ক্ষেত্রত যিবিলাক বেমেজালিয়ে দেখা দিছে সেইবিলাক পৰিতাপৰ কথা। গতিকে এই বিষয়ে মই আপোনাৰ জৰিয়তে মুখমন্ত্রী, শিক্ষামন্ত্রী আৰু গৃহমন্ত্রীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

ইয়াৰোপৰি যি ধৰণেৰে শিক্ষা বিষয়ত অগ্রগতি হব লাগিছিল সেই ধৰণেৰে হোৱা নাই। এই কথা সকলোৱে স্বীকাৰ কৰিছে। গতিকে মই আশা ৰাখিছো এই ক্ষেত্রত যিমান খিনি টকা খৰচ কৰিব লাগে তাতকৈ বহুত বেছি খৰচ কৰি হলেও যাতে স্কুল বোৰত প্রকৃত শিক্ষা দিয়া হয় তাৰ কাৰণে দৃষ্টি দিব লাগে আৰু এই শিক্ষা বিষয়ক কথাটো যাতে ৰাজনীতিবিদৰ পৰা শিক্ষাবিদৰ হাতলৈ যায় এই কথা মন কৰিব লাগে। আমাৰ দুই এজন সদস্যই কৈ গৈছে যে আমাৰ শিক্ষা বিষয়টো ৰাজনীতিবিদৰ হাতত পৰা কাৰণেই আজি শিক্ষাৰ ইমান চৰম দূৰ্দশা হৈছে। গতিকে, এই বিষয়টো প্রকৃত শিক্ষা বিদৰ হাতত দিয়া হয় এই কথাটোলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীমতী ৰেবতী দাস—মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত দিয়া কৰ্ত্তন প্রস্তাৱটোৰ বিৰোধীতা কৰি মই দুটামান পৰামৰ্শ আগবঢ়াবলৈ লৈছো।

কেইবাজনো মাননীয় সদস্যই এই শিতানত আলোচনা কৰি গৈছে। শিক্ষাই মানুহৰ অন্ধতা দূৰ কৰে—এই কথাটো আমি সৰু সৰু ল'ৰা-ছোৱালীক কওঁ আৰু গাঁৱলৈ গলেও গাওঁৰ মানুহক আমি এই কথাটো কওঁ। আজি আমাৰ শিক্ষিতৰ সংখ্যা হৈছে শতকৰা ২৮ ভাগ। বাকী শতকৰা ৭২ ভাগ নিৰক্ষৰ হৈ আছে। সেইকাৰণেই এই কথাখিনিত আমি বহল দৃষ্টি ভঙ্গী দিব লাগিব। শিক্ষিত আৰু নিৰক্ষৰৰ মাজত ব্যৱধান কিমান এইটো আজি আমি চিন্তা কৰি চাব লাগিব। স্কুল বিলাকত গ্ৰাণ্ট দিয়া বা অন্যান্য কিছুমান সুবিধা দিয়া হয়, এই বিলাকৰ মাজত কিছুমান আসোঁৱাহ থকাৰ কাৰণে এই বিষয়টো আগবঢ়াই নিব পৰা নাই। দেখা গৈছে স্কুলবিলাক পৰিচালনা কৰিবৰ নিমিত্তে কিছুমান কমিটি কৰি দিয়া হয়। এই কমিটি বিলাকত বহুতো খেলি মেলি থকা দেখা যায়। যিহেতু ইয়াত এম, এল, এৰ কথা নাই, কিন্তু তাত দেখা যায় কিছুমান ক্ষমতাবান লোকে ডি, আই, অফিচত বা ইন্সপেক্টৰ অফিচত গৈ ঘূৰি ফুৰে। ফলত কিছুমান খেলি-মেলিৰ সৃষ্টি হয়। এই দৰে এই অফিচ বিলাকলৈ মানুহ গৈ যাতে খেলি-মেলিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ কাৰণে দৃষ্টি দিব লাগে। অফিছ বিলাকলৈ যাতে শিক্ষক সকল অহা যোৱা কৰি সময় কটাব আৰু ঘূৰি ফুৰিব লগীয়া নহয় তাৰ বাবে তেওঁলোকৰ প্ৰাপ্য খিনি আৰু স্কুলৰ গ্ৰাণ্ট নাইবা আন আন সুবিধাবোৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ যি শতকৰা ৭২ ভাগ লোক নিৰক্ষৰ হৈ আছে তেওঁলোক সাধাৰণতে গাওঁত বাস কৰে। কুৰি দফীয়া অৰ্থনৈতিক আঁচনিৰ যি ভাবে প্ৰচাৰ গাওঁবিলাকত হব লাগিছিল সেইদৰে হোৱা নাই। আধুনিক দৃষ্টি ভঙ্গী থকা কিতাপ আদি প্ৰচাৰ কৰি গাওঁবিলাকত এই শিক্ষাৰ ক্ষেত্ৰত লোৱা আধুনিক দৃষ্টি-ভঙ্গীৰ কথা বিলাক প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ গাওঁবিলাকত যিবিলাক লাইব্ৰেৰী আছে সেইবিলাকত এনেধৰণৰ কিতাপবোৰ দি বিতৰণৰ ব্যৱস্থা কৰিব লাগে। ১৫৫২ টা লাইব্ৰেৰী আমাৰ দেশত আছে। এই লাইব্ৰেৰীবিলাকৰ জড়িয়তে শিক্ষাৰ কি আধুনিক সংস্কাৰ কৰা হৈছে, কিমান

অগ্ৰগতি লাভ কৰা হৈছে এই বিলাক কথা প্ৰচাৰ কৰিব লাগে। ইয়াৰ দায়িত্ব যুৱক সকলক দিব লাগে যাতে তেওঁলোকে গাওঁবোৰত লাইব্ৰেৰীৰ যোগে প্ৰচাৰ কৰিব পাৰে। এনে কৰিলে আমাৰ বহুত মানুহ নিয়োগ কৰা হব আৰু গ্ৰাম্য শিক্ষাৰো অগ্ৰগতিও হব। যোৱাবাৰ যিটো শিক্ষা পদ্ধতি প্ৰচাৰ কৰা হল তাৰ বাবে বহুত ল'ৰা-ছোৱালীয়ে ফেইল কৰিলে। দেখা গৈছে কিছুমান স্কুল ১০-১৫ বছৰ হৈ গৈছে আৰম্ভ কৰা কিন্তু পাৰমিচন পোৱা নাই। সেই হেতুকে সেই স্কুলে নিজৰ ল'ৰা ছোৱালী আন স্কুলৰ জড়িয়তে পৰীক্ষা দিয়াব লগা হয়, ফলত নিজৰ স্কুলৰ কৃতিত্ব স্কুলে ৰাখিব নোৱাৰে। আনহাতে এই নতুন পদ্ধতিৰে যিবিলাক শিক্ষকে শিক্ষা দিছে তেওঁলোকৰ কোনো ট্ৰেনিং নাই। এইটো এটা বৰ ডাঙৰ কাৰণ হৈ পৰিছে। work experience ৰ কথা ইয়াত কোৱা হৈছে, এইটো এটা শলাগ লব লগা প্ৰচেষ্টা হৈছে! বিশেষকৈ কাৰীকৰী শিক্ষাৰ প্ৰতি ল'ৰা ছোৱালীক মনোনিবেশ কৰাটো উপযুক্ত সময় হৈছে। সেই কাৰণে কৃত্তিত্ব অনুসাৰে যাতে এই ক্ষেত্ৰত আগবাঢ়িব পৰা হয় তাৰ প্ৰতি পৰিষ্কাৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। শিক্ষক সকলৰো ব্যৱস্থা থাকিলে এই ক্ষেত্ৰত বিশেষ বুৎপত্তি লাভ কৰিব পাৰিব বুলি মোৰ ধাৰণা হয়। আজি দেখা গৈছে ব্লকবিলাকত লেডি এচ, চি. অ' মাত্ৰ ৫৩ গৰাকী আছে। এইটো সংখ্যা অতি কম হৈছে। তেওঁলোকৰ শিক্ষাগত অৰ্হতা গ্ৰেজুৱেট হব লাগে। আজি বহুতো ছোৱালীয়ে বি, এ, পাছ কৰি গাঁৱলৈ আহিবলৈ ইচ্ছুক হৈ আছে। এই ক্ষেত্ৰত অলপ অৱহেলা কৰা পৰিলক্ষিত হৈছে। গাঁৱৰ মহিলা সকলক আগবঢ়াই আনিব পৰা হলে আমাৰ বহুখিনি নিৰক্ষৰতা দূৰ হব। প্ৰত্যেক স্কুলতে হিন্দী শিক্ষক দিয়া হৈছে বুলি কোৱা হৈছে। কিন্তু দেখা যায় অধিক সংখ্যক স্কুলতে হিন্দী শিক্ষক নাই। আৰু হাইস্কুল বিলাকতো তিনিভাগৰ এভাগহে আছে আৰু এম ভি স্কুল বিলাকটো নাইয়েই। যিবিলাক স্কুলত হিন্দী শিক্ষক নাই তাত শিক্ষক নিয়োগ কৰি শিক্ষানীতি ব্যাপক প্ৰচাৰ কৰা উচিত। সেইদৰে প্ৰাক প্ৰাথমিক বিদ্যালয় বিলাকটো যোৱা বছৰ যি নীতি অৱলম্বন কৰা হৈছে সেইমতে স্কুল

বিলাক চৰকাৰীকৰণ কৰা হৈছে। এইটো শলাগিবলগীয়া কথা।

সেইদৰে প্ৰি-প্ৰাইমেৰী স্কুলৰ ক্ষেত্ৰটো যোৱা বছৰৰ পৰা সমষ্টি অনুযায়ী প্ৰি-প্ৰাইমেৰী স্কুল লোৱাৰ ব্যৱস্থা কৰিছে। জাতীয় কৰণ কৰাত তাৰ শলাগ লৈছোঁ। আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰীয়ে এই ক্ষেত্ৰত গভীৰ ভাৱে চিন্তা কৰিছে আৰু ভাবিছে। সেইকাৰণেই আজি প্ৰত্যেক ছয়বছৰীয়া ল'ৰাছোৱালীয়ে বিশেষকৈ টাউন বিলাকত এই সুবিধা পাইছে। আমি অকল টাউনৰ কথা চিন্তা কৰিলেই নহব গাওঁবিলাকৰ ল'ৰাছোৱালী বিলাকৰ কথাও চিন্তা কৰিব লাগিব। গাওঁ বিলাকত দেখা যায় যে, ১২।১৩ বছৰীয়া ল'ৰাইও টাঙোন গুটি খেলি ঘূৰি ফুৰে। স্কুলৰ অৱস্থা নাই। বহাৰ বেন্স নাই, ঘৰ দুৱাৰ ভগা ইত্যাদি নানান অসুবিধা। ল'ৰাছোৱালীয়ে ভঙা ঢাৰি বা বস্তা লৈ স্কুললৈ যাব লাগে। স্কুল ঘৰৰ বাৰান্দাত বহি পঢ়া-শুনা কৰিব লাগে। যি সকলেই আমাৰ দেশৰ আশা ভৰশাৰ থল, যি সকলক লৈয়েই দেশৰ সুনাগৰিক গঢ়াৰ চেষ্টা কৰিছে সেই সকল ল'ৰাছোৱালীয়েই এইধৰণে ব্যৱস্থা কৰিলে কেতিয়াও নহব। তেওঁলোকৰ কাৰণে ভাল ব্যৱস্থা কৰিব লাগে বুলি মই আমাৰ শিক্ষামন্ত্ৰীক অনুৰোধ কৰিছোঁ। ছয় বছৰীয়া ল'ৰাছোৱালীৰ কাৰণে বেছি সংখ্যক প্ৰি-প্ৰাইমেৰী স্কুল খোলাৰ ব্যৱস্থা কৰিব লাগে। বেছিকৈ গুৰুত্ব কৰিব লাগে। একোখন 'ৰেজিয়নেল ব'ৰ্ডে' ১০ খনকৈ ভেঞ্চাৰ স্কুল লব পাৰিছিল ফলত বৰ্ডৰ সদস্য সকলৰ মাজত এই লৈ খোৱা কামোৰা হয়। খোৱা কামোৰা নকৰি পিছপৰা ভিত্তিত যে স্কুল বিলাক লব লাগে সেইটো চিন্তা কৰা তেখেত সকলৰ মাজত কম দেখা যায়। সেইকাৰণেই মোৰ এটা পৰামৰ্শ এয়ে যে, এই স্কুল বিলাক লোৱাৰ ক্ষেত্ৰত 'ৰেজিয়নেল ইন্সেলেন্সে' নাইকীয়া কৰিব লাগে। যোৱা বছৰ পাবলগা 'লেডি টিচাৰ'ৰ কোৱাৰ্টাৰ কেইটা নেপালে। সেইদৰে 'চায়েন্স গ্ৰাণ্টো' পোৱা নাই। কিছুমান টাউনত ১০ টা ল'ৰাছোৱালী লৈও স্কুল চলি আছে। অৱস্থা বুজি স্কুল খুলিছে। কিছুমান স্কুলত ৫০০।৬০০ ল'ৰাছোৱালী থকা অৱস্থাতো তাত মাত্ৰ দুজন মানহে শিক্ষক আছে। গতিকে এই বিলাক কথা চাই চিন্তি ব্যৱস্থা কৰাটো নিতান্তই প্ৰয়োজনীয়।

একোখন স্কুলত ৪০ জন ছাত্র-ছাত্ৰীৰ মাজত যাতে একোজন শিক্ষক থাকিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। এই খিনিকে পৰামৰ্শ আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

Shri Deputy Spaker—To-day is the last day.

Shri Bijay Krishna Handique—Mr. Deputy Speaker, Sir, it has become almost a platitude or sometimes even a luxury "to criticize" well, criticize is too mild a term it should be rather "to assail" the Govt. for all the lapses that can be thought of under the sun. Critics, however, never pause for a moment to consider the achievements in education on national as well as State level. An analysis will show that in the country from 1950-51 to 1965-66, that is, during a period of 15 years, the number of educational institutions has grown 2.5 times, students' enrolment has increased by 2.8 times, teachers' strength by 2.7 times, total expenditure by 5.4 times and Govt. expenditure by 6.7 times,

A more precise idea can be formed from the facts that the number of primary schools has grown from 1,72,661 in 1946-47 to 3,99,107 in 1968-69. In Assam the figure has reached 19112 from 7547 in pre-independence period. The number of children enrolled in them in classes one to five from 1411 to 5549 lakhs. The number of middle schools from 12893 to 83,943 and students enrolment in classes VI to VIII from 20.4 lakhs to 122.7 lakhs. In Assam middle schools have reached this figure of 3293 with 442800

students as against 742 with 65,113 students on roll. The number of high schools was 6682 in 1940-50 with a student enrolment of 10.83 lakhs in class from IX to X. In 1968-69 the number of high/higher secondary School has grown to 32,433 and students enrolment in classes to XI/XII to 658 lakhs.

In Assam the number of High Schools was 191 and now has came to 1295. Higher Secondary Schools were nil in pre-independence period, now there are 63. The number of High School students were 31003 and now 239970. 1946-47 the total number of Colleges was 636, and in 1947 there were only 19 Universities, the total number of students enrolment in higher education was only 2.50 lakhs.

In Assam before independence there were only 7 colleges whose number have now increased to 133 with the phenomenal increase in roll strength from 1774 to 26,160. In 1970-71, the total number of Universities was 84, of institutions deemed to be Universities 9 of colleges of all types 3604 and of students on rolls was 31,12,404.

In Assam now there are 3 Universites which is a post independence growth. Sir, even if we compare our education budget with that of 1947-48, we find that we spend now 45 crores as against a little less than a crore. Sir, there is by way of enrolment profoundly impressive growth and I have cited the figures from only a limited sphere of education. Could every

body deny these achievements ? I do admit, judged by the target set as one of the Directive principles of State policy, free and compulsory education for all children until they complete the age of 14 years, has yet be reached, though the efforts are well under way. But, Sir, it will be an unhistorical approach if we fail to appreciate the gigantic dimension of the developing nations. Gunner Myrdal with his masterly analysis of the situations by which the colonies found themselves when they became free, remarked that "the severe handicap of the new nations as they emerged from colonial rule was the ignorance of the masses of their population" as in his own words the main interest of the colonial powers had not been to educate the people and prepare them for development. Sir, to neglect the basic task of educating the people is one thing and the deliberate attempt and well defined strategy to deny education to the masses and, at the top of that, to create an educated elite while neglecting popular education is quite another. This policy persued by the colonial powers is at the root of the problem of education assuming numerous dimension in all the developing countries of the world. Sir, failure to recognise this fact amounts to falisfication of history.

I would, however, Sir, draw the attention of the Govt. to a serious problem in our country, a problem common to all the developing countries. This is, Sir, the problem of dropping out. This problem caused by

the incapability of many nations including India to absorb the products of their education system, has led to a crisis which has very much frustrated the young people. Serious afforts have not yet been launched to record the statistics of drop out. As a result, the seriousness of the problem has not yet been seized upon.

Sir, one reason why we have arrived to such a situation is the lack of proper educational planning which reflects national needs. In most developing countries the highest rate of drop-outs is experienced at the primary school level. A few years of literacy education without any instruction in practical skills does not prepare one for playing any role in society. Sir, the objective here, which underline most educational systems today is to teach people literacy without making such function. What is significantly wrong is that eduction is continually being treated as an end in itself while it should be an instrument, a means of achieving certain goals. So, Sir, there should be a thorough evaluation of the manpower needs based on the particular circumstances of the economy. I do not suggest, Sir, that education system should be and can be planned to match manpower needs with microscopic precision so as to avoid drop-outs. But what I do maintain Sir, is that we should make adequate planning for an education system whose objective will be functional and with this the situation can be greatly improved. Sir, we should bear in mind what the Education Co-

mmission in 1966 said. The Commission said 'the system of primary education in India continues to be largely ineffective and wasteful and many children who pass through it either do not attain functional literacy or lapse into illiteracy soon afterwards. If we are to continue our dependance on this programme alone for liquidation of illiteracy, we may not reach our goal by 2000 A. D. This is what the Education Commission says and this is significant.

So, it is necessary that the Govt. makes a compete assessement of the drop-outs and even the repeaters who are a prelude to dropping out. I have, however, seen a silver lining as Govt. has of late introduced the scheme of non-formal education to bring back the drop outs under a teaching scheme. At present there are 750 centres to start with for students in the age group of 9 to 11 and in addition 100 centres for tea garden population within the age group of 9 to 25. This is indeed a good beginning. This is the way how to tackle the problem. I hope many more such centres will be opened to cope with the growing number of drop outs. And for this we need proper data and statistics without which no scheme can be effective. In this connection I would like to mention the farmers functional literacy programme which gives instruction in practical skills in agricultural farming. This is indeed a breakthrough. For literacy as stressed by UNESCO must not be a mechanical literacy and

for an agricultural bias county like ours literacy must be linked with agriculture if literacy is to serve a meaningful purpose for the development of the country Thank you Sir.

* Shri Sarat Chandra Sinha ( Chief Minister )—Mr. Deputy Speaker, Sir. While discussing the cut motion the hon'ble members have made valuable observations of which I am thankful to them. Some of the hon'ble members have put forward some constructive suggestions; Govt. will surely try to implement them. Sir, the hon'ble members have covered wide range covering the entire Education Department. Though some points raised by some hon'ble members have already been replied by other hon'ble members yet I would have to cover a number of points, but then within the limited time probably it will not be possible for me to reply to each of the points the hon'ble members have raised. Sir, if we take the general trend of the discussion I find that there is more appreciation of the activities of the Department than criticism. I am, therefore, convinced that the performance of the Department is generally satisfactory. There are some shortcomings on that part of the Department and these shortcomings have been pointed out by the hon'ble members; we will surely try to see how we can rectify these shortcomings and improve the functioning of the Department. Sir, in one point all the hon'ble members are unanimous, that is the

* Speech not corrected.

base of the education should be strengthened and the base is the primary education. Sir, we all agree it should be done. Without standing in the base we cannot build the edifice. Therefore, at all cost primary education should be strengthened. But at present though there is constitutional obligation to extend the facility of elementary education to all children it is not possible for us to make that arrangement; a large number of school going children are left out. This has been pointed out on various occasions that we must first meet the obligation of extending educational facilities particularly of the elementary education to all children and then we should do, if we can, something for improvement or extension of higher education. But unfortunately however, we have emphasised more on higher education than elementary education. Sir, this thinking must be revised; we must emphasise elementary education more than the higher education because we cannot allow a large number of children still to remain uneducated. If the hon'ble member agree then the education policy should surely be outlined in that direction. The second point where the hon. members are unanimous is that inspection arrangement should also be strengthened. Sir, we have Inspectors of Schools, but their number is not adequate. Sir, hon. member Shri Saikia has said that these Inspectors are engaged in works other than the inspection and more of the time are taken in doing other types of works.

Sir, this is wrong. We should see that the arrangements of inspection of the schools is strengthend. Then we can improve the quality of education, and that aspect is also an important one. The advice that has been put forward by the hon. members will certainly be looked into and the Government will make an effort to improve the inspection of educational institutions Sir, hon. members have raised a very valuable suggestion regarding the curriculum that is the subjects that are to be taught in the educational institutions. One hon. member has remarked that this should be free from political influence and this should be entirely left on the educationists. Sir, there are some difference of opinion in the matter. It should neither be guided by the politician nor by the educationist; but by the desire of the people. It should be outlined by the people. The educationists who are experts in the matter they will give their advice and that will also be given due importance. The type of education that should be pursued should be decided by the people. Now, if it is to be decided by the people then again the political parties will have to play a role in outlining the educational policy. If we do not provide the proper outline for the educational system as a whole and if we leave it entirely to the educationist, I do not think the proper education could be devised or could be planned. Therefore, this is our considered opinion that it should be discussed at a different forum. Educational experts will give their advice but ultimately decision will have

to be taken by the people. It is true that educational institutions should be free from the political influence. The day to day function of the educational institutions should not be effected by any political consideration. Sir, another important aspect where the hon. members are unanimous is that the Managing Committees and the Governing Bodies should be constituted from any bias. Hon. Member Shri Giasuddin Ahmed has suggested that it should be entirely elective in character on the basis of democracy. Sir, the managing Committees should be constituted and all these democractic norms should be pursued, but still then the Government shoul have some kind of control both on the constitution of Managing Committee and also on the functioning of the Managing Committee because the huge amount from the public exchequer involved in the educational institutions. But while constituting the Managing Committee Government should consider that Managing Committee is constituted free from any political consideration. The Managing Committees have a great responsibility to look after the the welfare of the institutions. They have a great role to play for the welfare of the educational institutions. So such persons who are interested in the welfare of the education should be on the Committee and the Government should see to it. Sir, I would like to put forward certain suggestions to the hon. members regarding some reforms in the educational

system in the State. Previously the Education Department was over-burdended with the responsibility which is not instructional means the administrative aspect of the Education Department to the lower level and at the top at the level of D. P. I. Only the matters relating to the education should remain with the D. P. I. What I mean by this is that the D. P. I. and the Officers under him should be more concerned with the quality of education, and the improvement in the educational system itself than on constitution of Managing Committees, distribution of grants and such other things. Now what we find is that the education Deptt. both at the Secretariat and also at the Heads of Department are more concerned or more busy with the distribution of grants and in the constitution of Managing Committees; Precisely speaking, these are not the functions of the Education Department. Department has more important function rather it has more imporatnt role to play. Therefore, the constitution of the Managing Committees, responsibility of distribution of the amounts has been propossd to decentralise and brought down to the lower level. If this is done then both the Education Secretariat and Head of the Department will be free of these unnecessary burdens. Then they will be able to pay more attention to the improvement of educational institutions. We have also tried to introduce another system even by changing the accounting procedure. From now on the scholarships will be

disbursed to the scholars regularly on the first day of the month. It was not possible so long though tried to disburse the scholarships on the first of the month with the result that scholarships are not disbursed regularly every month—sometimes at the end of the academic career, and that spoils the entire system, the purpose of awarding scholarships is completely frustrated. The poor parents who cannot afford to pay the educational expenses are forced to bear it, and when at the end of the year when the whole amount is given to the student, that money is mis-used. It is not used for the purpose for which the scholarships have been awarded. We saw the defect yet we could not rectify it. We have now decided that it must be rectified, scholarships must be paid on the first day of the month. There should be a radical change. Now the scholarships are disbursed from the Head of the Department. From now onwards money in bulk will be paid to the head of the institutions, and the head of the institutions will disburse the scholarships to the scholars. We have already made some arrangements to that effect. We had a discussion with the Accountant General's Office and also with our Finance Department regarding financial rules and procedures. As I understand there will not be difficulty so far as rules are concerned. Under the new rules it will be possible to disburse the scholarships to every scholar on the first of the month. Sir, if we can do this, this

will indeed be a great thing. Similarly, other grants—recurring and nonrecurring—will also be disbursed through Commercial Banks. The services of the Commercial Banks will be utilised and all the grants will be transmitted through these Banks so that the Head of the Department here is not very much bothered with the distribution of these grants. The Accounting system will be very much simplified—simple but rigorous. If we can do this the Education Department will be free from unnecessay botheration, of unnecessary accounting. Instead they will be able to devote more time for the real purpose improving the education system and educational institutions. So far as the Managing Committees are concerned, I do not think if it would be possible for us to democratise it as suggested by Hon'ble Member Shri Giasuddin Ahmed; but there will not be any scope for any political party to influence it. It will be a steriotyped Committee, none-the-less it will also be a elective committee. Though Government will have power to nominate members, that nomination will remain confined to certain panel, categories of officers, or certain category of public workers. Of course, when we refer to public workers, public leaders or social workers, political things will surely come up. ( A voice : that is the most dangerous proposition ). We cannot avoid it. We will have to involve them because without them it will not be possible to run the institutions, but then,

Sir, as far, as possible political influence will be avoided. Sir, Hon'ble Members have referred to another point, i. e. pre-primary classes. We also feel the necessity of developing the pre-primary classes. Though it is our desire, and though we are very much anxious to develop it, yet on account of various complications it will be very difficult to implement our desire. Fund is one of the questions. Hon'ble Member, Shri Handique, has already pointed out how education has expanded how we are spending more and more every year, how 1/5 of the total expenditure of the State is spent for education. For every five rupees we spend in the State; we spend one rupee for education. Now, the question is whether we shall be able to spend more or not ? Sir, if we spend more, certainly we shall spend for the Pre-Primary Education. Then, the Pre-primary Education has posed another problem and it is very difficult to get qualified teachers for the Pre-primary Schools. It is very eacy to get Primary School Teachers. But it is very difficult to get Pre-primary Teachers. Then, comes the teaching materials of Pre-primary Schools. Teaching materials of Pre-primary Schools are also very costly. So, Sir, taking all these factors into consideration we shall have to give serions thought to the extension of the Pre-primary Education. But, then; Sir, I don't put forward this as a plea to avoid the responsibility. We want to have Pre-primary Education but because of these difficulties

we are handicapped.

Then, Sir, want to reply certain points the Hon'ble Member Shri Dulal Chandra Khound has raised. I agree with him in many points. Sir. I have already replied that the base of the Pre-primary Education should be strengthened, there is no difference of opinion about it and in doing so we shall take into consideration the survey reports that we have already got. He has also referred certain points regarding distribution of grants. We shall certainly look into it. Then, he has referred another point with regard to the Science College at Jorhat. In this connection I would like to state that a Private person has a House in the premises of the Science College at Jorhat and inspite of our efforts it has not yet been possible to evict him. The matter is under enquiry and I have been told that a case is also pending in the Court. Sir, I shall see that this is disposed of quickly and the Education Institution is made free from encroachers. Then, he has also referred about the hostel facilities of the Science College. As regards transport facilities, he has also spoken that students should be provided with transport facilities. Sir, in this connection I would like to state that we shall take all possible steps to provide hostel and other facilities as referred to by the Hon'ble Member.

Shri Dulal Chandra Khound—Sir, may I intervene for a while ? My main point with regard to the Science College, Jorhat, was whether Science College can be

converted into Science-cum-Technological College ?

*Shri Sarat Chandra Sinha ( Chief Minister )—Sir, our idea is to build it up as an Institution having special technological basis. But it is very difficult to say what we shall teach. But I can tell the Hon'ble Member that we shall teach science which must not be a theoritical science but which must be an applied science.

Then, Hon'ble Member Shrimti Pranita Talukdar has mentioned about the appointment of a Teacher by the Managing Committee but which was not approved by the Govt. Sir, it is a very simple matter. An you know, Sir, all the appointments of Teachers made by the Managing Committee are to be approved by the Govt. So, when the Managing Committee seeks Govt. approval this appointment was rejected. I do not know what has happened in this particular case. However, I shall look into it.

Then, the Hon'ble Member Shri Kabir Chandra Roy Pradani has referred to a particular problem which relates to a particular puja. So, Sir, according to him this "Dumshia Puja" should be performed. Sir, what I understand is that the performance of this puja is likely to prevent destruction and put an end to the evils. It is equally true that the stronger one will get the better share and the weaker one will get the lesser share. But subsequently, when the worshiper will find that the weaker does not

---

*Speech not corrected.

get the share properly, then the worshiper will try to distribute the share equally. So, Sir, similarly Govt. will surely take into consideration while distributing any share or benefit more particularly to the weaker section of the people. It is true, Sir, there are some backward areas. Hon'ble Member Shri Roy Pradhani has claimed that he comes from a backward area. Therefore, his area should be taken care of specially and educational facilities should be provided to that area. Therefore, he has stated that to ward-off evils and to avoid destruction, this "Dumshia Puja" has to be performed. Sir, we are also performing the same Puja with a view to see that all inequalities are removed and every one gets his equal share. We are trying to do this. According to that everybody will be benefitted and equal share will be given so that everyone becomes equal.

শ্ৰীসোনেশ্বৰ বৰা—( বহি বহি কয়—অতীতক যোৱাহে পাহৰি )

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )—কথাটো ঠিকেই, অতীতক যোৱাহে পাহৰি—এইটো একেবাৰে ঠিক কথা। অতীতক মনত ৰাখিব লাগিলে আগৰ সামন্তবাদৰ কথাটো মনত ৰাখিব লাগিব, ধনী বেংক বিলাকৰ কথা মনত ৰাখিব লাগিব। সেই কাৰণে অতীতক আজি আমি পাহৰি যাব লাগিব। কাৰণ অতীতত বিৰলা, টাটা আদি বেংক বোৰে যিদৰে প্ৰভাব বিস্তাৰ কৰিছিল, জমিদাৰ সকলে প্ৰজা বিলাকক শোষণ কৰিছিল সেইবোৰ কথা আমি মনত ৰাখিব লাগিব সেই কাৰণে অতীতক আমি নিশ্চয় পাহৰি যাব লাগিব—

বৰা ডাঙৰীয়াই এটা কথা কৈছে যে আমি যাব কাৰণে প্ৰাথমিক শিক্ষাৰ কথা ভাবিছো সেই সকলে ইমান ভাবিছে নে নাই? এই কথাটোৰ লগত ময়ো একমত। যদি তেওঁলোকে ভাবিলেহেঁতেন প্ৰাথমিক

শিক্ষাটো তেওঁলোকৰ হাতলৈ গ'লহেতেন। সেই কাৰণে এই কথাটো তেওঁলোকে ভাবিব লাগে। অতীতক ধৰি থকাৰ কাৰণে তেওঁলোকে এই কথাটো নাভাবে-সেই কাৰণে অতীতক পাহৰি যোৱা কথাটো তেওঁলোকক সোঁৱৰাই দিব লাগিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—মই স্কুল বিলাকৰ চিলেকচন বোৰ্ড সম্পৰ্কে উল্লেখ কৰিছিলো—সেই সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে একো নকলে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—সকলো কথা যেতিয়া হৈ যায় তেতিয়া আৰু তাৰ সমালোচনা কৰাৰ স্থল নাথাকে—So, Sir, I think, I have replied to all the points raised by the Hon. Members so far as I could guess. So Sir, with these words I request the Hon'ble members to withdraw the cut motion.

Mr. Deputy Speaker—Yes, Cut Motions are there in the name of Shri Dulal Ch. Khaund and Shri K. C. Ray Pradhani. Will you withdraw the Cut Motions ?

শ্ৰীসোনেশ্বৰ বৰা—সকলো প্ৰতিশ্ৰুতি থাকিলে উঠাই লব পাৰো।

মাননীয় উপাধ্যক্ষ—তেখেতে তেখেতৰ উত্তৰত কৈ গৈছে, সন্তুষ্ট হোৱাটো আপোনাৰ কথা।

শ্ৰীসোনেশ্বৰ বৰা- তেখেতে কৈছে যে অতীতক যোৱাহে পাহৰি আৰু নতুনক লোৱাহে সাৱতি। নতুনত যদি কিবা প্ৰতিশ্ৰুতি আছে নিশ্চয় সাবতি লম।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—অসমত এতিয়ালৈকে প্ৰায় দুহেজাৰ দেৰহাজাৰ মান ভেনচাৰ স্কুল আছে সেইবিলাক তৎক্ষণাত লোৱাৰ কিবা প্ৰতিশ্ৰুতি দিব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—প্ৰাথমিক শিক্ষাটোৱে হৈছে শিক্ষাৰ বুনিয়াদ। আমি যদি এই বুনিয়াদ টনকিয়াল কৰিব নোৱাৰো তেনেহলে একো কৰিব নোৱাৰো। সেই কাৰণে এই বুনিয়াদ টনকিয়াল কৰিবৰ কাৰণে

সংবিধানে আমাৰ ওপৰত দায়িত্ব দিছে সেই দায়িত্ব পালন কৰিবৰ কাৰণে প্ৰাথমিক শিক্ষা ১৪ বছৰ বয়সলৈ সম্প্ৰসাৰিত কৰিব লাগিব— এই কথাটোৰ প্ৰতি চৰকাৰ সম্পূৰ্ণ সজাগ—কিন্তু কেনেকৈ পালন কৰা যায় সেই দিশত চৰকাৰে নিশ্চয় চিন্তা কৰিব লাগিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—আমি এটা আশ্বাস বিচাৰিলো ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )—মইটো আগতে কলো।

Dy. Speaker—Yes, all the Cut Motions are withdrawn. Now, I put the Grants No. 35, 36, 39, 40 and 110.

All the Grants are passed.

Mr. Deputy Speaker—Now, the Grant No. 4, 5 and 10.

Shri Sarat Chandra Sinha ( Chief Minister )—Sir, I beg to move Grant Nos. 4, 5 and 10.

Mr. Deputy Speaker—There are Cut Motions in the name of Shri Badan Ch. Talukdar and Shri Pradhani.

Shri Kabir Chandra Roy Pradhani—That the total provision of Rs. 52,70,300 Under Grant. 10 Major head "235 Collection of other Taxes on Property and Capital Transaction, 240-Sales Tax, 245-other Taxes and Duties on Commodities and Services (I)", at pages 75-81 of the Budget Volume I, be reduced to Rs 1, i. e the amount of the whole grant of Rs. 52,70 300, do stand reduced to Rs. 1.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—মাননীয় উপাধ্যক্ষ মহোদয়, মই বাজেট দাবীৰ প্ৰথম খণ্ডৰ ২৯ৰ পৰা ৩৭ পৃষ্ঠাৰ ২১৫-নিৰ্বাচন শিতানৰ ৪ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৪০ লাখ ২৪ হাজাৰ টকা, ৪০ লাখ ২৪ হাজাৰ টকাৰ এশ

টকালৈ হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪০ লাখ ২৪ হাজাৰ টকাৰ পৰা এশ টকালৈ হ্ৰাস কৰা হওক। এই কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিছো।

মাননীয় উপাধ্যক্ষ—আপোনালোকে ১০ মিনিট ১০ মিনিটকৈ কব।

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—উপাধ্যক্ষ মহোদয়, ৪ নং দাবীৰ ওপৰত নিৰ্বাচন সংক্ৰান্ত যি ব্যয় ধৰা হৈছে সেই সংক্ৰান্তত মই কৰ্তন প্ৰস্তাৱটোৰ জৰিয়তে বৰ্তমানে এই নিৰ্বাচন সংক্ৰান্তত বিশেষকৈ যি ভোটাৰ লিষ্ট তৈয়াৰ কৰিছে সেই সম্পৰ্কে কেইটামান কথা কব খুজিছো। প্ৰত্যেক বাৰে নিৰ্বাচন সংক্ৰান্তত যি ভোটাৰ লিষ্ট তৈয়াৰ কৰা হয় তাত ভালেমান আসোঁৱাহ দেখা পোৱা যায়। বৰ্তমানে ১৯৭৫ চনত যি ভোটাৰ লিষ্ট তৈয়াৰ কৰা হৈছে সেই লিষ্ট ইতিমধ্যে ছপা কৰি প্ৰকাশ কৰা হৈছে। বোধহয় অসমৰ সকলো ঠাইতে সেইটো হৈছে তাত ইমান ভুল হৈছে যে সেই ভুলৰ পৰিপ্ৰেক্ষিতত এইটো ওলাই পৰিব যে যদি হঠাৎ নিৰ্বাচন হয় তেতিয়াহলে বেছিভাগ ভোটাৰেই ভোটদানৰ পৰা বঞ্চিত হব। নিৰ্বাচন সংক্ৰান্তত ভোটাৰ লিষ্ট তৈয়াৰ কৰা উদ্দেশ্য এইটোহে যে প্ৰত্যেক জন উপযুক্ত ব্যক্তিয়ে ভোটাধিকাৰ পায়। ১৯৭৫ চনত যিখন লিষ্ট তৈয়াৰ কৰা হ'ল তাৰ কাৰণে উপযুক্ত পৰিমানৰ যিখিনি কৰ্মচাৰী লাগে (এনুমাৰেটৰ) সেইখিনি দিয়া হোৱা নাই। বোধহয় জৰুৰী অৱস্থা ঘোষণা কৰাৰ আগতে সেইখন ততাতৈয়াকৈ কৰা হৈছিল কিন্তু তেওঁলোকক কোনো প্ৰশিক্ষন দিয়া হোৱা নাছিল আৰু তেওঁলোকে যিমানখিনি কাম কৰিব লাগিছিল সিমান খিনি কৰিব পৰা নাছিল। এমাহৰ ভিতৰতে অতি কম সংখ্যক গননাকাৰী নিয়োগ কৰি সেইখন তৈয়াৰ কৰাৰ চেষ্টা কৰা হৈছিল। সেই কাৰণে কিছুমান ঠাইত ভোটাৰ লিষ্ট আসোঁৱাহ হৈয়ে থাকিল আৰু তাৰ সংশোধনৰ কোনো ব্যৱস্থা নহল?

তাত ভোটাৰ সকলৰ কোনো মতামত লোৱা হোৱা নাই। ইয়াৰ আগতে ১৯৭১ চনত লোকসভাৰ নিৰ্বাচনৰ আগতে যেতিয়া ভোটাৰ লিষ্ট

---

* Speech not corrected

নিৰ্দ্ধাৰণ কৰা হৈছিল তেতিয়া 'এনুমাৰেটৰ' বিলাকে ঘৰে ঘৰে গৈ প্ৰত্যেক পৰিয়ালৰ মুখিয়াল লোকজনৰ পৰা ভোটাৰ সকলৰ নিশ্চিত তালিকা লৈছিল। কিন্তু এইবাৰ সেইটো কৰা নাই। গাৱঁত নোযোৱাকৈ এই তথ্যবিলাক সংগ্ৰহ কেনেকৈ কৰিলে তাক জনা নেযায়। কেইটামান ক্ষেত্ৰত আমি দেখিছো যে কিছুমান লোকৰ মাক বাপেকৰ নামেই বদলি গৈছে। বহু ঠাইত মতা মানুহক মাইকী মানুহ কৰা হৈছে। মাইকী মানুহক সেইদৰে মতা কৰিছে। ইয়াতকৈও আচৰিত কথা এগৰাকী মাইকী মানুহৰ উপাধি এনেধৰণে বদলি কৰি বিশেষণ দিলে সেইটো সচাঁকৈয়ে আপত্তিজনক। গতিকে মই এই বিশেষ বিষয়টোত দৃষ্টি আকৰ্ষণ কৰিছো। এনেকুৱা যদি হয়, এই কাৰণে 'পাব্লিক ডকুমেণ্ট' 'ডিফেক্ট' কৰিবলৈ ব্যৱস্থা কৰা হয় তেনেহলে, সেইটো চাব লাগে। যোৱা ১৯৭১ চনৰ মধ্যবৰ্ত্তীকালীন নিৰ্বাচনত ভাৰতবৰ্ষৰ নামকৰা সংসদী নেতা এইছ, কামাথৰ নামটোও নাইকীয়া হৈ গৈছিল। ভোটাৰ লিষ্টত নাম আছেনে নাই সেইটো চাবলৈকো বহুত সময়ত অসুবিধা হয় বা এইটো সম্ভৱপৰো নহয়। সময়ো নহয়। তাৰোপৰি চাৰি পাছটা নিৰ্বাচনত ভোটাৰ লিষ্টত নাম থকাৰ পিছত হঠাতেই যে এদিন এইদৰে নাম নাইকীয়া হৈ যাব সেইটো কোনেনো কল্পনা কৰিব পাৰে? কিছুসময়ত ভুল তথ্যপাতি পৰিবেশন কৰাৰ ফলত নিৰ্বাচনৰ সময়ত 'নমিনেশ্চন' আদি দিয়াৰ ক্ষেত্ৰত গণ্ডগোল হয়। এনেকুৱা ঘটনা এটাৰ ভুক্তভোগী মইও এজন। ভোটাৰ লিষ্টত মোৰ পিতাৰ নামটো বদলি কৰি থৈ দিয়া হৈছিল। সময়ত সেইটো যদি চকুত নপৰিলহেঁতেন তেতিয়াহলে, সেইটোৰ দ্বাৰা মোৰ 'নমিনেশ্চন' আদি দিয়াত গণ্ডগোল হলহেঁতেন। এইধৰণৰ ঘটনা বহুতো আছে। গতিকেই যদি নিৰ্বাচনটো মুক্ত হব লাগে আৰু সচাঁকৈয়ে যদি চৰকাৰে সেইটোকে বিচাৰে তেতিয়াহলে, পোন প্ৰথমে ভোটাৰ লিষ্টখন নিৰ্ভুল আৰু শুদ্ধ হব লাগিব। টকা পইচা খৰছৰ কথা নহয় যাতে আমাৰ কোনো নাগৰিকেই ভোট দিয়াৰ অধিকাৰৰ পৰা বঞ্চিত হব নেলাগে সেইটো চাব লাগে। আমাৰ প্ৰত্যেক ভোটাৰ লিষ্টেই সংশোধিত হব লাগে। ১৯৭৬ চনত নিৰ্বাচন নহল, ইয়াৰ পিছত হয়নে নহয়

সেইটোও কব নোৱাৰো কিন্তু যেতিয়াই নহওঁক ভোটাৰ লিষ্টখন সংশোধিত হব লাগিব। ইয়াৰ আগৰ অভিজ্ঞতাৰ পৰা যি দেখা গৈছে যে, ভোটাৰ লিষ্ট সংশোধিত হলে ওপৰঞ্চি বিলাকৰ এখন বহী বেলেগে বাহিৰ কৰা হয় অৱশ্যে তাৰ 'চেৰিয়েল নাম্বাৰ বিলাক বেলেগে হয়। বেছি ভোটাৰৰ সংখ্যা থাকিলে ভোটাৰ কেন্দ্ৰ দুই তিনিটা হব পাৰে। ফলত একেটা পৰিয়ালৰে ভোটাৰ সকলে একেটা কেন্দ্ৰত নপৰি বেলেগ বেলেগ কেন্দ্ৰত পৰিব পাৰে। ভোটাৰ লিষ্টত সাবালাক সকলে যাতে ভোট দিয়াৰ অধিকাৰ পাব পাৰে তাৰ কাৰণে বয়সৰ সীমা ১৮ বছৰলৈ নমাই আনিব লাগে। এইটো ৰাজ্যিক চৰকাৰৰ কাম নহয় যদিও তাৰ কাৰণে আইন ৰচনা হব লাগিব আৰু কেন্দ্ৰীয় চৰকাৰক ৰাজ্যিক চৰকাৰে এইটোৰ দৃষ্টি আকৰ্ষণ কৰিব লাগিব। সাবালক কোনো নাগৰিকেই যাতে ভোট দানৰ পৰা বঞ্চিত হবলগীয়া নহয় তাৰ কাৰণে ব্যৱস্থা কৰি বলৈ দাবী জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো আৰু কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছোঁ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—মাননীয় মহোদয়, মাননীয় সদস্য শ্ৰীতালুকদাৰ ডাঙৰীয়াই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মইও কেই আষাৰ-মান কথা কবলৈ আগবাঢ়িছো। ১৮ বছৰৰ পৰা ২১ বছৰলৈ ভোটধিকাৰ বয়স নিৰ্দ্ধাৰণ কৰাত কি যে এটা আপত্তি হৈছে সেইটো কোৱা নেযায়। মেট্ৰিক পাছ কৰি এজন মানুহে শিক্ষকতা কৰিব পাৰে কিন্তু সেই জন মানুহেই আকৌ এখন স্বাধীন দেশৰ নাগৰিক হিচাবে ভোট দানৰ পৰা বঞ্চিত হব লগীয়া হয়। আমি আজি এই পৰ্য্যায়ত আহি পাইছোহি এই যি বিলাক ত্ৰুতি বিচ্যুতি দেখা পোৱা যায় সেই বিলাক আঁতৰোৱাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। যিহেতুকে এইটো এটা সৰ্ব্বভাৰতীয় কথা সেইকাৰণে কেন্দ্ৰীয় চৰকাৰে এইটো কৰিব লাগিব। তাৰ পিছত ভোটাৰ তালিকাত নানান অদল বদল কৰা দেখা যায়। মোৰ বোপাইয়ে যদিও ৰায় প্ৰধানী লিখিছিল মই ৰায়টো উঠাই শ্ৰীকবীৰ চন্দ্ৰ প্ৰধানীহে লিখিছিলো আৰু চাৰ্টিফিকেটত সেইটোৱেই আছিল কিন্তু ভোটাৰ লিষ্টত 'ৰায়প্ৰধানীকেই' লিখিলে। এইদৰে বহুত বিলাক ঘটনা হৈ আছে।

'এনুমাৰেটৰ' বিলাকে গাঁৱলৈ গৈ আতবৰ পৰাই নাম লয়। আগতে লোৱা লিষ্ট খন লৈ তাৰ পিছত কেইটামান কাট কৰি দিয়ে। তাৰ পিছত প্ৰিণ্ট কৰি আপত্তি হয়নে নহয় মাতি দিয়াৰ ব্যৱস্থা আছে। আমাৰ নিৰক্ষৰ মানুহ বিলাকে কাৰ নাম কেনেকৈ কাটিলে সেইটো গমকে নেপায়। কিন্তু সময়ত ভোট দিবলৈ গৈহে গম পায় যে, ভোটাৰ লিষ্টত তেওঁৰ নাম নাই। যিহেতু মইও কেণ্ডিডেট হব লগীয়া হৈছিল সেই-কাৰণেই এই বিলাক কথা গম পাওঁ। 'টেকনিকেল' কৌশল অৱলম্বন কৰি এইদৰে এজন নাগৰিকক ভোটদানৰ অধিকাৰৰ পৰা বঞ্চিত কৰাটো কেতিয়াও উচিত নহয়। সেইকাৰণেই ১০ নম্বৰৰ গ্ৰাণ্টৰ 'কাট্‌মোচন'টো সমৰ্থন কৰি মই কেইটামান কথা কবলৈ বিচাৰিছোঁ। 'টেক্স কলেক্ট' এইকাৰণেই কৰিব লাগে যে, 'টেক্স কলেক্ট' নহলে মানুহৰ 'চেন্সেচন' নহয়। কিন্তু এই 'টেক্স কলেকশ্বন' কৰোতে যাতে কোনো 'ডিছক্ৰিমেনেশ্বন' নহয় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে আৰু আমাৰ সাধাৰণ মানুহ বিলাকক 'প্ৰেছাৰ' দি এইটো কলেক্ট কৰিব নেলাগে।

টেক্সৰ কথাত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে তাৰ সমৰ্থনত মই কেই-টামান কথা কবলৈ ওলাইছো। সেই টেক্স আৰু ননটেক্স ৰেভিনিউ টেক্স নিদিয়াৰ কাৰণে বহুত চেনচেচন আহি পৰিছে। কিয়নো এই টেক্স ধাৰ্য্য কৰাৰ ক্ষেত্ৰত নানাধৰণৰ ডিক্ৰিমিনেচন দেখা যায়। আজি যিসকল গৰীব তেখেতসকলে যদিও টেক্স ঠিকমতে আদায় দিয়ে তথাপিটো সেই সকলৰ ওপৰতে টেক্সৰ ক্ষেত্ৰত অধিক হেচা দিয়া হয়। কিন্তু যিসকল ধনী মানুহ যিসকলে লাখ লাখ কোটি কোটি টকাৰ টেক্স দিব পাৰে আৰু দিবলগীয়া হৈ আছে সেই সকলৰ ওপৰত তেনেধৰণে হেঁচা দিবলৈ সাহস নকৰে। এতিয়া দেখা গৈছে ২০ কোটি টকা ১৯৭৬ চনৰ মাৰ্চৰ ভিতৰত আদায় কৰিব লগীয়া আছে। তেনেস্থলত আজি চৰকাৰে এল, আই, চি, কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু স্মল চেভিংচৰ পৰা যথেষ্ট টকা ঋণ আনিছে। সেইবিলাক টকা পৰিশোধ কৰিবলৈ চৰকাৰৰ বহু বছৰ লাগিব। আৰু এই টকাৰ সুদ বছৰি ২৮ কোটি হৈছে গৈ। মুখ্যমন্ত্ৰী মহোদয়ে বাজেটত দেখুৱাইছে যে গোটেইখিনি নহলেও যথেষ্ট পৰিমাণৰ

ঋণৰ টকা পৰিশোধ কৰিব লাগিব। গতিকে আজি এই টেক্সৰ ক্ষেত্ৰত ধনী দুখীয়া সকলোৰে ওপৰত সমানে হেঁচা দিব লাগে। জৰুৰী কালিন অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই টেক্স সংগ্ৰহত অধিক জোৰ দিবলৈ সুবিধা হৈ পৰিছে। টেক্স সংগ্ৰহৰ কথাই নহয় ইয়াৰ লগতে আমাৰ মানুহ বিলাকৰ আৰু এই টেক্সৰ লগত জৰিত থকা বিষয়া সকলৰ চৰিত্ৰ সলনি কৰিবলৈ হ'ল। মই আৰু বেছিকৈ নকওঁ এইখিনিকে কৈ সামৰণি মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰা—এই নিৰ্বাচন আৰু টেক্স এই দুটা বিষয়ৰ ওপৰত আমাৰ ফালৰ পৰা যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেই প্ৰস্তাৱ দুটা মই সমৰ্থন কৰিছো আৰু এই সম্পৰ্কত আলোচনা কৰিবলৈ বহুত থাকিল যদিও মই চমুকৈ কম। এইখন গণতান্ত্ৰিক দেশ, নিৰ্বাচন গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ আধাৰ। গতিকে এই নিৰ্বাচন যাতে শুদ্ধ হয় আৰু ইয়াত বিভিন্ন পৰ্য্যায়ৰ সকলো শ্ৰেণীৰ সকলো নাগৰিকে যাতে অংশগ্ৰহণ কৰিব পাৰে সেইধৰণেৰে বিচাৰ কৰা হয় সেইটোৱে আমাৰ সকলোৰে কৰ্তব্য। আমাৰ সদস্য বন্ধু সকলৰ নামৰ বিষয়ে নিজৰ মতামত কলে, ঠিক তেনেকৈ মইও পঞ্চায়ত নিৰ্বাচনত তেনে ধৰণেৰে বলি হৈছিলো। যোৱা পঞ্চায়ত নিৰ্বাচনত মোৰ নাম ভোটাত লিষ্টত নুঠিল। এই বিধান সভাত এই কথা উনুকিয়াইছিলো যে এই পঞ্চায়ত নিৰ্বাচন বিধিগত ভাৱে হোৱা নাছিল কিয়নো তাত বহু মানুহৰ নাম বাদ পৰি গৈছিল। ভোটাৰ লিষ্টৰ নামৰ পৰা নাম কাটি দিয়া কথাটো আজি গণতান্ত্ৰিক সমাজ ব্যৱস্থাত কিমান ডাঙৰ অপৰাধ হব পাৰে তাক বুজাবলৈ টান। (নইজ)

অধ্যক্ষ মহোদয়, আমাৰ কিছুমান মানুহৰ দেশ চৰিত্ৰৰ কথা চাবলগীয়া আছে। আমাৰ কথাত মাজুলিয়াল বুলি এষাৰ কথা কয়। মাজুলিয়াল মানে অঁকৰা। হেবাং মাজুলিয়াল বুলিলে আমি হেবাং বুলিয়ে বুজো। গতিকে মাজুলিৰ যিজন সদস্য আছে তেখেত মাজুলিয়াল আৰু হেবাং। মাননীয় সদস্য জন হেবাং হৈ নাথাকি দেশত কি হৈছে কি হোৱা নাই ইত্যাদি খা-খবৰ লোৱাটো ভাল। টেক্স লোৱাটো উচিত।

দেশৰ শাসন ব্যৱস্থা সুচাৰুৰূপে চলাবলৈ টেক্স সংগ্ৰহ কৰা হৈছে। তাৰ পিচত আজি নিৰ্বাচন কৰোতে নিৰ্বাচনৰ ভোটাৰ কেন্দ্ৰৰ বিষয়ে চাবলগীয়া আছে কিয়নো বহু সময়ত দেখা যায় ভোটাৰ সকলে ভোট দিবলৈ ভোটাৰ কেন্দ্ৰ বিচাৰি হাবাথুৰি খাবলগীয়া হয়। গতিকে বহু দূৰত এই ভোটাৰ কেন্দ্ৰ নাপাতি ওচৰতে যাতে পাতিব পাৰি আৰু তাত যাতে প্ৰত্যেকজন ভোটাৰে গৈ সুবিধা মতে ভোট দান কৰিব পাৰে সেই বিষয়ে চকু দিব লাগে। আমাৰ সমাজৰ টেঙৰ আগবঢ়া কিছুমান লোকে এই নিৰ্বাচনৰ বিষয়াক নানা ভাৱে পৰিচালনা কৰি এই ভোটাৰ কেন্দ্ৰ বিলাক এনে ঠাইত প্ৰতিষ্ঠা কৰে যে কিছুমান লোকে এই ভোটাৰ কেন্দ্ৰ বিচাৰি বহু সময়ত হাবাথুৰি খাবলগীয়া হয়। আৰু ভোটদানৰ আগতে ভোটাৰ লিষ্টত থকা সকলোবিলাক নাম ঠিক মতে শুধৰাই লব লাগে। মাননীয় সদস্য পেগু ডাঙৰীয়াৰ এই বিষয়ে অৱগতি হোৱাই ভাল যদি নহয় তেতিয়াহলে অধোগতিয়েই হব। মই থোৰতে এই কথাই কওঁ যে নিৰ্বাচনটো উপলুঙা কৰা কথা নহয়। আৰু ইয়াক পাতলাই দিয়া কথাও নহয়। ইয়াক পাতলাই দিয়া মানে গণতন্ত্ৰক পাতলাই দিয়া হব আৰু গণতান্ত্ৰিক সমাজ ব্যৱস্থাক পাতলাই দিয়া হব। কোনোবাই কাৰোবাৰ লেমটো হৈ যাব পাৰে বা দোলাভাৰী হৈ যাব পাৰে। সেইটো বহুতে কৰে। কিন্তু প্ৰকৃত সমাজ ব্যৱস্থা আইন ব্যৱস্থা আৰু বিধি ব্যৱস্থাৰে এই নিৰ্বাচন হব লাগে। আৰু আমাৰ নাগৰিকে যাতে তেওঁৰ নাগৰিকত্ব অধিকাৰৰ পৰা কোনো প্ৰকাৰে বঞ্চিত নহয় সেই বিষয়ে বিশেষ দৃষ্টি দিয়াটো উচিত। মই আৰু বেছিকৈ নকওঁ এইখিনি পৰামৰ্শকে আগবঢ়াই মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ ডাঙৰীয়া, ভোটাৰ তালিকা সম্পৰ্কে প্ৰায়েই অভিযোগ কৰা হয়। চৰকাৰে ভোটাৰ তালিকা নিৰ্ভুল ভাৱে প্ৰকাশ কৰিবলৈ যত্ন কৰাৰ ক্ৰুটি কৰা নাই, কিন্তু নিৰ্ভুলভাৱে যে কৰিব পৰা নাই সেইটো ঠিক। যি বিলাক কাৰণত ভোটাৰ তালি-

* Speech not corrected.

কাত ভুল হৈ যায় সেই কাৰণৰ কাৰণে অকল চৰকাৰ পক্ষই দোষী নহয়। যিসকলৰ তালিকা প্ৰকাশ কৰা হয় সেই সকলক বিশেষকৈ নহলেও সাধাৰণ ভাৱে জাননী আদি দিয়া হয়। ভোটাৰ তালিকা কেতিয়া প্ৰকাশ-কৰা হব, সংশোধন কি কি কৰা হব সকলো বিলাক কথা চাই ভোটাৰ তালিকা সংশোধন কৰাত সহায় কৰিলে নিৰ্ভুল কৰিব পৰা হয় নে নহয় কব নোৱাৰো কিন্তু যিমান দূৰ সম্ভৱ নিৰ্ভুলভাৱে কৰিব পাৰি। যেনেকৈ অন্য বিলাক কামত ৰাইজৰ সহযোগ লাগে ঠিক তেনেকৈ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো সহযোগৰ প্ৰয়োজন আৰু বেছি অধিক। আমাৰ ইয়াৰ মাননীয় সদস্য তিনিগৰাকী মানে এই তালিকা প্ৰস্তুত কৰোতে ভুলৰ কথা উল্লেখ কৰিছে। মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ডাঙৰীয়াই সকলো কাগজ পত্ৰতে ৰায় লিখে কিন্তু ভোটাৰ তালিকাত ৰায় বাদ দিছে বুলি কৈছে। আচলতে ৰায় হলে সাধাৰণ মানুহ কিন্তু যিবিলাক মানুহ অলপ অসাধাৰণ সেই সকলহে প্ৰধান, সেই সকল মণ্ডল আৰু সেই কাৰণেই—

(সদনত হাঁহিৰ ৰোল উঠে আৰু মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ইতিমধ্যে সদনত প্ৰবেশ কৰে।)

অধ্যক্ষ—তেখেতে একচেপ্ত কৰিছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—তেখেতক যেতিয়া মুখীয়াল কৰি ললে অৰ্থাৎ প্ৰধানী কৰি ললে প্ৰধানী হৈ গ'ল সেই বিষয়াজনক ধন্যবাদ দিব লাগে।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, প্ৰধান হবলৈ যাওঁতে ব্যৱধান থাকি গ'ল।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—উচিত নাম নাথাকিলে ভোটৰ পৰা বঞ্চিত হোৱা যায়।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—সাধাৰণ মানুহে প্ৰধানী কৰি নেতা কৰিছে। মোৰ বোধেৰে ৰায় হৈ থাকিলে বিধান সভালৈ আহিব পাৰিলেহেতেন নে নাই কব নোৱাৰো কিন্তু প্ৰধানী হৈ থকা কাৰণে এইটো সহজ হৈছে। কাজেই বিষয়াজনে যদিও এইটো ভুল কৰিছে এইটোৱে ঠিক কৰিছে

* Speech not corrected

সেইটো নিশ্চয়। কিয়নো সেইটোৰ কাৰণে উপকৃতহে হ'ল বোধহয়।

শ্ৰীগিয়াচুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, এনেকুৱা ভুল হ'ল ভালেই হ'ল কিন্তু যদি এজনৰ তিৰোতাক আন এজনৰ তিৰোতা বনাই থৈ দিয়ে সেইটো যাতে ভুল নহয় নিশ্চয় চাব লাগিব।

(সদনত হাঁহিৰ বোল উঠে।)

*শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—অন্য এগৰাকী সদস্যৰ নাম ভুল ভাবে প্ৰকাশ কৰিছে। এইটো নিশ্চয় ঠিক যে বিধান সভাৰ যিজন সদস্য হব সেই গৰাকী খুব সতৰ্ক, অসতৰ্ক বুলি বিষয়াসকলে নাভাবে। গতিকে অসাৱধানৰ কাৰণে বঞ্চিত নহয়। মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াৰ নাম গাওঁ সভাৰ নিৰ্ব্বাচনৰ লিষ্টৰ লগত নাছিল কাৰণেই বেলেগে ছপা কৰি উলিওৱা কাৰণে এটা মাত্ৰ নাম উলিওৱাত প্ৰাধান্য নিশ্চয় বেছি হ'ল। এই কাৰণে নিশ্চয় প্ৰাধান্য লাভ কৰিছে। কেতিয়াবা কেতিয়াবা উপস্থিত থাকি আৰু কেতিয়াবা কেতিয়াবা অনুপস্থিত হৈ প্ৰাধান্য লাভ কৰা যায়। এইটো বৰা ডাঙৰীয়াৰ নাম বাদ দিয়াত প্ৰাধান্যহে লাভ কৰিছে অৱশ্যে এইটো ভুল নিশ্চয় হৈছে হয়।

শ্ৰীসোনেশ্বৰ বৰা—তেনেকুৱা ভুলতে হলেও ভুল হৈয়েই থাকিব। কথাটো হ'ল যিটো ভোটাৰ লিষ্টত থাকিব লাগে কিন্তু লিখিত ভাৱে আবেদন কৰিছো আৰু আবেদন পৰীক্ষা হ'ল তাৰ পিচততে ছপালে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) তাৰ পিচত মাননীয় সদস্য ৰায় প্ৰধানী ডাঙৰীয়াই কৈছে যে ওঠৰ বছৰত ভোটৰ অধিকাৰ দিলে ভাল হয়। এইটো ভাৰত চৰকাৰৰ বিবেচনাধীন। অৱশ্যে এটা কথা যে শাৰিৰীক পাৰদৰ্শিতা ওঠৰ, উনৈশ, বিশ, একৈশ বছৰতহে উৎকৰ্ষতা লাভ কৰে। সেই কাৰণে ফুটবল আদি খেল বিলাকত ওঠৰ বছৰ বয়সৰ পৰা আৰম্ভ কৰে। ওঠৰৰ পৰা বাইশ বছৰলৈকে আচলতে পৰিদৰ্শিতা লাভ কৰে। যুদ্ধ বিষয়ত সৈন্য বাহিনীত ওঠৰ বছৰৰ পৰা লয় কাৰণ শাৰিৰীক

*Speech not corrected

পাৰদৰ্শিতা ওঠৰ বছৰ বয়সৰ পৰা আহে আৰু একৈশ বছৰৰ ভিতৰত উৎকৰ্ষতা লাভ কৰে। ৰাজনৈতিক পাৰদৰ্শিতা একৈশ বছৰত আৰম্ভ হয়।

( ভইচ : কিমান বছৰলৈকে থাকে ? )

ৰাজনৈতিক পাৰদৰ্শিতা সদায়ে ওপৰলৈ উঠি থাকে। ডিকলাইন নকৰে। সেইটো কাৰণতেই বোধকৰো একৈশ বছৰৰ পৰা ভোটাৰ তালিকাত ৰখা ঠিক কৰিছে আৰু ওঠৰ বছৰৰ পৰা খেল ধেমালিৰ বয়স নিৰ্ণয় কৰিছে। মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানীয়ে কৰ সম্পৰ্কত—

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, মই নিজে যেতিয়া ভোটাৰ হৈছিলো তেতিয়া মোৰ ওঁঠৰ বছৰ হোৱা নাছিল। তেতিয়াৰ দিনত এম-ই পাচ বা এম-ভি পাছ কৰিলে অথবা মাটি বাৰী নামত থাকিলে সেই অনুসৰি ভোট দিব পাৰে। সেই মতে মই ওঠৰ বছৰৰ আগতে ভোট দিছো। আমাৰ ৰাজনৈতিক পাৰদৰ্শিতা কেনেকৈ আহিল।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইটো অতীতৰ কথা। আমি অতীৰৰ কথা পাহৰি গৈছো। মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ডাঙৰীয়াই কৰ উঠোৱা সম্পৰ্কে কৈছে। এই সম্পৰ্কত কৰ আদায়ৰ কাৰণে যথেষ্ট চেষ্টা কৰা হৈছে। আমি কোন কৰ কি ধৰণে আদায় কৰাৰ চেষ্টা কৰা হৈছে বাজেটত কোৱা হৈছে অৱশ্যে ৰাইজেও সহযোগ কৰিছে আৰু কৰদাতা সকলেও কৰ দিছে। অৱশ্যে চৰকাৰী ব্যৱস্থাও খৰতকীয়া হৈছে সেই কাৰণে কৰ আদায় হৈছে। এই সম্পৰ্কে যে কৰ ফাঁকি দিয়াৰ ব্যৱস্থাও চলি আছে সেইটো ঠিক কিন্তু ৰাইজৰ সহযোগ হ'লে এইটো সম্ভৱপৰ হব। সেই কাৰণে কৰ আদায় নিদিয়াৰ কথাত মাননীয় সদস্য গৰাকীৰ লগত ৰাইজৰ পৰা সহযোগিতা পালে কৰ আদায় কৰাৰ বাতাবৰণ সৃষ্টি কৰিব পৰা হব আৰু কৰ আদায়ত ই সহায়ক হব বুলি মোৰ বিশ্বাস। এইটো আমাৰ পৱিত্ৰ কৰ্ত্তব্য কাৰণ কৰৰ দ্বাৰা আমাৰ

ৰাজহ আৰু সম্পদ বৃদ্ধি হব আৰু সম্পদ বাঢ়িলে আমি জনহিতকৰ কাম কৰিব পাৰিম আৰু এই অনাদায়ী কৰ সমূহ যিমানেই দ্রুতগতি আদায় কৰিব পাৰিম সিমানেই আমি খৰতকীয়া ভাৱে জনহিতকৰ কাম কৰিব পাৰিম কিয়নো ছয়োটাই সংশ্লিষ্ট বিষয়। সেই কাৰণে মাননীয় সদস্য প্ৰধানী ডাঙৰীয়াৰ উদ্বিগ্নতাৰ কাৰণে মই তেখেতক ধন্যবাদ দিছো। এই কেইষাৰ কথাৰে কৰ্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিছোঁ।

মাননীয় অধ্যক্ষ—উঠাই ললে নেকি ?

It is 5 p. m. now. I, therefore, guillotine all the remaining cut motions.

I now put Grant Nos. 4, 5, 10, 19, 23, 25, 6, 60, 67, 71, 77, 88, 3, 7, 8, 46, 49, 50, 63, 95, 116, 54, 73, 52, 53, 56, 57, 76, 80, 12, 13, 14, 17, 18, 29, 30, 31, 59, 61, 62, 64, 96, 105, 127, 129, 55, 78, 89, 11, 27, 86, 87, 109, 94, 111, 112, 114, 9, 58, 82, 104, 126, 115, 20, 21, 74 and 75.

Grants are passed.

Now the next item is Appropriation Bill. Generally we adjourn for half an hour for Appropriation Bill. But to-day the Minister, Health has invited all the Hon'ble Members to the inauguration of Health Office at Hengrabari. Therefore we adjourn for one hour. Some transport as I understand is ready to take the members to Hengrabari. So the House stands adjourned till 6 P. M.

The Assam Appropriation ( No. II ) Bill, 1976

The House re-assembled at 6 P.M. with hon'ble Mr. Speaker in the Chair.

Mr. Speaker—Item No. 3 (a)

Shri Sarat Chandra Sinha ( Chief Minister )—Sir, I beg leave to introduce the Assam Appropriation ( No. II ) Bill, 1976.

Mr. Speaker—Has the Chief Minister leave of the House to introduce the Bill ?

( Voices – Yes, Yes. )

There is a message from the Governor.

RAJ BHAVAN

Shillong, the 18 March, 1976

Under the provision of Article 207 (1) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assemlby of the Assam Appropriation ( No. II ) Bill, 1976.

Sd/-Lallan Prasad Singh
Governor of Assam.

Shri Sarat Chandra Sinha ( Chief Minister )—Sir, I beg to introduce the Bill.

( The Secretary read out the title of the Bill ).

Mr. Speaker—Item 3 (b). There is a message.

RAJ BHAVAN

Shillong, the 18 March, 1976.

Under the provision of Article 207 (3) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend that the Assam Appropriation

( No. II ) Bill, 1976 be taken into consideration by the Assam Legislative Assembly.

Sd/-Lallan Prasad Singh
Governor of Assam

Shri Sarat Chandra Sinha, ( Chief Minister )—Sir, I beg to move that the Assam Appropriation ( No. II ) Bill, 1976, be taken into consideration.

শ্ৰীসোনেশ্বৰ বৰা—চাৰ, আজি আমাৰ ৫ বছৰ শেষ হবৰ হ'ল, বাজেটৰ ওপৰত কবলৈ হলে আকৌ আৰু ৫ বছৰৰ কাৰণে নিৰ্ব্বাচিত হৈ আহিব লাগিব। গতিকে অলপ কওঁ। ৰাতি ৯ বজালৈ বহিব দিব লাগে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড—মাননীয় অধ্যক্ষ মহোদয়, এই এপ্ৰোপ্ৰিয়েচন বিলৰ আলোচনা প্ৰসঙ্গত কেইটামান কথা কব বিছাৰিছো। ইতিমধ্যে ভালেমান বিভাগৰ মঞ্জুৰীৰ ক্ষেত্ৰত আলোচনা হৈছে আৰু যি কেইটা বিভাগৰ মঞ্জুৰী সম্পৰ্কে আলোচনাৰ সুযোগ নহ'ল সেই বিভাগৰ ২-৪ টা কথা কব বিচাৰিছো।

প্ৰথমে মই ৰাজহ বিভাগৰ বিষয়ে কব খুজিছো। অধ্যক্ষ ডাঙৰীয়া আপুনি জানে বহুতদিন ধৰি এই বিধান সভাতে মাটিৰ সমস্যা সম্পৰ্কে আলোচনা হৈছে আৰু কৃষক আৰু খেত মজদুৰ আৰু ৰায়ত সকলৰ যি সমস্যা সেই সমস্যা আৰু লগতে চৰকাৰী বিষয়াৰ বিভিন্ন কামকাজৰ বিষয়ে আলোচনা হৈ গৈছে। মই পুনৰবাৰ সেই সমালোচনা দাঙি ধৰিব খোজা নাই। প্ৰথম কথা হৈছে আমাৰ চৰকাৰৰ যিমানে সদিচ্ছা নাথাকক কিয় আমাৰ মন্ত্ৰী সকলৰ ওপৰত যিমানেই সদ্দিচ্ছা নাথাকক কিয় যিমান ৰায়তী স্বত্বৰ কথা নকও কিয় আজিও হাজাৰ হাজাৰ ৰায়ত উচ্ছেদ হৈয়ে আছে। মই অৱশ্যে নকওঁ যে সকলো বিষয়াইৰ ৰায়ত বিৰোধী কিন্তু প্ৰায়বোৰ বিষয়াই প্ৰত্যক্ষ বা পৰোক্ষভাবে ৰায়ত সকলক উচ্ছেদ কৰাত সহায় কৰিছে। লগে লগে মই কথাও কব বিচাৰিছো যে যি দুই চাৰিজন বিষয়াই ৰায়তৰ স্বাৰ্থৰ পক্ষে কাম কৰিব খোজে তেওঁলোকেও

কাম কৰিব পৰা নাই। আমাৰ যি বিলাক এ, এচ ও বা এচ, দি, চি থাকে সেই সকলৰ ওপৰত ইমানেই কাম বোজা জাপি দিয়া হৈছে যে তেওঁলোকে বয়ত্তৰ কাম কৰিব খুজিলেও সময় উলিয়াব নোৱাৰে। কাৰণ আজি বৃত্তিৰ কাৰণে—চাৰ্টিফিকেট্ এচ দি চিয়ে দিব লাগে। একোটা চাৰ্কোলত এজনকৈ এচ দি চি থাকে কিন্তু এনেকুৱা হৈছে যে ৰায়ত আহি কেচ শুনানীৰ কাৰণে বৈ থাকে কিন্তু দেখিব চাৰিওফালৰ পৰা ল'ৰা-ছোৱালী বিলাকে আহি ঘেৰাও কৰিছে কাৰণ তেওঁলোকক বৃত্তিৰ কাৰণে বা অন্যান্য কাৰণেও চাৰ্টিফিকেট লাগে। গতিকে এই বিষয়া বিলাকৰ পৰা যদি আমি কাম আদায় কৰিব খুজিছো তেনেহলে প্ৰতিটো চাৰ্কোলতে একোজনকৈ মিচচিলিনাচ এচ দি চি দিব লাগে তেওঁ এই বিলাক চাব আৰু বাকীজনে এই ৰায়তী আইন, চিলিং আইন আদি ৰাজহৰ কাম কাজবিলাক চাব। আমি ৰায়তী স্বত্ব আইন সংশোধন কৰা সম্পৰ্কে বহুত কথাবতৰা আৰু ইতিমধ্যে বহুত পৰামৰ্শ আহিছে গতিকে মই ভাবো অনতিপলমে এই আইন সংশোধন কৰিব লাগে। মই আগতেওঁ বিধান সভাত আলোচনা প্ৰসঙ্গত কৈছিলো আৰু তেতিয়া ৰাজহ মন্ত্ৰীয়ে, আজি অৱশ্যে বেমাৰত পৰি আছে, প্ৰতিশ্ৰুতিও দিছিল যে ৰুল ফ্ৰেম কৰা সময়ত ইয়াৰ ব্যৱস্থা কৰা হব। মই তেতিয়া কৈছিলো যে ৰায়ত আৰু মাটি মালিকৰ মাজত বিবাদ হব। কাৰণ মাটি মালিকে কেচৰ সময়ত এচ দি চি বা এ এচ ও বা এচ ওৰ ওচৰত বহুত উকিল দিব আৰু তেতিয়া ৰায়ত বিপদত পৰিব। তেখেতে তেতিয়া প্ৰতিশ্ৰুতি দিছিল যে ৰুলত তাৰ ব্যৱস্থা কৰা হব যাতে ৰায়ত বিপদত নপৰে। মই নিজে দেখিছো একোটা কেচত মাটি মালিকে ১২ জন পৰ্যান্ত উকিল দিছে কিন্তু ৰায়তৰ টকা ক'ত ? আইনখনৰ উদ্দেশ্য আছিল যে তথ্যৰ ওপৰত নিৰ্ভৰ কৰি বিষয়াই ৰায় দিব। কিন্তু আইনৰ মেৰপাকৰ কাৰণে আজি ৰায়ত সকল বঞ্চিত হৈছে। সেই কাৰণে মই কৈছো যে ৰায়ত সকলক যাতে ৰায়তী স্বত্ব দিব পাৰি তাৰ কাৰণে আমি ব্যৱস্থা কৰা উচিত তাৰ পিচত মই আন এটা কথা কব বিচাৰিছো অৱশ্যে আমাৰ গৃহমন্ত্ৰী ডাঙৰীয়াই ধৰিয়ে লৈছে যে এতিয়া পুলিচৰ কথা কব। মই এটা কথ

পবিষ্কাৰকৈ কব বিচাৰিছো যে মই পুলিচ বিৰোধী নহয় কিন্তু পুলিচে সামাজিক লক্ষ্য বিচাৰ কৰা উচিত অর্থাৎ সমাজৰ লগত পুলিচ খাপ খব লাগে আৰু চৰকাৰৰ আইন সমূহ কার্য্যকৰী কৰাত পুলিচে সহায় কৰিব লাগে কিন্তু আইন ভঙ্গ কৰা বা সমাজে নিবিচৰা কামটো কৰা উদাহৰণ পুলিচৰ লগত আছে ।

এই সদনত এই কথা বিলাক তোলা হৈছে । 'চেটেলমেণ্ট অফিচাৰ, এচিষ্টেণ্ট চেটেলমেণ্ট অফিচাৰ' ইত্যাদি আৰু 'ৰেভিনিউকৰ্টে' ৰাইজক অধিকাৰ দিছে আৰু পুলিচক সেই অধিকাৰ ৰক্ষা কৰিবলৈ কোৱা হৈছে। কিন্তু তথাপিও পুলিছে মাটিৰ মালিকৰ পক্ষ সমৰ্থন কৰি ৰায়তক বঞ্চিত কৰিছে । আমাৰ মাননীয় গৃহমন্ত্ৰীয়ে হয়তো এইবিষয়ে অনুসন্ধান কৰিছে কিন্তু তেখেতে তেখেতৰ বিষয়া সকলৰ পৰা পোৱা ৰিপৰ্ট আৰু আমি পোৱা ৰিপৰ্টৰ মিল নেপাব । যদি নিৰপেক্ষ কিবা অনুসন্ধান কৰে তেতিয়াহলে তাৰ প্ৰমাণ পাব । প্ৰয়োজন হলে তাৰ তথ্যপাতিও আমি সদনত দাখিল কৰিব পাৰো । চাৰিগাওঁ মৌজাৰ এজন মাটিহীন লোক । এই লোক জনে অপৰ পক্ষৰ পৰা চাৰিগাওঁ মৌজাৰ ২নং ব্ৰামুণ গাৱঁৰ ৭৯ নং ম্যাদী পট্টাৰ ৯৫৬ দাগৰ দুই বিঘা, দুই কঠা, ছয় লেছা, ৭৩৯ দাগৰ এক বিঘা তিনি কঠা এঘাৰ লেছা, ৭৩৮ দাগৰ তিনি বিঘা আঠ লেছা মাটি আৰু ৮১৯ দাগৰ এক বিঘা চাৰি কঠা ১৯ লেছা মুঠ ন বিঘা এক কঠা চাৰি লেছা মাটি ৰায়ত হিচাবে বহুত বছৰ ৰবাবৰ ভোগ দখল কৰি আহিছে আৰু ৰায়ত হিচাবে খতিয়ানো পাইছে। বৰ্ত্তমান সেই ৰায়তক মাটিৰ মালিকে উচ্ছেদ কৰিলে । তেখেতে আইন মতে মাটি সহকাৰী বন্দবস্তি প্ৰাধিকাৰীৰ তাত মকৰ্দ্দমা কৰিলে আৰু প্ৰাধিকাৰীয়ে তেওঁৰ ফালে ৰায় দিলে । কিন্তু অপৰ পক্ষই ৯৫৬ দাগৰ উপৰিও বাকী সকলো মাটিৰ ধান বলপূৰ্ব্বক কাটি নিবৰ আয়োজন কৰে । সহকাৰী বন্দবস্তী প্ৰাধিকাৰিয়ে বে-আইনি ভাৱে বলপূৰ্ব্বক দখল উচ্ছেদ নকৰিবলৈ দিয়া জাননীও নেমানো বুলি কয় আৰু ধানকাটে । তাৰ পিছত সেই মহাজনে এ, ডি, চিৰ ওচৰত আবেদন কৰে । ৰায়তক ৰক্ষা কৰাৰ কাৰণে এ, ডি, চিয়ে এছ, পি-ক জনালে । পুলিচে সেই

ৰায়ত জনক থানালৈ মাতি আনি ৰাতি পুলিচ অফিচাৰ মাটিৰ মালিকৰ ঘৰলৈ গ'ল আৰু তাৰ পিছদিনাই মাটিৰ মালিকে সেই মাটিৰ পৰা ধান কাটি লৈ গ'ল। ইয়াৰ ভিতৰত কি যোগসূত্ৰ আছে সেইটো বিচাৰ কৰক। পুলিচক কেছ দিয়াৰ ফলত পুলিচে এটা কাম কৰিলে আৰু সেইটো হৈছে যে পুলিচে ৰায়তৰ খতিয়ান কেইখন 'চিজ' কৰি থৈছে। ৰায়তৰ কেচা খতিয়ান নম্বৰ ৪৫, গাওঁ ২নং বামুণ গাওঁ, মৌজা চাৰিগাওঁ ২নং ম্যাদি পট্টাৰ ৭৩৯ দাগৰ এক বিঘা তিনি কঠা এঘাৰ লেছা, খতিয়ান নং ৭, গাওঁ ২নং বামুণ গাওঁ মৌজা চাৰিগাওঁ ৭৯ ম্যাদী পট্টাৰ ৭৩৮ দাগৰ ৩২৮ আৰু ৮১৯ দাগৰ একবিঘা চাৰি কঠা ১৯ লেছা, ৰায়তৰ কেছা খতিয়ান নং ৯৯, গাওঁ ২নং বামুণ গাওঁ, মৌজা চাৰিগাওঁ ৭৯ নং ম্যাদী পট্টাৰ ৯৫৬ দাগৰ ডুই বিঘা ডুই কঠা ছয় লেছা। এইখিনি কাম কৰাৰ বাহিৰে পুলিচে আৰু একো কৰিব পৰা নাই। তাৰপিছত এখন টেলিগ্ৰাম যিখন আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও পাইছে, মই পাইছো আৰু সদনৰ বহুতেই পাইছে। এইখন কাছাৰৰ। তাত এই কথাটো লিখিছে– Dorgakuna T. E Manager burnt houses of Joypaul, patta holder labourer. Police arrested assaulted Joypaul. অৰ্থাৎ এক্স টি গাৰ্ডেন লেবাৰাৰ জলপালক মালিকে ঘৰ জ্বলাই উচ্ছেদ কৰিছে। পুলিচে তেওঁক মাৰপিতো কৰিলে। এই বিলাকেই হৈছে পুলিচৰ কাম। এনেকুৱা কাহিনী অনেক আছে। মহোদয় আপুনি কবলৈ দিলে মই এনেকুৱা পুলিচৰ কাহিনী কালিলৈ ৰাতি পুৱালৈকে কৈ থাকিব পাৰিম। গতিকে এই ক্ষেত্ৰতেই মই কওঁ সামাজিক পৰিবৰ্ত্তনৰ লগত সামঞ্জস্য ৰাখিবৰ কাৰণে এই বিভাগটোকো 'reorient' কৰাটো নিতান্তই দৰ্কাৰী হৈ পৰিছে। পুলিচ বিভাগটোৰএটা শ্ৰেণী চৰিত্ৰ আছে তেওঁবিলাকে সম্পতিৰ ক্ষেত্ৰত মালিকৰ পক্ষ লয় কাৰখানাত গণ্ডগোল হ'লে পুলিচে শ্ৰমিকৰ হকে মাতিবলৈ নেযায়, কিন্তু কাৰখানাৰ মালিকে মাতিলে পুলিচ তালৈ দৌৰি যায়। গতিকে এই পৰিপ্ৰেক্ষিতত এই এই বাহিনীটো পুনৰ সংগঠন কৰাৰ প্ৰশ্ন উঠিছে। আমাৰ পুলিচ ট্ৰেনিঙৰ ব্যৱস্থা আছে। তেওঁবিলাকৰ কাৰিকুলাম পৰিবৰ্ত্তন কৰি হলেও

পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাৰ লগত যাতে খাপ খোৱাই পৰিচালনা কৰিব লাগে সেইটোৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যি যি ঠাইত পুলিচে বা পুলিচ অফিচাৰ সকলে এইদৰে অন্যায় ভাৱে কাম কৰিছে তেওঁবিলাকৰ শাস্তিৰ ব্যৱস্থা কৰিব লাগে সেইটো দেখি শুনি অন্যবিলাক পুলিচ অফিচাৰে তেনেকুৱা কাম কৰিবলৈ আগ বঢ়াৰ সাহস গোটাব নোৱাৰে। টিয়ক থানাত এজন পঞ্চায়তৰ সভাপতিক মাতি নি (কোনো ওৱাৰেণ্ট নোহোৱাকৈয়ে) সাত ঘণ্টা ডিটেইন কৰি ৰাখি থোৱাৰ পিছত যেতিয়া তেওঁক জামিনত নিবলৈ আৰু কোনো মানুহ নাইকীয়া হ'ল তেতিয়া তেওঁক গধুলি ৭ বজাত এৰেষ্ট কৰিলে। মই এই লোক জন নিৰ্দ্দোষী বুলিও কোৱা নাই কিন্তু প্ৰচিডিউৰ মতে কাম নকৰিলে কিয়? আমি যি ৰাজনৈতিক, আন্তৰ্জাতিক আৰু জাতীয় পৰিস্থিতিত বাস কৰিছো সেই পৰিস্থিতিৰ ক্ষেত্ৰটো এই বিভাগটো সংগঠন কৰাৰ ব্যৱস্থা অতি আৱশ্যকীয় হৈ পৰিছে। আমাৰ ভিতৰুৱাল গাঁওবিলাকত কিছুমান বাহিৰৰ এজেণ্ট আহি লাখ লাখ টকা খেতিয়কক ঋণমুক্ত কৰাৰ নামত, গৰু-গাই কিনি দিয়াৰ নামত, আদি নানান অজুহাতত খৰছ কৰিছেহি। দয়াপৰবশ হৈয়ে এই বিলাক এজেণ্টে এই বিলাক কাম কৰিছেহি নে? কেতিয়াও নাই কৰা। এক বিৰাট ৰাজনৈতিক, জাতীয় আৰু আন্তৰ্জাতিক স্বাৰ্থ লৈ এই কাম কৰিছেহি। এই কথা বোধকৰো বাকী সকলেও জানে। আমি যদি সময় থাকোতেই সচেষ্ট হব নোৱাৰো তেতিয়াহলে, দেশৰ সাৰ্ব্বভৌমত্ব, দেশৰ নিৰাপত্তা আৰু সংসদী গণতন্ত্ৰক কেতিয়াও ৰক্ষা কৰিব নোৱাৰিম। সেই কাৰণেই আজি আমাৰ পুলিচ বাহিনীটো এই ঠাচত গঢ়ি তুলিব লগীয়া হৈছে।

তাৰ পিছত আমাৰ বন বিভাগৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়েও এটা কথা স্বীকাৰ কৰিছে যে, হাজাৰ হাজাৰ মানুহ এই ফৰেষ্টৰ ৰিজাৰ্ভৰ পৰা উচ্ছেদিত হৈ আছে। কিন্তু বনাঞ্চল নেলাগে বুলি মই কোৱা নাই। বনাঞ্চল লাগে বুলি কোৱা এটা কথা আৰু তাক ৰক্ষা কৰা আন এটা কথা। এইক্ষেত্ৰত সদনত বাৰে বাৰে যিটো শতকৰা হিচাব দেখুৱাই অহা হৈছে সেইটো সঁচা নহয়।

মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ফৰেষ্ট বিভাগৰ বিষয়ে ২।৪টা মান কথা কবলৈ বিচাৰিছোঁ। আগতে এইবিষয়ে মই আলোচনা কৰিবলৈ নাপালোঁ। মন্ত্ৰী ডাঙৰীয়াই নিজেই স্বীকাৰ কৰিছে যে এটা কথা অনবৰতে চলি আছে সেইটো হ'ল আমাৰ বনবিভাগৰ মাটিৰ পৰা হাজাৰ হাজাৰ কৃষকক উচ্ছেদ কৰা হৈছে। মই এই কথাটো অস্বীকাৰ নকৰো যে এখন দেশত বা এখন ৰাজ্যত যথেষ্ট পৰিমাণে বা প্ৰয়োজন মতে বনাঞ্চল লাগে। কিন্তু বনাঞ্চল যদিও আমাক লাগে আৰু বনাঞ্চল ৰক্ষাও কৰিব লাগিব, কিন্তু বনাঞ্চল ৰক্ষা কৰা আৰু বনাঞ্চলৰ কাঠ ৰক্ষা কৰাটো এটা বেলেগ কথা। এই সদনতে মন্ত্ৰী ডাঙৰীয়াই টুটেল এৰিয়া অৰ ফৰেষ্টৰ যিটো হিচাপ দিছে সেইটো আচলতে ঠিক নহয়। আমাৰ দেশত তিনি বিধ বা আমাৰ ৰাজ্যত তিনিবিধ বনাঞ্চল আছে। এবিধ চৰকাৰী ৰিজাৰ্ভ আৰু এবিধ আনৰিজাৰ্ভ ফৰেষ্ট আৰু আনবিধ প্ৰাইভেট ফৰেষ্ট। আমাৰ দেশৰ আৱহাওৱা আৰু জলবায়ুৰ কাৰণে এই বনাঞ্চল প্ৰয়োজন আছে। প্ৰাইভেট ফৰেষ্টৰ কোনো হিচাপ আমি পোৱা নাই। ৰিজাৰ্ভ ফৰেষ্ট আৰু আন ৰিজাৰ্ভ ফৰেষ্ট প্ৰায় শতকৰা ৩৫ ভাগ হব লাগে আৰু প্ৰাইভেট ফৰেষ্ট ধৰিলে শতকৰা ৪০ ভাগতকৈ বেছি হব। এতিয়া কিমান বনাঞ্চল লাগে সেইটো নিৰূপন কৰিব লাগে। বনাঞ্চল মানে কিছুমান মাটি ৰক্ষা কৰাকে নুবুজায় তাত যিমান মাটি আছে বা বনাঞ্চল ৰক্ষা কৰা হৈছে তাত নতুনকৈ গছ পুলি ৰোৱাৰ ব্যৱস্থা কৰিলেহে বনাঞ্চল ৰক্ষা কৰা হব। অৱশ্যে কিছু কিছু ঠাইত গছ পুলি ৰোৱা হৈছে কিন্তু যিমানখিনি ঠাইত কৰিব লাগিছিল সেইখিনি হোৱা নাই। গতিকে বনাঞ্চল ৰক্ষা কৰাৰ ক্ষেত্ৰত এটা চাৰ্জে হব লাগে। সেইটো হ'ল কিমান ফৰেষ্ট ৰখা হব কিমান বছৰৰ ভিতৰত সেইটো সম্পূৰ্ণ কৰা হব। কিমান গছপুলি ৰোৱা হব। সেই সকলোবোৰ কথা বিবেচনা কৰি বনাঞ্চলৰ পৰিকল্পনা লব লাগিব।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী)—আমাৰ যিটো ফৰেষ্ট ৰিজাৰ্ভ আছে তাত শতকৰা হিচাব মতে চালে শতকৰা ২০'৮ ভাগ ৰিজাৰ্ভ আছে। কিন্তু আমাক শতকৰা ৩৩ ভাগ ফৰেষ্ট লাগে। অসমত প্ৰাইভেট ফৰেষ্ট নাই বুলিয়ে

কব পাৰি। কিয়নো যিটো ফৰেষ্ট আছে প্ৰাইভেট হিচাবে সেইটো নিচেই সৰু, ফৰেষ্টৰ ভিতৰত নপৰে। শতকৰা ৩৩ ভাগ কৰিবলৈ গলে বৈজ্ঞানিক পদ্ধতিত ফৰেষ্ট নহব। গতিকে শতকৰা ২০.৮ ভাগ ফৰেষ্ট কৰি বৈজ্ঞানিক পদ্ধতিত সেইবিলাক সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীতুলাল খাউণ্ড—আমাৰ এই বন বিভাগ সম্পৰ্কত সৰ্বভাৰতীয় ভিত্তিত যিটো হিচাপ দেখুৱাইছে সেই হিচাপটোক মন্ত্ৰী ডাঙৰীয়াই পঢ়ি চালে ভাল হব। আজি যিবিলাক বিষয়াক এই ফৰেষ্ট সংৰক্ষণৰ দায়িত্বত ৰখা হৈছে সেই সকলে কেনেভাৱে এই দায়িত্ব পালন কৰিছে তাক দুই এটা উদাহৰণ দিলেই বুজিব। আপুনি ধেমাজী মহকুমালৈ গলে বা লক্ষীমপুৰ আৰু ডিব্ৰুগড়ৰ পূবলৈ গলেই এই কথাটো প্ৰমানিত হব যে তাত থকা ঠিকাদাৰ বিলাকে কূপৰ ব্যৱস্থাৰ সুযোগ লৈ এই জঙ্গল বিলাকত কাঠ কাটি খাস্তাং কৰিছে। মই নিজে ধৰি দিব পাৰো। আৰু তেখেত সকলেও অনুসন্ধান কৰিলে এইটো ধৰিব পাৰিব। এই বিষয়ত মই কেৱল দুই চাৰিটা কথাহে উনুকিয়াইছো ('ছৰুটোৰ দুই চাৰিটা ভাত চুই চালেই ৰান্ধনিয়ে ভাত সিজিছে নাই গম পায়।) অৱশ্যে ৰান্ধনি ভাল হব লাগিব। মই এটা কথা কওঁ ফৰেষ্টৰ কিছুমান ষ্টোন কোৱেৰী আছে। কাছাৰত গোমৰা কোৱেৰী আছে, জাতিংগা কম্বাইন ষ্টোন কৰি কোৱেৰী আছে। এই বিলাকত কোনো টেণ্ডাৰ নোহোৱাকৈ, কোনো ৰিপোৰ্ট নোহোৱাকৈ এক্সটেনচন দি থকা হৈছে।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী)—এইটো সঁচা নহয়।

শ্ৰীতুলাল খাউণ্ড—কি কাৰণত ৰিপোৰ্ট নোহোৱাকৈ টেণ্ডাৰ নোহোৱকৈ তাত এক্সটেনচন দিয়া হ'ল? কথাটো সত্য হলে সাংঘাটিক, এই এক্সটেনচন দিয়াৰ ক্ষেত্ৰত তাত কিছুমান মুধাফুটা মানুহ পাৰ্টনাৰচিপৰ লগত জৰিত হৈ আছে। আমাৰ অসমীয়াত এটা কথা আছে ৰজাই ভাল দেখে যাক মাটি-ভেটিও নালাগে তাক। সেই কথাটোকে মই ওলোটাই কব পাৰো। মন্ত্ৰীয়ে ভাল দেখে যাক টেণ্ডাৰ-ৰিপোৰ্ট একোৱেই নালাগে তাক। কথাটো সত্য হলে বৰ সাংঘাটিক, যদি মিছা হয় মইও ভাল পাম।

Dr. Lutfur Rahman ( Minister, Forests)—Sir, I want to intervene. These are personelly known to me because one of the Mahals happens to be in my own constituency and the other Abdul Hamid Choudhury. The statement being made by the Hon'ble Member is furthest from the truth.

শ্ৰীহূলাল খাউণ্ড—এই বিষয়ে এটা অনুসন্ধান কৰিবলৈ মই অনুৰোধ জনাইছো। তাৰ পিচত মই আবকাৰী বিভাগলৈ আহো। এই বিভগটো আমাৰ ৰাজ্যিক চৰকাৰৰ বিৰাট এটা ৰেভিনিউ আৰনিং বিভাগ। এই বিভাগটোত কাম কৰা বিভিন্ন কৰ্মচাৰী সকলে চৰকাৰী কাম-কাজ কৰিবলৈ যিখিনি সা-সুবিধা পাব লাগিছিল সেইখিনি পোৱা নাই। কেতিয়াবা কেতিয়াবা আৱকাৰী কামত তেওঁলোকে ৰাতি দুটা তিনিটা বজাতো ৰেইড কৰিবলৈ যায়। তেওঁলোকৰ এই কাৰ্য্য সম্পূৰ্ণ পুলিচৰ নিচিনাই। কিন্তু যেতিয়া জাৰ কালি তেওঁলোক যাব লগীয়া হয় তেওঁলোকে বৰ ঠাণ্ডা বা জাৰ অনুভৱ কৰে। কিয়নো তেওঁলোকক কোনো ধৰণৰ গৰম কাপোৰ ইত্যাদি যোগান ধৰা হোৱা নাই। তাৰোপৰি তেওঁলোকে এনেবিলাক কামত ইঠাইৰ পৰা সিঠাইলৈ যিকোনো মুহূৰ্ততে যাবলগীয়া হব পাৰে। কিন্তু সেই ক্ষেত্ৰত তেওঁলোকৰ অহা-যোৱাৰ কাৰণে কোনো গাড়ী ঘোৰা ইত্যাদিৰ ব্যৱস্থা নাই।

তেওঁলোকৰ থাকিবৰ কাৰণে কোৱাৰ্টাৰ নাই ই-ঠাইৰ পৰা সিঠাইলৈ বদলি কৰা হয় কিন্তু তাৰ কাৰণে তেওঁলোকে অযথা অসুবিধাত পৰে। এই বিভাগটোৱে আমাক ৰাজহ ভালেমান দিয়ে, উপাৰ্জন দিয়া এই বিভাগটোৰ প্ৰতি চকু দিবলৈ মই মন্ত্ৰী মহোদয়ৰ লগতে মুখ্যমন্ত্ৰী মহোদয়কো আহ্বান জনাইছো। বিভাগীয় মন্ত্ৰী ডাঙৰীয়া নাই গতিকে কথাখিনি মুখ্যমন্ত্ৰী মহোদয়ে চকু দিব বুলি আশা ৰাখিছো। লগতে আৰু এটা কথা কৈ থওঁ। এই বিভাগৰ পৰা ৰেইড আদি চলাবলৈ হ'লে যোৰহাটত এটা অফিচ আছে আৰু যোৰহাটত এজন নিৰ্দ্দিষ্ট লোক আছে তেওঁৰ কেবাখনো বাচ আছে আৰু এই বিভাগৰ পৰা ৰেইড আদি চলাবলৈ হলে এই নিৰ্দ্দিষ্ট মানুহজনৰ বাচহে ভাড়া

কৰি লৈ যোৱা হয় যদি খবৰ কৰি পায় যে তেওঁৰ বাচ যোৰহাটত নাই তেতিয়া হলে সিদিনালৈকে ৰেইড বন্ধ ৰাখে আৰু যেতিয়া সেই বিশেষ মালিকজনৰ বাচ আহি পায় তেতিয়াহে ৰেইডৰ বাবে যায়। বাচ নাথাকিলে প্ৰগ্ৰেম কেনচেল কৰে। এইটো অলপ চালে নিশ্চয় ভাল পাম। তাৰ পিচত যাতায়ত সম্পৰ্কে কওঁ যে এই সদনতে তিনিজন মাননীয় সদস্যৰ দ্বাৰা এটা কমিটি কৰা হৈছিল আৰু বোধকৰো সেই কমিটিয়ে ৰিপৰ্টো চাবমিট কৰিছে কিন্তু অধ্যক্ষ মহোদয়, আমাৰ দুই প্ৰকাৰৰ বাচ আছে। এবিধ ৰঙা আৰু আন এবিধ নীলা। ৰঙা বিধত ভাড়া অলপ কম আৰু নীলা বিধত ভাড়া বেছি চুপাৰ এক্সপ্ৰেচ বুলি কোৱা হয়। মই যোৱা চৈধ্য তাৰিখে বিধান সভা বন্ধ থকা কাৰণে ঘৰলৈ গৈছিলো। দিশপুৰৰ পৰা তেনে এখন নীলা গাড়ীতে ভাড়া বেছি দি যাবলৈ ওলালো। কিন্তু বাটত গৈ সেই গাড়ীখনৰ কিবা পাইপ ফাটিল আৰু যাব নোৱাৰা হ'ল, পিচত আন এখন নীলা গাড়ী আহি মানুহখিনিক লৈ যোৱাৰ দিহা কৰিলে কিন্তু এশ পঞ্চাশ গজমান যোৱাৰ পিচত নচলা হ'ল সেইখনৰ আকৌ স্প্ৰীং ভাগিল, যাব নোৱাৰা হ'ল আৰু তাৰ পিচত আন এখন নীলা গাড়ী আহি মানুহখিনি লৈ যোৱাৰ দিহা কৰিলে কিন্তু অলপ দূৰ যোৱাৰ পিচত সেইখনৰ আকৌ কিবা এয়াৰ লকিং হ'ল সেইখনো যাব নোৱাৰা হ'ল। তাৰ পিচত যেনিবা এখন ৰঙা গাড়ী আহি যাত্ৰীখিনি নিয়াৰ ব্যৱস্থা কৰিলে আৰু কোনোমতে পৌছাই দিলেগৈ। শেষ পৰ্য্যন্তত ৰঙা গাড়ীয়েই পঠালে। মোৰ দলৰ ৰঙা ৰঙ কাৰণে বা মই ৰঙা ৰঙ ভাল পাওঁ বুলি নহয় কিন্তু ৰঙা ৰঙ বেয়া পালেও শেষ পৰ্যন্ত আটাইখিনি মানুহক ৰঙা গাড়ীৰেই পঠালে। গতিকে এইটো ক্ষেত্ৰত ৰাইজৰ পইচা যথে মধে খৰচ কৰিবলৈ নিদি ভাল গাড়ী কেইখনমান দিয়ক যদি সঁচাকৈ ৰাইজৰ সেৱা কাৰ্য্য কৰিব খোজে। কেৱল ৰঙা নীলা চুপাৰ এক্সপ্ৰেছ আদি নাম দি ৰাইজৰ পৰা দাম বেছিকৈ লোৱাৰ ব্যৱস্থা কৰিব নালাগে।

অধ্যক্ষ মহোদয়, তাৰ পিচত মই আমাৰ সমবায় সম্পৰ্কে অলপ কথা কব খুজিছো। আমাৰ অসমত ৬৬৩ খন সমবায় সমিতি গঠন

কৰা হৈছে। গাওঁ পঞ্চায়ত পৰ্য্যায়ত যিবিলাক সমবায় গঠন কৰা হৈছে সেইবিলাক মই সম্পূৰ্ণ সমৰ্থন কৰো কিন্তু বেছি শক্তিশালী কৰাতোহে উচিত হব। আমাৰ সমবায় বিলাক তিনিটা ভাগত ভগাব পাৰি। কিছুমানে ভাল কাম কৰিছে, কিছুমান মোটামোটিভাৱে চলি আছে আৰু কিছুমান একেবাৰে বেয়া। মই চৰকাৰক অনুৰোধ জনাওঁ যাতে যিবিলাক সমবায় সমিতিয়ে ভাল কাম কৰিবলৈ উপযুক্ত কৰি তোলে। সেই সমবায় সমিতি বিলাকক গুদাম ঘৰ আদি সজাবলৈ টকা আদি দি সহায় কৰা উচিত হব। আকৌ কিছুমান সমবায় আছে যি বিলাকে বিভিন্ন ক্ষেত্ৰত ব্যৱসায়, বাণিজ্য ক্ষেত্ৰত বা কৃষিৰ ক্ষেত্ৰত কিছুমান সমবায় নাম লৈ আচলতে ধনী মানুহ কিছুমানৰ চুক্তিতহে চলি আছে। ধনী মানুহ বিলাকে কিছুমান লোকক সমবায়ৰ নামত ৰাখি লেবাৰাৰ হিচাবে ব্যৱস্থা কৰি সমবায় চলাই আছে। সেই বিলাক সমবায় পুনৰগঠন কৰি নতুন সমবায় আইন মতে এই সমবায় বিলাক চলাব পাৰিলে নিশ্চয় ভাল কাম হব আৰু তেতিয়াহে যি উদ্দেশ্য আগত লৈ সমবায় বিলাক গঠন কৰা হৈছিল সেই উদ্দেশ্যত ফলৱতী হব পৰা যাব। আমি যদি সঁচা-কৈয়ে সমবায় কৃতকাৰ্য্য কৰি তুলিব লাগে তেতিয়া হলে নিত্য প্ৰয়োজনীয় বস্তুবিলাক সমবায়ৰ জৰিয়তে ৰাইজৰ মাজত বিতৰণ কৰিব লাগিব আৰু যাতে ৰাইজে মহাজন শ্ৰেণীৰ পৰা মুক্ত থাকে সেইটো লক্ষ্য কৰিব লাগিব। এপেক্স কোঅপাৰেটিভ ফেডাৰেচন কৰাৰ যিটো কথা উঠিছে তাৰ যোগেদি বস্তু আদি বিতৰণ কৰাৰ যিটো ব্যৱস্থা কৰিব খোজা হৈছে সেইটো আৰু খৰতকীয়া কৰা দৰকাৰ হব। গাওঁ পঞ্চায়তৰ ভিত্তিত পাইকাৰী সমবায় হৈছে। সেইবিলাক পঞ্চায়তৰ যোগেদি বস্তু দিয়াৰ ব্যৱস্থা কৰিব লাগে। এতিয়া যদিও দুই চাৰি পদ বস্তু দিয়া হৈছে তথাপি বেছিভাগ বস্তুৰ কাৰণে মহাজন শ্ৰেণীৰ ওপৰত নিৰ্ভৰ কৰিছে। গাওঁ বিলাকত এই সমবায়ৰ যোগেদি বস্তু বিক্ৰী কৰিবলৈ এজেণ্ট কিছুমান নিয়োগ কৰা হৈছে। এই ক্ষেত্ৰত যোগান বিভাগৰ কি ভূমিকা হব সেইটো প্ৰশ্ন কৰা হৈছিল। মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে যোগান বিভাগে এইবিলাক পৰিদৰ্শন কৰিব আৰু ক'অপাৰেটিভ বিলাক

ছেক কৰিব। কিন্তু এটা উদাহৰণ এই ক্ষেত্ৰত দাঙি ধৰিব খুজিছো যে সমবায় দোকান এখন পৰিদৰ্শন কৰিবলৈ যোগান বিভাগৰ পৰা এচ অ ই আৰু এ এচ-আই দুজন গল আৰু দোকানৰ খেলিমেলি আছে বুলি গম পালে। লগত গৈছিল সমবায়ৰ এজন মানুহ তাৰ পিচত এচ-আই জনে কলে যে দোকানত খেলিমেলি পাইছে গতিকে যদি পঞ্চাশ টকা এ-এচ-আই জনক আৰু এশ টকা তেওঁক নিদিয়ে তেতিয়াহলে তেওঁলোকে বেয়াকৈ লিখিব। পিচে দোকানী জনে তেওঁৰ হাতত টকা নাই বুলি কোৱাত সমবায়ৰ মানুহজনে তেওঁৰ পৰা টকা ধাৰলৈ দিলে আৰু দোকানী-জনে সেই টকাকে কোৱামতে দিলে। মই মুখ্যমন্ত্ৰীক জনাব খুজিছো যে এই বিলাক সমবায়ৰ বেমেজালি যাতে আতৰ কৰাৰ কাৰণে চেষ্টা কৰে সেই সম্পৰ্কে যাতে চোকা নজৰ দিয়ে।

অধ্যক্ষ মহোদয়, এতিয়া আমাৰ প্ৰশাসন সম্পৰ্কে অলপ কথা কব খুজিছো। দীঘলীয়া কৰিব নোখোজো। কিন্তু এটা কথা মই কব বিচাৰিছো যে আমাৰ জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত কেইমাহ মানলৈ প্ৰশাসন ব্যৱস্থা ভালদৰে চলিছিল কিন্তু তাৰ পিচত এই প্ৰশাসন ইমান শিথিল হৈ গৈছে যে যোৱা তিনিমাহমান এই প্ৰশাসন ব্যৱস্থা ব্যৱস্থাই কোনো কাম কৰিব পৰা নাই। এতিয়া প্ৰশাসনীয় ব্যৱস্থা জৰুৰী অৱস্থা ঘোষণা কৰাৰ আগৰ অৱস্থালৈ ঘূৰি আহিছে। সকলোফালে শিথিল হৈ গৈছে। এই কথাও কোনেও নুই কৰিব নোৱাৰে আৰু যদি কোনোবাই নুই কৰিব খোজে তেনেহলে মই তেখেতক প্ৰত্যাহ্বান জনাম। আজি ভূমিবিতৰণৰ ব্যৱস্থা যোৱা তিনি মাহত অতি মন্থৰ গতিৰ হৈ গৈছে।

(অধ্যক্ষৰ আসনত চেয়াৰম্যান উপবিষ্ট হয়।)

আজি শিক্ষাৰ শিতানত বহুতো মাননীয় সদস্যই শিক্ষা সম্পৰ্কে আলোচনা কৰিছে আৰু গঠনমূলক পৰামৰ্শ দিছে। মুখ্যমন্ত্ৰী মহোদয়ে মোটামোটি ভাৱে এটা নীতি সম্পৰ্কীয় বিবৃতি দিছে। কিন্তু এই গঠন মূলক কথা বিলাকৰ আলোচনা শুনিবলৈ শিক্ষা সচিব নাই আৰু সঞ্চালক জনো নাই। এই সদনত আলোচনা হোৱা কথা বিলাক তেখেতসকলে

শুনাৰ আৱশ্যকতা নাই বুলি ভাবিয়েই হয়তো অহা নাই। ইয়াৰ ফলত মুখ্যমন্ত্ৰী মহোদয়ে আগতে এটা শিক্ষাৰ স্কুল পাতি তাত শিক্ষা সচিব আৰু ডি-পি-আই জনক শিক্ষা দিব লাগিব আৰু তাৰ পিচত তেওঁলোকে সেই শিক্ষা ব্যৱস্থাৰ প্ৰচাৰ, আৰু বিকাশৰ কাৰণে চেষ্টা কৰিব পাৰিব আৰু শিক্ষা বিভাগৰ কাম বিলাকো নিয়াৰিকৈ কৰিব পাৰিব। এইটো কথা নিশ্চয় মুখ্যমন্ত্ৰী মহোদয়ে চাব। চেয়াৰম্যান মহোদয়, অথনি এটা কথা কবলৈ সময় নাপালো। এতিয়া কওঁ। আমাৰ ইয়াত ইউথ ওৱেল-ফেয়াৰ বিভাগ আছে। মুখ্যমন্ত্ৰী মহোদয়ে অথনি ধেমালিৰ সুৰতেই উত্তৰ দিছিল। আমাৰ ইয়াত যুৱকে একৈশ বছৰত পৰিপূৰ্ণতা লাভ কৰিব পাৰে বুলি তেখেতে কৈছিল। কিন্তু এটা কথা মুখ্যমন্ত্ৰী মহোদয়ে বিবেচনা কৰিব লাগে যে পৃথিবীৰ সকলো দেশৰে যুৱক সকলে ওঠৰ বছৰত পৰিপূৰ্ণতা লাভ কৰিব পাৰে তেতিয়াহলে আমাৰ ইয়াৰ যুৱকৰ পৰিপূৰ্ণতাৰ কাৰণে কিয় একৈশ বছৰ লাগে। আমাৰ ভাৰতীয় যুৱকৰ কি ডেফিচেন্সি আছে যে একৈশ বছৰ লাগে।

পৃথিবীৰ সকলো দেশৰ যুৱকে ১৮ বছৰ বয়সত পৰিপূৰ্ণতা লাভ কৰে। ভাৰতৰ যুৱক সকলৰ কিবা ডেফিচেন্সি আছে নেকি যে তেওঁলোকৰ ২১ বছৰ লাগে। সমগ্ৰ সমাজতান্ত্ৰিক দেশতে যুৱক সকলে ১৮ বছৰত ভোট দিয়ে। আমি যুৱক সকলক দায়িত্ব দিয়াৰ কথা কওঁ, সমাজৰ পৰিবৰ্তনত ভূমিকা লোৱাৰ কথা কওঁ, উপদেশ দিওঁ। আমাৰ দেশখন যেতিয়া আক্ৰান্তিত হয় তেতিয়া তেওঁলোকক মৰিবলৈ পঠিয়াই দিওঁ। সকলো ক্ষেত্ৰতে যুৱক সকলৰ সহায় বিচাৰো। যুৱক সকলক ১৮ বছৰত ভোট দিয়াৰ অধিকাৰ নিদিয়াৰ ফলত ভাৰতৰ যুৱক সকলৰ মাজত অসন্তোষ্টি আছে। এই কথাটো অত্যন্ত গভীৰ ভাৱে চিন্তা কৰিব লাগে। ১৮ বছৰীয়া, ২১ বছৰীয়া যুৱক সকল নতুন আদৰ্শ নতুন দৃষ্টিভঙ্গী গ্ৰহণ কৰা সম্পৰ্কত আগৰণুৱা। তেওঁলোকৰ সম্পত্তিৰ মোহ, পৰিয়ালৰ বান্ধন ইত্যাদি নথকাৰ ফলত খুব সোনকালে কিছুমান নতুন আদৰ্শ, নতুন দৃষ্টিভঙ্গী গ্ৰহণ কৰিব পাৰে। সেই কাৰণে যুৱক সকলক দায়িত্বত অংশ গ্ৰহণ কৰিবলৈ আহ্বান কৰাৰ লগে লগে অধিকাৰৰ অংশ

দিবলৈ ওলাও তেনেহলে দেশৰ কাৰণে মঙ্গলজনক নহবনে ? এই কথাটো বিবেচনা কৰিবৰ কাৰণে দাঙি ধৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—সভাপতি মহোদয়, এপ্ৰপ্ৰিয়েচন বিল সম্পৰ্কত তুষাৰ কৰলৈ আগবাঢ়িছো। ইতিমধ্যে বহু বিলাক আলোচনা হৈছে। মই আটাই বিলাক বিভাগত হস্তক্ষেপ নকৰো। মই প্ৰথমতে কৃষি বিভাগ সম্পৰ্কত তুষাৰ কৰলৈ আগবাঢ়িছো। কৃষি বিভাগৰ মূল কথা আছিল জমিদাৰী, জোটদাৰ উচ্ছেদ কৰি ভূমি সম্পৰ্কত সংস্কাৰ কৰি খেতিয়কক মাটি দিয়া কথাটো আজিৰ কথা নহয়। স্বাধীনতা লাভ হোৱাৰ বহু দিন আগৰে পৰা এই দাবী আছিল। প্ৰাকৃতিক দুৰ্যোগৰ পৰা খেতিক মুক্ত কৰিবৰ কাৰণে আৰু অকল প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি খেতি নকৰা সম্পৰ্কত আন্দোলন আছিল। পানীযোগানৰ ব্যৱস্থা, গৰু খহনীয়াৰ পৰা ৰক্ষা কৰা, উন্নত ধৰণৰ নাঙল, হাল গৰুৰ যোগান, উন্নত বীজ যোগান ধৰি অধিক শস্য উৎপাদন কৰা কথা আছিল। খেতিয়ক সকলক উন্নত ধৰণৰ খেতিয়ক বনোৱাৰ এটা প্ৰচেষ্টা লোৱা হওক, এই মূল কথা কেইটা আছিল। সভাপতি মহোদয়, জমিদাৰী উচ্ছেদ হৈছে। চিলিং আইন কৰিছে, জমি সম্পৰ্কত খেলি-মেলি হৈছে, এই কথা বিধান সভাৰ জৰিয়তে গম পাইছো। গাঁৱত বেনামী মাটি বাঢ়িছে, এক্স, ওৱাই জেদৰ নামত মাটি ৰাখি আত্মসাৎ কৰিছে। চৰকাৰে এই বিলাক জমি বণ্টন কৰিব পৰা নাই। আনফালে খেতিয়ক সকলে যিমান খিনি সহায় বিচাৰে সিমান খিনি দিব পৰা নাই। পানী যোগানৰ ব্যৱস্থা কৰিব পৰা নাই। খেতিয়ক সকলৰ জীৱনৰ মান উন্নত কৰাত চৰকাৰ ব্যৰ্থ হৈছে। ভূমি পট্টন নীতি দুৰ্বল হৈছে যেন লাগে। শ্ৰীখাউণ্ড ডাঙৰীয়াই কৈছে খেতিয়ক সকলৰ অধিয়াৰৰ নামত যিটো আন্দোলন চলিছে তাত তেওঁলোকক ৰক্ষনাবেক্ষণ দিব পৰা নাই। অধিয়াৰ আইন সমৰ্থন কৰো নে নকৰো সেই প্ৰশ্ন নুঠে। এই প্ৰশ্ন উঠে যে ৰায়ত সকলক ৰক্ষণা বেক্ষণ দিব পৰা নাই। মাটি থকা মানুহে দুৰ্ব্বল সকলৰ মাটিত খেতি কৰি দখল কৰি বহি আছে। বৰং সবল মানুহ বিলাক বেচি লাভবান হৈছে। বিষয়াৰ জৰিয়তেই হওক বা কমিটিৰ জৰিয়তেই

হওঁক এই বিলাক তদন্ত কৰি অতি সোনকালে ব্যৱস্থা লোৱা উচিত নহলে গাওঁ বিলাকত মাটি সম্পৰ্কত খেলি-মেলি হব পাৰে বুলি ভাবো। ভুল বুজা বুজি বেলেগ ঠাইত হব পাৰে। সেই হিচাবে চৰকাৰে সাৱধানতা লৈ পৰিচালনা কৰা উচিত। পুলিচ বিভাগ সম্পৰ্কত দুষাৰ কব বিচাৰিছো। এই ঘটনাটো মই গৃহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। মানুহজনে বেমাৰী কেচুৱাৰ কাৰণে ঔষধ আনিবলৈ বজাৰলৈ গৈছিল। সেই মানুহ জনক শ্ৰীললিত ডেকা নামৰ পুলিচ বিষয়া জনে বাটতে ধৰি মাৰি পেলাইছে। ৰাইজে দেখিছে মৰিয়াই মাৰিছে। এনেধৰণৰ মানুহ বৰ্খাস্ত হব লাগে। পিচ দিনা সেই কেচুৱাটো মৰিছে। এই বিধবা গৰাকীৰ অৱস্থা এতিয়া কি হব ? গোলোকগঞ্জ অঞ্চলত ডকাইতি হৈছিল। ডকাইতক নধৰি আন মানুহক ধৰি মাৰিছে চি, আই অচি গৈছে কোনেও মৰা নাই। শ্ৰীললিত ডেকাই কেবল মাৰিছে। মই সদনত এটা কথা কৈছিলো যে গোপাল ডকাইত নামৰ এজন ডকাইত আছিল। তেওঁ ১৫ বছৰ আগতে এটা ডকাইতি কেচত ধৰা পৰিছিল কনভিক্টেড হোৱা নাই। সেই মানুহ জনৰ স্ত্ৰীক মেডিকেল বিভাগৰ লেডি এচিচ-টেণ্ট চাকৰি দিছে। তেওঁ এতিয়া সমাজ সেৱাৰ কাম কৰে।

তাৰ পিচত এই মানুহজনক আকৌ ধৰি লৈ গ'ল অৱশ্যে এচ পিয়ে ৰিলিজ দিছে। কিন্তু এইবোৰ কৰা মানুহ সেই একেজন—তেওঁ হ'ল এই ললিত ডেকা। এজন মানুহে যে ইমান অত্যাচাৰ কৰিব পাৰে তাৰ নিদৰ্শন কালিয়ে যদি খবৰ কৰে তাৰ প্ৰমান পাব ! ডকাইত ধৰিব লাগে—ডকাইত ধৰাটো মই ভাল পাওঁ ৰাতি তেওঁলোকে যি অত্যাচাৰ কৰে কিন্তু ডকাইতৰ নামত ধৰি আনি মাৰধৰ কৰাটো কিমানদূৰ সমীচিন সেইটো আপোনালোকে চিন্তা কৰি চাব। এই ললিত ডেকা নামৰ পুলিচজনে তাত বিভীষিকাৰ সৃষ্টি কৰিছে। তাক যদি চাচপেণ্ড বা দিচ-মিচো কৰে তেনেহলে ৰাইজে ভাবিব ওপৰ মহলত মানুহ আছে। এই মানুহজন এনেকুৱা মানুহ যে চইচৰ মন্ত্ৰী নহলে য'তে ততে মন্ত্ৰী বা এম এল ক সমালোচনা কৰে। আগমনিলৈ গলে এই কথা সকলোৱে প্ৰমান কৰি দিব। গতিকে এই বিষয়ে এটা তৎক্ষণাৎ ব্যৱস্থা কৰিবলৈ

মই গৃহমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তাৰ পিচত যিবিলাক পুলিচ বোৰ্ডাৰত থাকে তেওঁলোকৰ ঘৰদুৱাৰ নাই। ৰাইজে গৈ বাহ খেৰ নি তেওঁলোকক ঘৰ-দুৱাৰ বনাই দিছে কিন্তু চৰকাৰে তেওঁলোকক কোনো সুবিধা দিয়া নাই। কিন্তু চহৰ বিলাকত যি সকল পুলিচে কাম কৰে তেওঁলোকক কিন্তু ভাল সুবিধাই দিছে কিন্তু গাওঁ ভূৱে যিবিলাক পুলিচ আছে তেওঁলোকক কোনো সুবিধা দিয়া নাই। গুৱাহাটীত দালান বান্ধিছে, ধুবুৰীতও বান্ধিছে কিন্তু বোৰ্ডাৰৰ যিবিলাক চিপাহী তেওঁলোকৰ কোনো সুবিধা নাই। তেওঁলোককো মানুহ হিচাবে জীয়াই থাকিব দিব লাগিব। ছাগলীয়া নামৰ এঠাইত টিনৰ চালি কৰি আছে, কোন মুহুৰ্ত্তত ধুমুহা আহি ভাঙ্গি যায় তাৰ ঠিকনা নাই। মই যেতিয়াই যাও সেই একে কথাকে কয় যে কিবা ব্যৱস্থা কৰি দিয়ক। গতিকে পুলিচ হলেও ভাল কাম কৰা কেইজনক স্বীকৃতি দিব লাগিব।

তাৰ পিচত ৰাজহ বিভাগৰ দুটামান কথা কব বিচাৰিছো। আমাৰ ৰাজহ মন্ত্ৰী নতুন মানুহ। আমাৰ গমোঠা পথাৰৰ দিঙ দিঙাত কেইঘৰমান দুখীয়া মানুহক ৪-৫ বিঘাকৈ মাটি দিছিল। তাত প্ৰায় দেৰ হাজাৰ দুহেজাৰ মান মাটি আছে তাৰে কেইঘৰ মানক ৪-৫ বিঘাকৈ মাটি দিছে একচনা পট্টা কৰি। তাৰে দুজনমানে চাহ বাগিছাৰ মালিকৰ লগত কনটেক্ট কৰি ১২০ টকাকৈ বেছি দিছে গতিকে বাকী বিলাকৰ এতিয়া অৱস্থা বেয়। কাৰণ তেওঁলোককো হেচা দিছে কিছুমান ধুৰন্ধৰে মাটি বেছি দিব লাগে বুলি। এই সম্পৰ্কে মুখ্যমন্ত্ৰী, ৰাজহ মন্ত্ৰীক তেওঁ-লোকে জনাইছে, তাৰ কপি মোকো দিছে। গতিকে মই ভাবো এই মাটিহীন মানুহখিনিৰ যি বিপদ হৈছে সেই সম্পৰ্কে বহুতো আলোচনা হৈছে এই মাটি সম্পৰ্কে মই নিজেও ভিক্তিম। মোৰ মাটি নাই, চিলিঙটো নাযায় মাত্ৰ ১৪ বিঘা আছে। মই অৰিজিনেল ঠাইৰ পৰা এতিয়া উঠি আহিছো কিন্তু মোৰ যিটো আগৰ ভিঠা আছিল এতিয়া সেইটো খাচ হৈ গ'ল। মই এচ দি চি, ডি চিকো কৈছো মোৰ যাওক কথা নাই কিন্তু বাকী দুখীয়া সকলৰ সকলোৰে মাটি খাচ হৈ গ'ল। কিন্তু খাচ হৰৰ সময়ত আজি জমিদাৰ বা জোতদাৰ সকলৰ মাটি খাচ নহয় এইটো

এটা আচৰিত কথা-শোষণ মাত্র দুখীয়াৰহে হয়। গতিকে এই বিষয়ে চৰকাৰে কিছু চোকা দৃষ্টি দিব বুলি আশা কৰিলো। আমি যিমানে আইন পাচ নকৰো কিয় কিন্তু যিটো দেখা যায় তাৰ পৰা দুখীয়া সকলহে বিপদগ্রস্থ হয়। এই অৱস্থা থাকিলে দুখীয়া লোক সকলে জমী ৰক্ষা কৰিব নোৱাৰে। গতিকে আমাৰ যিবিলাক ভূমি সংস্কাৰ কমিটি কৰা হৈছে সেই কমিটি বিলাকক এই কামবোৰৰ দায়িত্ব দিব লাগে। তাৰ পিচত সিদিনা প্রশ্নোত্তৰ কালত আমাৰ ৰাজহ মন্ত্রীয়ে এটা কথা কৈছিল এই যে ৮৪ হাজাৰ টকাৰ কথা। তাত এনেকুৱা কিছুমান চক্রান্ত কৰিছে যিবিলাক ৰছিদত আদায় কৰা হয় তাত অফিচৰ কপিটোত যিটো ৰাখিব তাত ২ টকা লিখে আৰু আৰু কাৰ্ব্বন কপিটোত ৫০০ টকা লিখে। এইবিলাক লিখিছে আমাৰ মুখ্যমন্ত্রীলৈ, ৰাজহ মন্ত্রীলৈও লিখিছে তাৰ কপি মোক দিছে।

সেই পদ্ধতিত আমাৰ মনে হয় ৪।৫ লাখ টকা তাত নষ্ট হয়। সেই কাৰণেই সোনকালে তাৰ এটা তদন্ত কৰি ইয়াৰ কাৰণে জগৰীয়া বিষয়া সকলক 'চাছপেণ্ড' কৰিব লাগে। আৰু তাৰ বিহিত ব্যৱস্থা কৰিব লাগে। পৰিয়াল পৰিকল্পনাৰ ক্ষেত্রত যোৱাকালি বাতৰি কাগজত ভাৰতবৰ্ষৰ এখন ৰাজ্যত তিনিটাতকৈ বেছি সন্তান হলে শাস্তিমূলক ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰা হৈছে। কিন্তু ইতিমধ্যেই যি বিলাকৰ তিনিটাতকৈ বেছি সন্তান হ'ল তাক 'হেভি পানিছমেণ্ট' নিদি 'লাইট পানিছমেণ্ট'ৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ কাৰণে 'টেক্স আদায়' কৰিব লাগে। পশ্চিমীয়া দেশবিলাকত একলাখ-দুইলাখ পৰিয়ালৰ মাজত কাচিৎ দুই এটাহে ফেমিলি পোৱা যায় য'ত দুই-তিনিটা ল'ৰা-ছোৱালী থাকে। সেই কাৰণেই সেই বিলাক দেশ ইমান আগবাঢ়ি যাব পাৰিছে। কিন্তু আমাৰ একোজন চতুৰ্থশ্রেণীৰ মানুহৰ ল'ৰা-ছোৱালী সাত-আঠটা-মান হয় কিন্তু টকা পায় দুশ আঢ়ৈশ টকা। বিভিন্ন বিভাগৰ টকা পইচাৰ ক্ষেত্রত কোৱা হৈছে। সময়ত খৰছ কৰিব নোৱাৰাৰ কাৰণে লাখ লাখ টকা ফিৰি গৈছে। গড়কাপ্তানী বিভাগৰ মেইন বিল্ডিং ভাড়াত লৈছে। আন বিভাগে ইমান বেছি টকাত ঘৰ ভাড়াত লোৱা নাই। কিবা

এটা 'ষ্টন' আছে তাৰ কাৰণে মাহেকত ১২ হেজাৰ টকা ভাড়া দিয়ে। বিভিন্ন ঠাইত আছে। ঘৰ ভাড়াত লোৱাটো বন্ধ কৰিব লাগে। মই ডিটেইলছ কব নোৱাৰিম যদিও এইধৰণে যে, বহুবিলাক টকা খৰছ হৈ সেইটো থিক। গতিকে এইবিলাক 'চেক্' কৰিব লাগে।

**শ্ৰীমহম্মদ ইদ্ৰিছ ( মন্ত্ৰী )—ক'**ত খৰছ হৈছে সেইটো কওঁক।

**শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—**মই ডিটেইলছ কব নাৱাৰিম বুলি আগতেই কৈছোঁ। তাৰ পিছত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা ২০ দফীয়া অৰ্থনৈতিক আঁচনিৰ প্ৰবক্তা হৈছে আমাৰ পঞ্চায়ত বিভাগ আৰু উন্নয়ণ খণ্ড। এই বিলাকৰ নামতো লাখ লাখ টকা আমি খৰছ কৰি আছো। তাৰোপৰি এই-বিলাকত থকা বিভিন্ন খেলি মেলি বিলাক অনতি পলমেই দূৰীভূত কৰিবলৈ মই আমাৰ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। এনেকুৱা কিছুমান খেলি মেলিৰ কাৰণেই ধুবুৰীত এখন 'ডিজলভ' কৰি দিয়া হৈছে। হঠাৎ এইদৰে কৰিব লগীয়া হ'লে এটা 'পাব্লিক চেন্টিমেণ্টে গ্ৰ' কৰি উঠে! বিভাগীয় মন্ত্ৰী মহোদয়, ধুবুৰীলৈ যাওঁতে গাওঁ পঞ্চায়তৰ প্ৰেচিডেণ্ট আৰু ভাৰতৰ প্ৰেচিডেণ্ট দুয়োজনেই এক অৰ্থাত সমান বুলিয়েই কৈ আহিছে। কিন্তু এইটো কৈ 'শিপা কাটি' দিলে নহব। শিপা নেকাতি পানী দিলেহে ভাল হব। আৰু আমাৰ ২০ দফীয়া আঁচনিও কাৰ্য্যকৰী হব।

এই সমবায়ৰ বিষয়ে মই সিদিনাখনো কৈছো। সমবায় বিলাক এতিয়া প্ৰায় বিলাক বস্তুৰে বেচা-কিনাৰ কাৰণে এটা ট্ৰেড চেণ্টাৰ হৈ পৰিছে। কিন্তু বজাৰৰ ওচৰত য'ত অইন অইন দোকান আছে, যিবিলাক সমবায় নহয় সেইবিলাকৰ ওচৰত থকাৰ কাৰণে বহু সময়ত দেখা যায় সমবায়ে অনা চেনি, চাউল ইত্যাদি সেই দোকান বিলাকত কম দামত বিতৰণ কৰি দিয়ে। ফলত সমবায়ৰ বস্তু ব্যক্তিগত ব্যৱসায়ীৰ হাতলৈ যায়। গতিকে এই সমবায়ৰ দোকান বিলাক এটা সকলোৰে সুবিধা হোৱাকৈ বেলেগ এঠাইত এনেদৰে প্ৰতিষ্ঠা কৰিব লাগে যাতে সেই সমবায় খনে সকলো ৰাইজৰ সুবিধা কৰি এটা বিৰাট ট্ৰেড চেণ্টাৰ হৈ

পৰে। যেতিয়ালৈকে সমবায় জীয়াই থাকিব তেতিয়ালৈকে পুঁজিপতিয়ে বেছি সুবিধ লব নোৱাৰিব। বস্তু বেচা কিনাৰ পৰা আৰম্ভ কৰি যাতে প্ৰক্ৰিয়াৰমেণ্টলৈকে সকলো কাম সমবায়ৰ জৰিয়তে কৰিব পাৰি তাৰ বাবে বিশেষ নজৰ দিব লাগে। ১৯৫৫-৫৬ চনৰ পৰা সমবায় যদিও চলি আহিছে কিন্তু তেতিয়া সিমান ৰাইজে সমবায়ৰ প্ৰতি আস্থাভাজন নাছিল। কিন্তু এতিয়া এই সমবায়ৰ প্ৰতি ৰাইজ যথেষ্ট সহাৰি দিছে। আৰু ইয়াৰ আৱশ্যকতা ৰাজকৈয়ে উপলব্ধি কৰিছে। তাৰ পিচত দেখা যায় বহু সময়ত এই সমবায়ৰ চেক্ৰেটাৰী বিলাক তেওঁলোকৰ থকা ঠাইৰ পৰা আতৰলৈ আহি চেক্ৰেটাৰী হব লগীয়া হয় ফলত তেওঁ সেই সমবায়ৰ ওচৰে-পাজৰে থকা লোক সকল আৰু তাৰ অংশীদাৰ সকলৰ লগত বিশেষ পৰিচিত নথকাৰ কাৰণে বহু সময়ত সমবায়ৰ কামত নানা ধৰণৰ বেমেজালিৰ সমুখীন হব লগীয়া হয়। আনকি মই জনাত এজন ডেকা চেক্ৰেটাৰীয়ে অপমানিত হবলগীয়াও হৈছিল। তাৰোপৰি থকা-মেলাৰ সা-সুবিধাও এই সমবায় বিষয়া সকলৰ প্ৰতি মনোযোগ দিয়াটো বাঞ্চনীয়। গতিকে যি খন গাওঁত বা যি এলেকাত সেই সমবায়ৰ চেক্ৰে-টাৰী কৰি দিলে তেওঁ সেই কাম কাজ বিলাক নিয়াৰিকৈ কৰিব পাৰিব আৰু লগে লগে নিবন্নৱা সমস্যাও সমধান হব। কিয়নো সেই গাওঁৰ বা এলেকাৰ সকলোবোৰ মানুহেই তেওঁৰ চিনাকি। তাৰ পিচত সমবায়ৰ বয়-বস্তু ইত্যাদি ৰখাৰ কাৰণে চৰকাৰে চিন্তা কৰিব লাগে। আৰু কৰবাত যদি কোনো খালি ঠাই পৰি থাকে সেই ঠাই বিলাকত গুদাম ঘৰ বা সমবায়ৰ ঘৰ ইত্যাদি নিৰ্মান কৰিব লাগে। তাৰ পিচত আজি আমাৰ চৰকাৰে বিভিন্ন ঠাইৰ পৰা টকা ঋণ লৈ আহিছে সেই ঋণ লোৱাৰ ক্ষেত্ৰত মূলধনৰ ক্ষেত্ৰত কিমান টকা আজি ঘূৰাই দিব লাগিব সেইটো চিন্তা কৰিব লগীয়া। এল, আই, চি, স্মল চেভিং চাৰভিচ আৰু আন আন অনুষ্ঠানৰ পৰা এই টকা ঋণ হিচাবে অনা হৈছে কিন্তু আজি এই ঋণ যদিও অনা হৈছে বিভিন্ন উন্নয়ন মূলক কামৰ কাৰণে অনা হৈছে বুলি কৈছে কিন্তু সেই টকা জানো ভাল দৰে ব্যৱহাৰ হৈছে, মই, ভাবো ইয়াৰ বেচি ভাগ টকা অনাহকতে অপচয় আৰু অলাগতিয়াল

কামত প্ৰয়োগ কৰা হৈছে, ফলত তাৰ দ্বাৰা আমাৰ ৰাইজৰ বিশেষকৈ দুখীয়া কৃষকৰ কোনো উপকাৰত অহা নাই বুলি ভাবো। যিয়েই নহওক এই টকা, ইয়াৰ মুলধন আৰু সুত চৰকাৰে পৰিশোধ কৰিব লাগিব। এই চৰকাৰ আজি ধাৰতেই জন্ম হৈছে আৰু ধাৰতেই চলি থাকিব আৰু ধাৰতেই মৃত্যু হব। গতিকে মই দাবী কৰো এই যিবিলাক টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা ধাৰ হিচাপে অনা হৈছে সেই টকা যাতে ভাল ধৰণে খৰচ কৰা হয় আৰু তাক উৎপাদন মূলক কামত প্ৰয়োগ কৰা হয়। আৰু তাৰ দ্বাৰা যাতে ৰাইজৰ উপকাৰ হয় সেইটো গভীৰ ভাবে চিন্তা কৰিব লাগে। তাৰ পাচত দূৰ্নীতিৰ কথালৈ আহো। দূৰ্নীতি আমাৰ ৰাজ্যত এতিয়াও চলি আছে, এই বিষয়ে বহুতো আলোচনা হৈ গৈছে, মই কব খোজো আজি জৰুৰী অৱস্থাৰ সুযুগ লৈ এই দূৰ্নীতি কঠোৰ হাতেৰে নিৰ্মূল কৰিব পৰা গ'লহেঁতেন কিন্তু তাৰ ঠাইত আজি দূৰ্নীতি অলপ বেলেগ প্ৰকাৰে চলিছে। আগতে দূৰ্নীতি মুকলি ভাবে চলিছিল এতিয়া পৰ্দ্দাৰ আঁৰত মনে মনে দূৰ্নীতি চলিছে, আগতে টকাৰ নোট চাই চাই লোৱা হৈছিল এতিয়া বান্দোল হিচাবে লোৱা হয়. ভিতৰত কিমান আছে সেইটো চোৱাৰ সুযুগ নাই। এই সংক্ৰান্তত মই জোৰ দি কব খুজিছোঁ যে এতিয়া যিমান বিলাক লোকক দূৰ্নীতি পৰায়ন বুলি ধৰা পৰিছে তেওঁলোকৰ ওপৰত শাস্তি মূলক ব্যৱস্থা অনতি পলমে লওক, তাত আমাৰ আপত্তি নাই কিন্তু ইয়াৰ লগতে যাতে কিছুমান সাধু মানুহ যি সকল নিৰপৰাধী তেওঁলোকক অবাবতে কষ্ট দিয়া নহয় সেইটোলৈ চাব লাগে। বিনা অপৰাধত যাতে কোনো লোক দিচমিচ, চাচপেণ্ড ইত্যাদি নহয় সেই বিষয়ে বিশেষ দৃষ্টি দিব লাগে। এই খিনিকে জনাই এই যি এপ্ৰোপিয়েশ্যন বিল আহিছে এই বিলখনৰ বিৰোধিতা কৰিলো।

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৫-৭৬ চনৰ অসমৰ বিনিয়োজন বিলখনৰ বিৰোধীতা কৰি মই দুষাৰমান কথা কব বিচাৰিছো। সকলো কথা জানো যদিও ইয়াত থাকি দুষাৰ কথা নকলে জনসাধাৰণৰ প্ৰতিনিধিত্ব কৰা নহয় বুলি ভাবিয়েই কবলৈ উঠিছো। কথাতে আছে যে

"সভাত থাকি নকয় উচিত দোষে পায় কিঞ্চিং কিঞ্চিং"। সেই ফালৰ পৰা চালে বঞ্চিত হোৱাতকৈ কিঞ্চিত হৈ দুষাব কথা দাঙি ধৰিব খুজিলো।

( ভইচ : আপুনি বহুত কলেই )

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজহ বিভাগৰ পৰা ভালেখিনি ৰাজহৰ টকা পোৱা যায় কিন্তু সেই টকাৰে কেৱল চৰকাৰী বিভাগৰ কৰ্ম্মচাৰী খিনিকে বেতন দিবলৈ নাটে। তেনে এখন ৰাজ্যতে আমি আজি বাস কৰিছো। গতিকে এই বক্তৃতাও কেৱল অৰণ্য ৰোদনতহে পৰিণত হয়। কোনো কামত নাহিব। তথাপিও কওঁ।

( ভইচ : এইখন অৰণ্য নহয়। )

উপাধ্যক্ষ মহোদয়, ভূমি বিতৰণৰ বাবে ভূমিনীতি লোৱা হৈছে। মই সিদিনা সদনত এটা কথা কৈছিলো আৰু আজিও কওঁ যে জৰুৰী অৱস্থা ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত সমাজবাদী ভূমিনীতি এটা লৈছে বুলি চৰকাৰে ঘোষণা কৰিছে যদিও আচলতে এই ভূমিনীতিক প্ৰকৃততে সমাজবাদী ভূমিনীতিত পৰিণত হৈছে বুলি কব নোৱাৰি। আমি চিলিং আইন, অৰ্থনৈতিক আদি বহুত আইনেই দেখিলো এইবাৰ ভূমিবিতৰণৰ বহুত কথাই ইতিমধ্যে কোৱা হ'ল, খবৰ কাগজ ৰেডিঅ' যোগে লাখ লাখ বিঘা মাটি লাখ লাখ মানুহৰ মাজত বিতৰণ কৰা কথা প্ৰচাৰ কৰা হৈছে। কিন্তু যদি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যদি মাটিহীন লোকৰ মাজত কি ভাৱে ভূমি বিতৰণ কৰা হৈছে চোৱা যায় তেতিয়া হ'লে বুজিব যে আচলতে, প্ৰচাৰ যিমান বাইজৰ মাজত হয় কাম সিমান নহয়। জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ আগতে মানুহৰ মাটি যি ভাৱে আছিল আজিও সেই একে অৱস্থাতে আছে। যদিও কিছুমান চিলিং আইনৰ যোগেদি পোৱা চাহবাগানৰ উদ্বৃত্ত মাটি আছে আৰু সেইবিলাক বিতৰণ কৰা হ'ল আচলতে সেই মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে যদিও আগতে যি সকলে সেই চাহবাগানৰ মেনেজাৰ বা মালিক সকলৰ অনুগ্ৰহত

খাই আছিল সেই সকল লোকৰ মাজতে বিতৰণ কৰা হৈছে। আমি দেখিবলৈ পাইছো যে এক বিঘা, দুই বিঘা আনকি পোন্ধৰ লোচা মাটিও বিতৰণ কৰা হৈছে। এগৰাকী মন্ত্ৰীৰ হাতেৰে পোন্ধৰ লোচা মাটি দিয়াও দেখিছো। এইয়ে হৈছে চৰকাৰৰ মাটি বিতৰণৰ নমুনা। এই ব্যৱস্থাই ভূমি সমস্যাৰ সমাধান কৰিছে নে অৰ্থনৈতিক সমস্যাৰ সমাধান কৰিছে আমি বুজি নাপাওঁ। এই কথাত কোনোবা মাননীয় সদস্য পতিয়ণ গলেও মোৰ নিচিনা এজনে ইয়াৰ যে কিবা সুদূৰ প্ৰসাৰী লাভ হব সেইটো ভবা নাই আৰু বোধকৰো অসমৰ জনসাধাৰণেও এই ধাৰণা কৰিব পৰা নাই। চৰকাৰে কৰিব পাৰিছে কৰি থাকিব। মই ভাবো চৰকাৰে ভূমি সংস্কাৰ নীতি ঘোষণা কৰিলেও যেতিয়ালৈকে জমিদাৰী, চিলিং আইন খেৰাজ, দেবোত্তৰ, ব্ৰহ্মোত্তৰ খাচ নিষ্পিখেৰাজৰ এই খাচ ব্যৱস্থা চলি থাকিব তেতিয়ালৈকে ভূমিসমস্যা সমাধান নহব। ইয়াৰ এটাই মাত্ৰ পথ আছে সেইটো হৈছে ভূমিৰ সমাজীকৰণ। এইটো কৰিব পাৰিলেহে আৰু মানুহৰ ভূমিৰ ওপৰত খক কমাব পাৰিলেহে খেতি কৰা মানুহ খিনিক খেতিৰ মাটি দিব পাৰিলে আৰু ব্যৱসায় কৰা মানুহখিনিক বা চাকৰি বা অন্যান্য ভাৱে সংস্থাপিত মানুহৰ মাটি লৈ আনিব লাগিব। সেই সকলক মাত্ৰ ঘৰ সজাৰ কাৰণে লগা মাটি খিনিকে দিব লাগিব। এই দৰে ভূমি সমস্যাৰ সমাধান আশা কৰিব পাৰি। কোনোবা বাগানৰ পৰা দুই হাজাৰ বিঘা বা তিনি হাজাৰ বিঘা মাটি চিলিং নামত লৈ বাকী খিনি সেই সকলৰে থাকিব এইদৰে কণাক পতান ধান দিয়াৰ দৰে বিলাই দিলে ভূমি সমস্যা কেতিয়াও সমাধান হব নোৱাৰে। ইয়াৰ উপৰিও খাজনাৰ ক্ষেত্ৰত বহুত বিলাক খেলি-মেলি আছে। দেশৰ সকলো ম্যাদী মাটিৰ কাৰণে একে পদ্ধতিৰ খাজনা হোৱা উচিত। আজি হোজা, অকৰা সৰল, খেতিয়ক হোৱা কাৰণেহে এইদৰে খাজনা দিছে। শিক্ষিত বুদ্ধিজীৱি হলে সেই ধৰণে নিদিলেহেতেন।

হয়তো শিক্ষিত বুদ্ধিজীৱি সকলে খাজনা নিদিলেহেতেন যদি তেওঁ-লোকৰ অন্যান্য উপাৰ্জন নাথাকিলেহেতেন। আজি ডাক্তৰ, মন্ত্ৰী, এম এল, এ বা বিষয়া সকলে, মাষ্টৰ, প্ৰফেচাৰ, ব্যৱসায়ী সকলে তেওঁলোকৰ

উপাৰ্জনৰ ওপৰত টেক্স দিয়ে। আগতে উপাৰ্জন বছৰেকত পাচ হেজাৰ ওপৰ হ'লে টেক্স দিব লাগিছিল, এতিয়া ৮ হাজাৰৰ ওপৰলৈ বাঢ়িছে। ৮ হাজাৰৰ যদি উপাৰ্জন কম হয় তেন্তে উপাৰ্জন কৰ দিব নালাগে। এজন খেতিয়কৰ মাটি ১৫ লোচা, ছবিঘা, ১০ বিঘা যিমানেই নাথাকক বছৰি খাবলৈ জোৰক নোজোৰক, খেতি হৈছে নে নাই, ৰোৱা হৈছে নে নাই ? পোক পৰুৱাই ধান খাইছেনে নাই, বানপানীয়ে ধান মাৰিছে নে নাই, খৰাঙত শোকাইছে নে নাই হালৰ গৰু আছে নে নাই, ৰোৱনী আছে নে নাই, হালোৱা আছে নে নাই, ঔষধ পাতি পাইছে নে নাই, আদি কথা বিবেচনা নকৰাকৈ বছৰেকৰ মূৰত খেতিয়কে খাজনা দিব লাগে। এই খাজনা মই নীতিগত ভাবে বিৰোধীতা কৰি আহিছো আৰু আজিও বিৰোধীতা কৰিছো। খাজনা পদ্ধতিটো পৰিবৰ্তন কৰিব লাগিব। দেশৰ অন্যান্য শ্ৰেণীৰ লগত সমতা ৰক্ষা কৰি, অৰ্থনৈতিক সমতা ৰক্ষা কৰি উৎপাদনৰ বাহিৰ ওপৰত যেনেকৈ অন্য শ্ৰেণীৰ মানুহৰ ৮ হাজাৰ টকা উপাৰ্জন নহলে কৰ দিব নালাগে ঠিক তেনেকৈ বছৰি ৮ হাজাৰ টকা উপাৰ্জন নোহোৱা খেতিয়কক খাজনা ৰেহাই দিব লাগিব। তেহে সমান্তৰাল অৰ্থনীতি গ্ৰহণ কৰা হব। মই ভাবো অসমৰ খেতিয়কে, ভাৰতৰ খেতিয়কে যি দিনাই এই কণ জ্ঞান আহৰণ কৰিব সেই দিনাই বিদ্ৰোহ কৰিব, বিৰোধীতা কৰিব। বিদ্ৰোহ বিৰোধ কৰাৰ আগতে চৰকাৰৰ ফালৰ পৰা আগবাঢ়ি অহাটো উচিত। অসমৰ ভাৰতৰ খেতিয়কৰ সেই ধৰণৰ খাজনা নীতিৰ বিলোপ সাধন কৰি এই কৰৰ পৰা ৰেহাই দি সমতাৰ অৰ্থনীতি গ্ৰহণ কৰিবৰ কাৰণে চৰকাৰ আগবাঢ়ি আহক।

উপাধ্যক্ষ মহোদয়, বন বিভাগৰ, এক্সাইজ বিভাগৰ দুৰ্নীতিৰ কথা কোৱা হৈছে। দুৰ্নীতি মুক্ত হব পৰা নাই। ইয়াত হয়তো কব কোনোবাই যে বিৰোধী দলত থকাৰ কাৰণে এওঁলোকে যেনেকৈ বহুমূত্ৰ ৰোগীয়ে কেৱল নীলাকে দেখে, বিৰোধী দলত থকাৰ কাৰণে চৰকাৰৰ দোষকে দেখে। চৰকাৰে দুৰ্নীতি কৰাটো দেখুৱাই থাকো। মই সিদিনা কৈছো বিধান সভাত ভাল খিনি আলোচনা কৰিবৰ সময় নাই, সেই খিনি উল্লেখ

কৰা নাই। বেয়া খিনি কথা দেখুৱাই দিয়াটো কৰ্তব্য। চৰকাৰক শুদ্ধ পথে যাবৰ কাৰণে, চৰকাৰে সুনেতৃত্ব দিবৰ কাৰণে চৰকাৰক উপযুক্ত কৰি তোলাটো বিৰোধী দলৰ কৰ্তব্য। সেই ফালৰ পৰা ভুল খিনি উন্মুকিয়াই দিওঁ। নিজৰ বুকুৰ ওপৰত হাত ৰাখি বিশ্বাস ৰাখি কব পাৰো যে ফৰেষ্ট বিভাগৰ অফিচাৰ লিপ্ত নথকাকৈ কোন খন অসমৰ ফৰেষ্ট ৰিজাৰ্ভ আজি মুকলি হোৱা নাই। বেদখল হোৱা নাই। দৈয়াং ৰিজাৰ্ভত বাৰে বাৰে কৈছো যে পাচ হাজাৰ কিতাপ দৈয়াংৰ নামত ছপা কৰি দিছো। স্পষ্টকৈ কৈছো যে দৈয়াং ৰিজাৰ্ভত কি ধৰণে মানুহে মাটি বেদখল কৰিবলৈ পালে? অৱশ্যে এটা আশীবাদ দৈয়াং ৰিজাৰ্ভৰ মাটি দখল নকৰিলে হয়তো নগাৰাজ্যৰ অন্তৰ্ভূক্ত কৰি নগাই সেই মাটি দখল কৰি ললেহেতেন। সীমান্তত যি কেইটা ৰিজাৰ্ভ অসমীয়া মানুহে দখল নকৰিলে সেই কেইটা দৈয়াংত বাদে নগাই দখল কৰিছে। মুক্ত কৰিব পৰা নাই। এইটোত আচৰিত হৈছো সেই দৈয়াং ৰিজাৰ্ভৰ মাটিত চৰকাৰে পট্টন নিদি ৰাজনীতিৰ উত্তপ্ততা সৃষ্টি কৰা হৈছে। সিদিনা ভাল পাইছিলো আমাৰ বন বিভাগৰ মন্ত্ৰী মহোদয়ে এটা প্ৰশ্নোত্তৰত কৈছিল চিলিং আইনত পোৱা মাটিত যি মাটিত অন্য খেতি নহয় তাত ফৰেষ্ট কৰিব। মই পৰামৰ্শ দিছো যে যি বিলাক মাটিত ধান বা অন্যান্য খেতি নহয়, কাঠ হব সেই ঠাইত নকৈ কাঠ খেতি কৰক। বৃটিচৰ দিনৰ মেপ খন আগৰ দৰেই ফৰেষ্ট হব নোৱাৰে। ৰাজ্যখনত ২০.৮ ভাগ ফৰেষ্ট আছে বুলি কৈছে। বনাঞ্চলৰ সমুদায় মাটি কালিত ২০.৮ ভাগ হব পাৰে। অসমৰ ৰাইজৰ হাতত বহুত ফৰেষ্ট আছে। এই কথা সঁচা যে অসমৰ চাৰে সাতশ চাহ বাগিচাত ফৰেষ্ট হৈ আছে। চাহ বাগিচা বিলাকৰ ফৰেষ্ট চৰকাৰে ৰোৱা ফৰেষ্টতকৈ ভাল। চাহ বাগিচাত যিমান খিনি গছ আছে বোধ হয় তাৰ সংখ্যা অসম চৰকাৰে ৰোৱা সংখ্যাতকৈ কম নহব। তদুপৰি অসমৰ গাঁৱৰ প্ৰত্যেক ঘৰত আম, কঠাল, তামুল, লেতেকু, পনিয়ল, নাৰিকল, জামুক, আদিৰ সংখ্যা চৰকাৰৰ হাবিতকৈ কম নহয়। অসমৰ যদি ফৰেষ্টৰ অংক কৰা যায় তেন্তে শতকৰা ৪০-৫০ ভাগতকৈ কম নহয়। কিন্তু কাঠ খেতি

বা কাঠ উৎপাদনৰ বাবে যি সংৰক্ষণৰ ব্যৱস্থা আছে, আৰু তাৰ যি অংক দেখুৱাইছে সেই অংক অনেক বেলেগ হব। অসম এনেকুৱা এখন ঠাই য'ত চাহ বাগিচা হৈছে ব্ৰহ্মপুত্ৰকে আৰম্ভ কৰি বহুত নদ নদী আছে। কিছু-মান ঠাই তেল খাদত গৈছে, উদ্যোগত গৈছে, কিছু ঠাইত ট্ৰাইবেল বেল্ট ব্লক আদি কৰিছে, বহু খিনিত পাহাৰ আছে, বহু খিনি ৰেল লাইনে লৈছে, অন্যান্য ৰাস্তা পদুলি আদিত মাটি গৈছে। অলপ মান মাটি মাত্ৰ খেতিয়কে পাইছে। খেতিৰ উপযোগী মাটি ফৰেষ্ট বিভাগে আবাদ কৰিব নোৱাৰে। গোটেই খিনিত ফৰেষ্ট কৰিব নোৱাৰে। ধান খেতিৰ বাবে উপযোগী মাটি খিনি খুলি ললে বোধ হয় মহাভাৰত ভুল নহব। দৈয়াং ৰিজাৰ্ভকে আৰম্ভ কৰি অন্যান্য ৰিজাৰ্ভৰ মাটিত যদি কেবল গছ লতা ৰোৱা যায় তেন্তে কম গছ খেতিৰ উৎপাদন বাঢ়িব। ফৰেষ্ট বিলাক কাটি দিলে বৰষুণ নহব বুলি বৈজ্ঞানিক সকলে কয়। ফৰেষ্ট কটা সময়তো বৰষুণ হয়। যোৱা বছৰ বৰষুণ ভাল হৈছিল। তেতিয়া নকৈ ফৰেষ্ট ৰুই দিয়া নাছিল। খৰ হওতে ফৰেষ্ট কাটি দিয়া নাছিল। আমি ভগবানক বিশ্বাস কৰো। পুলিচ বিভাগৰ ইন্সপেক্টৰৰ ঘৰত চুৰ হৈছে। পুলিচ থানাৰ মাল চোৰ হৈছে, কাজিৰঙা ফৰেষ্টৰ গুদামৰ পৰা গঁড়ৰ খড়্গ চোৰ হৈছে, গোলাঘাট থানাৰ মাল থানাৰ পৰা হাতী দাঁত নাইকীয়া হৈছে। পুলিচে নিজে আত্ম ৰক্ষা কৰিব নোৱাৰে। তেওঁলোকে কি দেশ খনক ৰক্ষা কৰিব? ১৯৬৭ চনত বোধহয় গাওঁ ৰক্ষী বাহিনীৰ আইন কৰা হৈছিল। অসম বিধান সভাই আইন খন কৰিলে, ৰুলখন আজি ৯ বছৰে নহল। এই ৰুল খন কাক চাই ৰ' লাগিল কব নোৱাৰো। অসমত এই সকলৰ কাৰণে মাহে প্ৰায় ৭৫ হাজাৰ টকা খৰছ হৈছে নে নাই, গাওঁৰক্ষী বাহিনীয়ে পাইছে নে নাই, থানাই খালে নে সংগঠনে খালে তাৰ অডিত নাই।

আমাৰ শিৱসাগৰ জিলাতে এজন ডেপুটি এড্ভাইজাৰ আছে। তেওঁ দৰমহাৰ উপৰিও দুটা তিনিটা কমিচন লৈ বহি আছে। আৰু আমি জনাত তেখেতে বৰ্ডাৰ চাৰ্জৰ জনৰো কমিশ্চন খিনি লয়। সঁচা মিছা অৱশ্যে মই নিজে নাজানো, কিন্তু শুনিছো মিছা কথা বিধান সভাত

কোৰৰ আৱশ্যকতা নাই। সঁচা মিছা বিভাগৰ ফালৰ পৰা বিচাৰ কৰি চাওক কিন্তু অডিট হ'লে আজিলৈকে হোৱা নাই। আৰু অডিট হওক নহওক এই গাওঁ বক্ষী বাহিনীৰ কাৰণে যিবোৰ যা-যোগৰ দিয়ে, ধবক, ছাটি, যাঠি, ইত্যাদী। যাঠি হ'লে যি কিডাল দিছে দেখিলেই বুজিব। তাৰ পিচত তৰ্চলাইট দিয়ে তাৰ কি লাভালাভ কোনে খায় তাক নাজানো। কম্বল দিয়ে তাৰো যে কি চেহেৰা কোন কোম্পানীৰ পৰা কিনে, কব নোৱাৰো আৰু এই হিচাপত টকা খৰচ কৰিয়ে আছে, অডিটৰ কোনো ব্যৱস্থা নাই। গতিকে দেখা যায় সৰহ ভাগ দূৰ্নীতি হৈয়ে আছে। অডিট হয়তো হব আৰু কাগজে-পত্ৰে খৰচ-পাতি সকলোখিনি ঠিকেই পাব, কিন্তু দূৰ্নীতি বোলা কথাষাৰ যেতিয়া ওলাইছে তেতিয়া চৰকাৰে চোৱা উচিত। অৱশ্যে এইটোও ঠিক যে সঁচা কথা কলে আয়ে মাথকিল খায়, মিছা কথা কলে বোপাৱে চোৱাতে খায়। কলে নো কি হব।

১৯৫৮ চনতে পঞ্চায়ত আইনত পঞ্চায়তৰ আদালত কৰা ব্যৱস্থা দিয়া হৈছিল। আজিও তাৰ প্ৰয়োগ নহ'ল। পঞ্চায়তৰ সভাপতি, মহকুমা পৰিষদৰ সভাপতি বা মুখ্য কাৰ্য্যবাহী সদস্য সকল আমাৰ এই বিধান সভাখে প্ৰাক্তন সদস্যই হোৱা নাই নে? আৰু তেওঁলোক ইমানেই অযোগ্য হ'ল নে যে তেওঁলোকে তাৰ মূল নুবুজিব। ১৯৫৮ চনত মই নিজে এখন ৰুবেল পঞ্চায়তৰ সভাপতি আছিলো। তেতিয়া আদালতে এটা বহুতদিনীয়া গোচৰ নিষ্পত্তি কৰিব নোৱাৰি আমাৰ পঞ্চায়তলৈ পঠিয়াই দিলে। আৰু তেতিয়া আমি সেই গোচৰ বিচাৰ কৰি নিষ্পত্তি কৰি দিলো আৰু আমাৰ সেই ৰায় গোলাঘাটৰ প্ৰথম শ্ৰেণীৰ দণ্ডাধীশে মানি লৈছে। আৰু গোচৰটো আছিল ইমানেই গুৰুত্বপূৰ্ণ যে এজন মতাই টকাৰ অভাৱত তেওঁৰ নিজৰ ঘৈণীয়েকক বেলেগ মতাৰ ওচৰত বিক্ৰী কৰি দিছিল। গতিকে এই পঞ্চায়তমো কি, কাৰ কি সান্দহ খোৱা বালি তিয়াৰ খুজিছে কব নোৱাৰো। মই ভাবো যদি শাসনৰ বিকেন্দ্ৰীকৰণ লাগে তেনেহলে এই পঞ্চায়ত আদালত প্ৰবৰ্তন কৰিব লাগে।

Expunged from the proceedings on the order of the Deputy Speaker.

Mr. Deputy Speaker—It was fixed that we should conclude at 8 P M. Already it was decided to sit from 6 to 8 P M.

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়ে মাত্ৰ কৈছিল যে ৮ বজাত শেষ কৰিব পাৰিলে চাব লাগে। কিন্তু ৮ বজাত শেষ হব লাগিব বুলি কোৱা নাছিল।

Mr. Deputy Speaker—Already the speaker has given me indication that it will continue up to 8 PM including the reply. The time was 7-30 PM and it was extended up to 8 PM.

* শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহমন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, এপ্ৰোপিয়েচন বিল সংক্ৰান্তৰ আলোচনাত অংশ গ্ৰহণ কৰি কেবাজনো মাননীয় সদস্যই পুলিচ বিভাগৰ ওপৰত অভিযোগ উত্থাপন কৰিছে। মাননীয় সদস্য শ্ৰীখাউণ্ড ডাঙৰীয়াই তিনিটা অভিযোগ, শ্ৰীপ্ৰধানী ডাঙৰীয়াই এটা অভিযোগ আৰু মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই গৃহৰক্ষী বাহিনী সম্পৰ্কে দুটামান কথা উল্লেখ কৰিছে। এই গোটেই কথা বিলাক তদন্ত কৰি চোৱা হব আৰু যদি তেখেত সকলে উত্থাপন কৰা অভিযোগ বিলাক সত্য প্ৰমানিত হয় তেনেহলে যথাবিহীত শাস্তি দিয়াৰ ব্যৱস্থা কৰা হব। কিন্তু এইখিনিতে মই মাননীয় সদস্য সকলক এটা কথাত অনুৰোধ কৰিব বিচাৰিছো যে তেখেত সকলে যিবিলাক অভিযোগ উত্থাপন কৰে তাৰ যেন কিছু তথ্য-পাতি দাঙি ধৰে। কিন্তু মই দেখিছো মাননীয় সদস্য সকলে ৰাজ্যপালৰ ভাষণ বা বাজেট বক্তৃতা প্ৰসঙ্গত যিবিলাক অভিযোগৰ কথা উল্লেখ কৰিছিল সেই সম্পৰ্কে তদন্ত কৰি অনা হ'ল কিন্তু দুখৰ কথা এটা কথাৰো সত্য প্ৰমাণিত নহ'ল। মাননীয় সদস্য বদন তালুকদাৰ ডাঙৰীয়াই শ্ৰীঅদিত ভাগৱতী বুলি ল'ৰা এজনক পুলিচে মাৰ-ধৰ কৰি হস্পিতেলাইজ কৰা কথাটো উল্লেখ কৰিছে। কিন্তু হস্পিতেলৰ ৰেকৰ্ড চাই বুজা গ'ল যে উক্ত ল'ৰাজনৰ পুলিচৰ মাৰ পিটত এই অৱস্থা হোৱা নাই আচলতে বেলেগ অসুখ হৈ আছিল। মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই

* Speech not corrected.

চত্ৰশাৰ চি-আই সম্পৰ্কে এটা অভিযোগ আনিছিল যে চি আই আৰু অ-চি লগ লাগি মাটিৰ মালিকক সুবিধা দিব বিচাৰিছিল কিন্তু ৰেকৰ্ড চাই বুজা গ'ল যে আচলতে চি-আই জন তেনেকুৱা নহয় তেওঁ বৰং অ-চি জনকো কৈছিল যে উপায়কৰ অনুমতি নহলে মাটিৰ কেচ লব নালাগে. খুব অশান্তি হৈছে আমি সহায় কৰা উচিত। গতিকে মই ভাৱো যিবিলাক অভিযোগ সদনত উত্থাপন কৰা হয় অন্ততঃ তাৰ যাতে কিছু সত্যতা থাকে।

তাৰ পিচত আমাৰ মাননীয় সদস্য বৰ ডাঙৰীয়াই গাওঁ ৰক্ষীবাহিনীৰ সম্পৰ্কে উল্লেখ কৰিছে, সেই সম্পৰ্কে আমি চাম। কিন্তু এই বিভাগত টকা-পইচাও যথেষ্ট কম দিয়া হয়। তেখেতে যিজন ডেপুটি এডভাইজৰৰ কথা কৈছে মই জনা মতে তখেত যোৰহাটৰে স্থানীয় মানুহ আৰু তেখেতক নিয়োগৰ সময়ত বোৰ্ডাৰত কাম কৰাৰ কাৰণে এশ টকা অধিক বানচ দিয়াৰ কথাটো চুক্তি পত্ৰত আছে। তাৰ পিচত অডিটৰ কথা কৈছে, যিহেতু ইয়াৰ পৰাই টকা বিতৰণ হয় গতিকে ইয়াতে অডিট স্থানীয় ভাৱে তাত নহয়। মাননীয় সদস্য সকলে পুলিচ সম্পৰ্কে বহুতো পৰামৰ্শ আগবঢ়াইছে। মই এটা কথা স্পষ্টকৈ কব বিচাৰিছো যে কোনো পুলিচ বিষয়াই ৰায়তৰ বিৰুদ্ধে কাম কৰা নাই। আমাৰ এটা নিৰ্দেশ নোপোৱা পৰ্য্যন্ত পুলিচ মাটিৰ কেচত লিপ্ত হব নালাগে। পুলিচে মালিকৰ পক্ষ লোৱাটো দুখৰ কথা আৰু মই ভাবো তেনেকুৱা দৃষ্টান্ত নাই। আজি চৰকাৰে নিজেই দুখীয়াৰ পক্ষ লবলৈ সিদ্ধান্ত লৈছে আৰু যোৱা চাৰি বছৰে পুলিচ বিভাগৰ কিছু নহয় কিছু কাম চকুত পৰিছে। যিবিলাক প্ৰগতিশীল নীতি সেই নীতি বিলাকৰ বাস্তৱ ক্ষেত্ৰত ৰূপায়ণ কৰিবলৈ পুলিচে সক্ৰিয় সহযোগ কৰি আহিছে আৰু কৰি থাকিব। এই খিনিকে কৈ মোৰ বক্তৃতা সামৰণি মাৰিলো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীখাউণ্ড ডাঙৰীয়াই মাটি বিতৰণৰ কথাটো প্ৰথমে উল্লেখ কৰিছে বিশেষকৈ ৰায়তক উচ্ছেদ কৰা সম্পৰ্কে। ৰায়তক উচ্ছেদ কৰাটোৰ কাৰণে যথোপযুক্ত ব্যৱস্থা কৰা হৈছে যদিও ৰায়ত যে একেবাৰেই উচ্ছেদ

হোৱা নাই সেই কথাটোও কব নোৱাৰি। তেখেতে স্বীকাৰ কৰিছে যে কিছুমান বিষয়াই মালিকৰ পক্ষ সমৰ্থন কৰিছে। এই কথাটো এই সদনতে বহুৱাৰ আলোচনা বিলোচনা আদি হৈছে। বিভিন্ন প্ৰসঙ্গত এইটো কোৱা হৈছে। যিটো সমস্যাৰ সৃষ্টি হৈছে সেইটো কিছু পৰিমাণে প্ৰশাসনিক আৰু ভালেখিনি সামাজিকো। আমি বসবাস কৰা সমাজ খনৰ আবহাওঁৱা, চিন্তাধাৰা আৰু জীৱন ধাৰাৰে পৰিপুষ্ট হৈ অহা বিষয়া সকলো তাৰ পৰা মুক্ত কেতিয়াও হব নোৱাৰে। এইটো থিক। ৰাজহ বিভাগৰ বিষয়া সকলেই হওক বা পুলিচ বিভাগকে আদি কৰি অন্যান্য বিলাক বিষয়াকেই হওঁক, ইংৰাজীত যিটোক 'মটিভেশ্বন' বুলি কোৱা হয়, চৰকাৰী নীতিত আমাৰ সেই সকল লোকক প্ৰণোদিত কৰাৰ কাৰণে চেষ্টা চলোৱা হৈছে। বিভিন্ন পৰ্য্যায়ৰ বিষয়া সকলৰ ক্ষেত্ৰত এই বিলাক কথা আলোচনা হৈছে, চৰকাৰী নীতিৰ বাখ্যা হৈছে। চৰকাৰৰ ফালৰ পৰা এই কথাটো বিষয় সকলক স্পষ্টভাবে কোৱা হয় যে, যেতিয়াই নিজৰ বিশেষ অধিকাৰ প্ৰয়োগ কৰাৰ কথা আহে তেতিয়াই দুখীয়া মানুহ জনেও যাতে তেওঁৰ নিজা অধিকাৰ সাব্যস্ত কৰিব পাৰে এই কথাটোৰ প্ৰতি নজৰ ৰাখিব লাগিব। কিন্তু সেই বুলিয়েই যে, আমাৰ সকলো বিলাক বিষয়াকেই 'মটিভেটেড্' কৰিব পাৰিছো সেইটো কোৱাটোও বৰ টান। গতিকেই এই বিষয়ে সকলোৰে পৰা সহায় আশা কৰিছোঁ তাৰ দ্বাৰা এটা অনুকূল বাতাবৰণ সৃষ্টি কৰাত সহায়ক হব। তেখেতে বন বিভাগৰ ক্ষেত্ৰটো কিছুমান কথা আলোচনা কৰিছে। বনবিভাগৰ মন্ত্ৰীয়ে এই কথাটো অস্বীকাৰ কৰিছে আৰু বিশেষকৈ কেইটামান কথা সম্পূৰ্ণ ভাৱেই সত্য নহয় বুলিও কৈছে। মইওঁ কও,—সেইটো হোৱা নাই।

তাৰ পিছত 'এক্সাইজ' বিভাগৰ কাম কাজ কৰাৰ ক্ষেত্ৰটো কিছুমান অসুবিধা নথকা নহয়। অসুবিধা কিছু আছে আৰু সেই বিলাক যিমান পাৰি সোনকালেই আতৰোৱাৰ কাৰণেও চেষ্টা কৰা হৈছে। কিন্তু এই বিভাগৰ কাম অকল বিভাগটোৱেই কৰিব নোৱাৰে। অকল বিষয়া সকলকে নিৰ্ভৰ নকৰি খা-খবৰ আদি দি আমাৰ ৰাইজেও সহায় কৰাটো প্ৰয়োজনীয়। সেইকাৰণেই মদ নিবাৰণীৰ কাৰণে ৰাইজৰ ওপৰতে বিশেষ

ভাৱে দায়িত্ব অৰ্পণ কৰা হৈছে। এই কথাটোৰ দ্বাৰা ৰাইজৰ সহযোগ কামনা কৰা হৈছে।

পৰিবহনৰ ক্ষেত্ৰতে আমাৰ অসুবিধা নথকা নহয়। বাছৰ ক্ষেত্ৰটো আমাৰ অসুবিধা আছে। কিন্তু কোনোৱে ৰাষ্টাক দোষ দিয়ে, কোনোৱে বাছক দোষ দিয়ে। কোনোৱে কয় ৰাষ্টা বেয়া হোৱাৰ কাৰণে বাছৰ বেয়া হৈছে, কোনোৱে আকৌ বাছ বেয়াহোৱাৰ কাৰণে ৰাস্তা বেয়া হৈছে বুলি কয়। এইধৰণে নানান কথা কোৱা হয়। সেইবুলি গোটেই কিছু অসুবিধা নাই সেইটোও মই নকওঁ আমাৰ ৰাস্তাও ভাল কৰিব লাগিব বাছো ভাল কৰিব লাগিব। সেইদৰে উন্নয়ণ কৰিব লাগিব। সেইকাৰণেই মাননীয় সদস্য সকলে দিয়া পৰামৰ্শ বিলাক গ্ৰহণীয়।

তাৰপিছত পুলিচৰ সম্পৰ্কত গৃহমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে। মাননীয় সদস্য প্ৰধানী ডাঙৰীয়াৰ নিজৰ কথাখিনিকে উল্লেখ কৰি মই কব খুজিছো যে, পুলিচক যি ধৰণে দোষ দিব পাৰি সেইধৰণে প্ৰশংসাও কৰিব পাৰি। পুলিচ থাকিবৰ কাৰণে ৰাইজে সীমান্তত ঘৰ দুৱাৰ আদি সাজি দিছে। পুলিচে অত্যাচাৰ কৰিলে কিয় এইদৰে ঘৰবাৰী সাজি দিব? পুলিচক ৰাইজে তেওঁবিলাকৰ কাম কাজৰ কাৰণে ভাল পোৱাৰ কাৰণেইহে ঘৰ-দুৱাৰ আদি সাজি দিছে। টিংপাতৰ একোখন চালিৰ তলতও থাকি হলেও পুলিচৰ সেৱাৰ মনোভাৱ কিমান। ভঙাটিঙৰ একোখন চালিৰ তলত থাকিও পুলিচে কাম কৰিবলৈ আহিছে। গতিকে ইয়াৰ পৰাই বুজিব লাগিব কিমান বিপদৰ সন্মুখীন হৈও পুলিচে আমাৰ ৰাইজৰ সেৱা কৰিবলৈ আগবাঢ়ি আহিছে। ৰাইজেও তাৰ বিনিময়ত পুলিচক ভাল পোৱাৰ কাৰণেই সীমান্তত ঘৰদুৱাৰ সাজিবৰ কাৰণে ব্যৱস্থা কৰিছে। এই গোটেই কথা বিলাক বিশ্লেষণ কৰি চালেই পুলিচৰ বিৰুদ্ধে অন্য অভিযোগ বিলাক খণ্ডন হৈ যায় আপোনা আপুনি। সমবায়ৰ সম্পৰ্কত বিশেষ কথা কোৱা নাই। মাননীয় সদস্য সকলে সমবায়ৰ উন্নতি সাধন কৰিব লগে বুলি কোৱা কথাৰ লগত মইও একমত। সমবায় তিনিটা শ্ৰেণীত বিভক্ত হৈছে, .... কিছুমান ভাল ভাৱেই চলিছে, কিছুমান সমবায় মধ্যম আৰু কিছুমান সমবায় একেবাৰেই বেয়া ধৰণে চলিছে। যি কেইটা মধ্যম

এনে ক্ষেত্ৰত কেৱল ঋণৰ টকা কেনেকৈ পৰিশোধ কৰিব পাৰি সেই বিলাক কথা চিন্তা কৰোতে কৰোতে ৰাজ্যখনৰ উন্নয়নমূলক কাম কেনেকৈ কৰিব সেইটো ভাবিবলগীয়া হৈছে। সেইদৰে দুখীয়া খেতিয়ক সকলৰ ক্ষেত্ৰতো একেই হৈছে কোনো উন্নয়ন মূলক কামত হাত দিব পৰা হোৱা নাই কেৱল প্ৰত্যেক কামতে ত্ৰুটি বিচ্যুতি দেখা যায়। অৱশ্যে সকলো কথাই যে দোষমুক্ত হব সেইটো সম্ভৱ নহয়। আমি আজি চৰকাৰৰ দোষ গুণ বিলাক উলিয়াই দিও, যেনেকৈ ড্ৰেইনৰ ওৱাটাৰ পচিলে পাব্লিক হেলথ ইন্সপেক্টৰৰ প্ৰয়োজন আকৌ গাখীব বেয়া হ'লে ফুদ ইন্সপেক্টৰে চাই ফুৰে থিক তেনেদৰে আমি বিৰোধী দলৰ সদস্য সকলে চৰকাৰৰ দোষবোৰ আঙুলিয়াই দিও, আজি চৰকাৰে এই যিবিলাক ভুল ত্ৰুটি কৰি আছে সেই বিলাক চাই থাকিবলৈ আমি প্ৰহৰী হৈ আছো। দোষ থাকে, দোষ কাৰ নাথাকে, কিন্তু এই দোষবিলাক আমি মিনিমাইজ কৰিবলৈ চেষ্টা কৰিব লাগে আৰু তাৰ দ্বাৰা ৰাইজক সন্তুষ্ট কৰিব লাগিব। এই ক্ষেত্ৰত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ৰামায়ণ আৰু মহাভাৰতৰ এটা উদাহৰণ দিও—

উপাধ্যক্ষ মহোদয়, আখ্যানটো এই ধৰণৰ। যেতিয়া কুৰুক্ষেত্ৰ সমৰৰ সময়ত ভীষ্ম শৰশয্যাত পৰিল তেতিয়া পাণ্ডুৱ পক্ষৰ পৰা যুধিষ্ঠিৰে পিতামহ ভীষ্মৰ পৰা উপদেশ লোৱাৰ কাৰণে দ্ৰৌপদি সমন্বিতে যাবলৈ ওলাল। কিন্তু দ্ৰৌপদীয়ে বাধা প্ৰদান কৰিলে যে মুকলি ৰাজসভাত তেওঁক যেতিয়া বস্ত্ৰহৰণ কৰিছিল তেতিয়া পিতামহ ভীষ্মই সেই দৃশ্য নিৰৱে চাই আছিল কিন্তু সতী নাৰীৰ ওপৰত কৰা নিৰ্যাতনৰ কাৰণে কোনো এষাৰ মাত মতা নাছিল গতিকে যুধিষ্ঠিৰক খটবান্ধ কৰি জনালে যে দ্ৰৌপদীয়ে কৰা প্ৰশ্নৰ উত্তৰ যদি পিতামহ ভীষ্মই দিব পাৰে তেতিয়াহে ভীষ্মৰ পৰা উপদেশ পঞ্চপাণ্ডৱে শুনিব পাৰিব। যুধিষ্ঠিৰেও দ্ৰৌপদীৰ কথাত মান্তি হৈ শৰশয্যাত পৰি থকা পিতামহ ভীষ্মৰ ওচৰলৈ গ'ল উপদেশ বিচাৰি। দ্ৰৌপদীয়ে প্ৰশ্ন কৰিলে যে কিয় তেওঁক মুকলি ৰাজসভাত প্ৰকাশ্য ভাৱে বস্ত্ৰহৰণ কৰাৰ সময়ত বৃদ্ধ জ্ঞানী পিতামহ ভীষ্ম নিৰৱে আছিল। পিতামহে হাঁহি হাঁহিয়েই উত্তৰ দিলে যে তেতিয়া তেওঁ ৰাজ কৰ্ম্মচাৰী আছিল

কাৰণে ৰজা দূৰ্যোধনৰ আদেশত কৰা যি কোনো কামত বাধা দিয়া নিষেধ আছিল কিয়নো ৰাজ কৰ্মচাৰীয়ে ৰজাই কৰা কৰ্ম্ম ভাল হওক বেয়া হওক নিৰৱে মানি চলিব লাগিব, নহলে তেওঁক হয়তো পদচ্যুত কৰিবও পাৰে। সেই বাবে ৰজাৰ অন্ন খাই থকাৰ কাৰণে পিতামহ ভীষ্মই যিদৰে ৰজাৰ অন্যায় দেখিও প্ৰতিবাদ কৰ নাছিল ঠিক সেইদৰেই বৰ্ত্তমানৰ অৱস্থাতো মন্ত্ৰীসভাই যি কামকে নকৰক কিয় বিষয়াবৰ্গই কোনো প্ৰতিবাদ কৰিব নোৱাৰে। কিন্তু মই এই খিনিতে মন্ত্ৰী সকলক অলপ-মান ৰামায়ণ মহাভাৰত আদি শাস্ত্ৰীয় পুথিসমূহ পঢ়ি সেইমতে কাম কৰাৰ কাৰণে অনুৰোধ জনাওঁ। আমিও অৱশ্যে পঢ়ো কিন্তু ব্যৱহাৰিক জীৱনক কোনে কি ভাৱে সেই উপদেশ বিলাক ব্যৱহাৰত লগায় সেইটোহে আচল কথা। কিন্তু এটা অনুৰোধ যাতে লোকৰ উপকাৰ যে কৰিব নোৱাৰে কথাই নাই কিন্তু যাতে কাৰো অপকাৰ নকৰে।

*ডাঃ কোযেশ্বৰ বৰা—উপাধ্যক্ষ মহোদয়, এইখিতি মোৰ অলপ মান কথা তেজপুৰৰ কথা সিদিনা কৈছিলো যে চাৰিআলি মাল্টিপাৰপাচ হাইস্কুলত ত্ৰিশ হাজাৰ টকা ইন্সপেক্টৰ আৰু চেক্ৰেটাৰীয়ে মিলি বেংকৰ পৰা ট্ৰেজাৰি অফিচাৰৰ যোগে আনি আত্মসাৎ কৰিছে। এই সংক্ৰান্তত ইতিমধ্যে ইন্সপেক্টৰ অফিচাৰ এখন বিষয়াক এৰেষ্ট কৰিছে। কিন্তু কেচটো অ'চি বা এচ-পিয়ে লোৱা নাই এডিচনেল এচ-পিয়ে কেচটো লৈছে আৰু যি-হেতু তেওঁৰ আত্মীয় সেই কাৰণে কেচটো তল পেলাবলৈ চেষ্টা কৰিছে। এই বিষয়ত কি ব্যৱস্থা লোৱা হৈছে আৰু জিঞ্জিয়া পুলিচ বীট অফিচৰ ওচৰত এজন চিকাৰীয়ে মানুহ মাৰিলে পুলিচ অফিচাৰে অনুসন্ধান কৰি দোষী ধৰিবলৈ চেষ্টা কৰিছে কিন্তু তাতো এডিচনেল এচ-পিৰ আত্মীয় লোক কাৰণে কেচটো ঠিক কৰিব পৰা নাই। এই দুয়োটাই তেজপুৰৰ ডাঙৰ আৰু গুৰুত্বপূৰ্ণ কথা। চিকাৰলৈ যোৱা মানুহক মৰিলে তথাপি এডি-চনেল এচ-পিয়ে দোষীক ধৰিবলৈ মানা কৰিছে আৰু ধৰিলে বা বেছি দিগদাৰী কৰিলে পুলিচ বিষয়াজন বদলি কৰিব বুলি ভাবুকিও দিছে

---

* Speech not corrected.

আৰু নিকৃষ্ট সেইবিলাক সমবায়ক উত্তম কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব সমবায়ৰ কাৰণে সভ্যভৰ্ত্তি কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে আৰু আশা কৰো শতকৰা ৫০ ভাগ অসমৰ জনসাধাৰণ অহা ৩১ মাৰ্চৰ ভিতৰত এই সমবায়ৰ অন্তৰ্ভুক্ত হব। আৰু অহা নবেম্বৰ মাহৰ ভিতৰত অসমৰ সমগ্ৰ ৰাইজ সমবায়ৰ অন্তৰ্ভূক্ত হব। পৰিয়ালৰ প্ৰত্যেকেই সমবায়ৰ সভা-সদস্য হব। অন্য কথা বাদ দিলেও এই কথাটো থিক যে, ভাৰতবৰ্ষৰ সকলোতে সমবায়ৰ ভিত্তি আছে। আমাৰ মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ডাঙৰীয়াই আমাৰ চৰকাৰটো ঋণতেই জন্ম, ঋণতেই জীয়াই থকা আৰু ঋণতেই মৰিব বুলি কৈছে। কিন্তু মই কৈছো চৰকাৰ নমৰে। চৰকাৰ অমৰ। এফালে মানুহ আহিব, এফালে মানুহ যাব। আমাৰ চৰকাৰ সদায়েই গণতান্ত্ৰিক ব্যৱস্থাত জীয়াই থাকিব। আমাৰ ঋণ নাছিল কিন্তু উন্নয়ণমূলক কাম কৰিবৰ কাৰণেই হে ঋণ কৰিবলগীয়া হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—চলিহা চৰকাৰকে ধৰি চৌধুৰী আৰু এতিয়া সিংহ চৰকাৰ হৈছেহি।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—এইবিলাক চৰকাৰ নহয়, চলিহা চৰকাৰ, চৌধুৰী চৰকাৰ বা সিংহ চৰকাৰ, চৰকাৰ নহয়, চৰকাৰ হ'ল কংগ্ৰেছ চৰকাৰ, এই কংগ্ৰেছ চৰকাৰেই চলি আছে।

শ্ৰীসোনেশ্বৰ বৰা—পৃথিবীত কোনোবা চৰকাৰ জীয়াই আছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—এতিয়ালৈকে কংগ্ৰেছ অজৰ অমৰ হৈ আছে, অনন্ত কাল মইও জীয়াই নাথাকো, মই জীয়াই থকালৈকে কংগ্ৰেছ চৰকাৰ দেখি যাম, গতিকে মৰি যোৱাৰ পিচত মই কব নোৱাৰিম অনন্ত কাল থাকিল নে নাথাকিল মৰাৰ আগলৈকে অমৰ হৈ থকা বুলিয়ে ভাবি যাম। এতিয়া কথা হ'ল ধাৰ ঋণ কৰা হৈছে যদিও সেই ঋণ আমি থিক মতেই পৰিশোধ কৰি আছোঁ। ঋণৰ মাত্ৰা যে বাঢ়ি হৈ আছে সেইটো সঁচা, আমি এইটো কমাব লাগে আৰু কমাবলৈ চেষ্টা কৰা হৈছে। তাৰ লগে লগে আমাৰ ৰাজ্যৰ উন্নয়ণৰ কাম বিলাক

কেনেদৰে দ্ৰুত গতিত আগবাঢ়ি যাব পাৰো সেই বিষয়েও আমি চিন্তা কৰিছোঁ৷ এই বিষয়ত সকলোৱে মিলি জুলি আগবাঢ়িলে আমি নিশ্চয় আগবাঢ়িব পাৰিম তাত কোনো সন্দেহ নাই। মাটি বিতৰণৰ কাম চলি আছে অৱশ্যে তাতো দুই এটা খুত-খাত চলি আছে। এই খিনি কথাকে মাননীয় সদস্য সকলৰ ওচৰত নিবেদন কৰিলো।

Mr. Deputy Speaker—I put the motion. The Assam Appropriation ( No. 2 ) Bill, 1976, be taken. into consideration.

.... .... the motion is passed ... ....

Shri Sarat Chandra Sinha ( Chief Minister )—Sir, I beg to move that the Assam Appropriation ( No. 2 ) Bill, 1976 be passed.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—আমাৰ আজি ঋণ বহুত গুণে বাঢ়িছে কিন্তু এই ঋণ যিবিলাক, কেন্দ্ৰীয় চৰকাৰৰ পৰা অনা হয় সেইবিলাক ভাল মতে খৰচ কৰা হোৱা নাই, বেচি ভাগ টকাই কিছুমান আনপ্ৰোদাকটিভ স্কীমত ব্যৱহাৰ কৰা হৈছে আৰু তাৰ বেচি ভাগ টকা অপব্যৱহাৰ হৈছে। আজি চাওক অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ ইলেকট্ৰিকৰ পোষ্ট ৪ বছৰে কেৱল পোতাই থাকিল তাৰ পৰা কোনো উৎপাদন আমি দেখা নাপালো। কেন্দ্ৰীয় চৰকাৰৰ পৰা এই টকা ঋণ হিচাবে লৈ সেইবিলাক কিছুমান অনাৱশ্যক কামত প্ৰয়োগ কৰা হৈছে, সেই বিলাকৰ পৰা কোনো উৎপাদন হোৱা নাই, সেই ঋণ বিলাক মিচইউটিলাইজেশ্যন হৈছে। আজি খেতিয়ক সকলে যিদৰে ঋণ লৈ সেই ঋণ কোনো উৎপাদন শীল কামত লগাব পৰা নাই আৰু তাৰ লগতে দেখা যায় সেই ঋণ তেওঁ আৰু পৰিশোধ কৰিবও পৰা নাই বৰং ঋণৰ বোজা আগতকৈ বাঢ়িহে গৈছে। থিক সেইদৰে আজি সিংহ চৰকাৰ আছে আৰু ইয়াৰ আগতে চৌধুৰী চৰকাৰ বা আনকোনোবা চৰকাৰ আছিল প্ৰত্যেকৰে দিনত ঋণৰ বোজা বাঢ়ি গৈ হে আছে তাক আৰু পৰিশোধ কৰাৰ শক্তি নোহোৱা হৈছে গতিকে

এইটো তদন্ত কৰি সোনকালে কি হয় বাইজক জনালে ভাল হয়। ইয়াৰ দুবছৰ আগতেও পচিশ হাজাৰ টকা স্কুল ইন্সপেক্টৰ অফিচৰ পৰা নিছিল গতিকে এই কথা দুটা তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া—এই ক্ষেত্ৰত তেজপুৰৰ ডি চি আৰু এচ পিৰ পৰা ৰিপোৰ্ট অনা হৈছে। ট্ৰেজাৰি অফিচাৰেই কেচটো দিছে। এই সংক্ৰান্তত শ্ৰীকেশৱ হাজৰিকাৰ পৰা পাচহাজাৰ, বেংকৰ পৰা আৰু প্ৰমোদ শইকীয়াৰ পৰা পাচ হাজাৰ আৰু তেওঁক থানাত ৰাখিলে। এডিচনেল এচ-পিয়ে লিখিছে—The Additional S. P. Tezpur ( Shri H. L. Deb ) has neither investigated nor supervised the case. So far as the knowledge of S. P. goes no relative of Addl. S. P. is associated with the case.

এডিচনেল এচ-পিয়ে কেচটো অনুসন্ধান কৰা নাই। এচ আই শ্ৰীগনেশ তামুলীয়ে ( তেজপুৰৰ থানাৰ ) কৰিছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ডাঙৰীয়াই যিটো মহাভাৰতৰ আখ্যান কলে সেইটো ঠিক ভাবেই আছে কিন্তু তেখেতে মন্ত্ৰী সভাক ৰজা বুলি ভাবিলে আচলতে মন্ত্ৰী সভা ৰজা নহয়, এতিয়া ৰজা হৈছে ৰাইজ আৰু ভীষ্ম ৰজাৰ তলত কাম কৰাৰ দৰে মন্ত্ৰী সভাইও ৰাইজৰ তলত কাম কৰি আছে গতিকে পিতমহ ভীষ্মই যিটো কথা কৈছিল সেইটো আজিও চলি আছে।

Mr. Deputy Speaker—Now, I put the main motion.

The motion is that the Assam Appropriation ( No. II ) Bill, 1976, be passed.

The motion is pased.

Now, the House stands adjourned till 9 a. m. tomorrow ( 19.3.76 )

## ADJOURNMENT

The House rose at 8-18 P. M. and stood adjourned till 9 A. M. on Friday the 19th March, 1976.

Dated—
Dispur, the 18th March, 1976.

P. D. Barua,
Secretary.
Assam Legislative Assembly

—+—